www.asombarta.in

শুদ্ধ আৰু আপোচহীন বাৰ্তাৰ প্ৰতীক

# অসম বাৰ্তা

▢ PRGI REGD. NO. : ASASS/25/A2361

অনলাইনত কাকতখন পঢ়িবলৈ স্কেন কৰক

সকলো বিজ্ঞানৰ আৰম্ভণী হয় দৰ্শন হিচাপে আৰু শেষ হয় কলা হিচাপে।
— উইল ডুৰাণ্ড।

ব্যক্তিগত, চৰকাৰী-বেচৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠান আদিয়ে অতি কম খৰছত বিভিন্ন ধৰণৰ বিজ্ঞাপন 'অসম বাৰ্তা' কাকতৰ জৰিয়তে প্ৰচাৰ কৰিবলৈ ৭০৯৯৪৩৫৪৬২ নম্বৰত যোগাযোগ কৰক।
- 'অসম বাৰ্তা' গোষ্ঠী -

▢ ষষ্ঠ বছৰ ▢ সংখ্যা - ২৪২ ▢ মঙলবাৰ ▢ ২৫ নৱেম্বৰ, ২০২৫ চন ▢ ৮ আঘোণ, ১৯৪৭ শক ▢ VOL - 6 ▢ NO.- 242 ▢ Tuesday ▢ 25th November, 2025 ▢ মূল্য ঃ ১০.০০ টকা ▢ মুঠ পৃষ্ঠা ঃ ৮



## আলফা (স্বাঃ)ত যোগদান কৰিবলৈ যোৱা তিনি যুৱকক অৰুণাচলত আটক

**অসম বাৰ্তা বিশেষ, জাগুন, ২৪ নৱেম্বৰ ঃ** আলফা(স্বাধীন)ত মূক্ষম আঘাত হানি অৰুণোদয় অসম আৰু তেওঁৰ এজন দেহ ৰক্ষীয়ে ভাৰত ম্যানমাৰ সীমান্তত আত্মসমৰ্পণ কৰাৰ পিছতেই আলফা স্বাধীনত যোগদান কৰিব ▸▸৬ পৃষ্ঠাত

## নিচাজাতীয় টেবলেটসহ ড্ৰাগছ সৰবৰাহকাৰীক আটক সৰ্থেবাৰী আৰক্ষীৰ

**অসম বাৰ্তা, চুঙা, ২৪ নৱেম্বৰ ঃ** বৰপেটা জিলাৰ সৰ্থেবাৰী আৰক্ষীয়ে অব্যাহত ৰাখিছে ড্ৰাগছ বিৰোধী অভিযান। গোপন খবৰৰ ভিত্তিত সৰ্থেবাৰী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া বিকাশ জ্যোতি ডেকাৰ নিৰ্দেশত আজি দুপৰীয়াৰ ভাগত গৰিয়া চতলাত ড্ৰাগছৰ বিৰুদ্ধে সৰ্থেবাৰী আৰক্ষীয়ে অভিযান চলায়। সৰ্থেবাৰী আৰক্ষী থানাৰ মহিলা উপ পৰিদৰ্শক ময়ূৰী ▸▸৬ পৃষ্ঠাত

### নিৰ্বিকাৰ আৰক্ষী প্ৰশাসন, পৰিবহণ বিভাগ

## ১৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথত অভাৰলোড বালি, কয়লা ভৰ্তি ডাম্পাৰ-ট্ৰাকৰ দৌৰাত্ম্য

**ষ্টাফ ৰিপৰ্টাৰ, দুধনৈ, ২৪ নৱেম্বৰ ঃ** গোৱালপাৰা জিলা আৰু দক্ষিণ কামৰূপৰ মাজেৰে যোৱা ১৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথত অতিৰিক্ত বোজাই কয়লা ভৰ্তি ট্ৰাক আৰু বালিভৰ্তি ডাম্পাৰৰ দৌৰাত্ম্যই এক ভয়ংকৰ ৰূপ ধাৰণ কৰিছে। প্ৰতি দিনে মেঘালয়ৰ পৰা কামৰূপ জিলাৰ হাঁহিম হৈ দুধনৈ, যোগীঘোপালৈ সৰবৰাহ হয় অতিৰিক্ত বোজাই কয়লা ভৰ্তি ট্ৰাক আৰু দুধনৈ মাটিয়া দামৰা আদি ঠাইৰ পৰা গুৱাহাটীলৈ চলাচল কৰে বালিভৰ্তি অভাৰলোড ডাম্পাৰ। যিহেতু বৰ্তমান ১৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথটি চাৰিলেন ▸▸৬ পৃষ্ঠাত



## ট্ৰাম্পৰ বয়কট ! জি-২০ৰ প্ৰথম দিনাই ঘোষণাপত্ৰ গৃহীত




### আমেৰিকাৰ চকী খালী হৈ ৰ'ব বুলি দক্ষিণ আফ্ৰিকাৰ স্পষ্ট বাৰ্তা

**অনলাইন ডেস্ক, অসম বাৰ্তা, ২৪ নৱেম্বৰ ঃ** দক্ষিণ আফ্ৰিকাৰ অধ্যক্ষতাত চলি থকা জি-২০ শীৰ্ষ সন্মিলনত আমেৰিকাৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পৰ অনুপস্থিতিয়ে নতুন বিতৰ্কৰ সৃষ্টি কৰিছে। ট্ৰাম্পে সন্মিলন বয়কট কৰাৰ পিছতো বাকী ১৯খন সদস্য ৰাষ্ট্ৰই ▸▸৬ পৃষ্ঠাত



## মহনগৰীত যুৱতী সাংবাদিকৰ কাৰ্যালয়তে চৰম সিদ্ধান্ত

**ষ্টাফ ৰিপৰ্টাৰ, গুৱাহাটী, ২৪ নৱেম্বৰ ঃ** অহা ৫ ডিচেম্বৰত বিয়াৰ দিন ঠিক হৈছিল। ঘৰত বিয়াৰ সাজ-সজ্জা চলি আছিল। কইনাৰ হাতত মেহেন্দী সানিবলৈ ▸▸৬ পৃষ্ঠাত

### পাঁচদিনীয়া অধিৱেশনত উত্থাপন হ'ব ২৬খন ন-পুৰণি বিধেয়ক

# আজিৰে পৰা অসম বিধানসভাৰ শীতকালীন অধিৱেশন



### দাখিল কৰা হ'ব ১৯৮৩ৰ নেলীৰ গণহত্যাৰ ত্ৰিভুৱন প্ৰসাদ তিৱাৰী আয়োগৰ প্ৰতিবেদন

**নিউজ ডেস্ক, গুৱাহাটী, ২৪ নৱেম্বৰ ঃ** আজিৰে পৰা আৰম্ভ হ'ব অসম বিধানসভাৰ শীতকালীন অধিৱেশন। এইবাৰৰ শীতকালীন অধিৱেশনত উত্থাপনৰ বাবে ১০খন বিধেয়ক তালিকাভুক্ত হৈছে। অহা ২৯ নৱেম্বৰলৈ চলিবলগীয়া এই অধিৱেশনত মুঠ ৫টা কৰ্মদিন থাকিব। কাইলৈ বিগত অধিৱেশনৰ পৰৱৰ্তী কালত দেহাৱসান ঘটা প্ৰাক্তন সদস্য আৰু ৰাজ্য তথা দেশৰ বিশিষ্ট ব্যক্তিসকলৰ স্মৃতিত শ্ৰদ্ধা তৰ্পণ কৰা হ'ব। লগতে অধ্যক্ষ বিশ্বজিৎ দৈমাৰীয়ে শীতকালীন অধিৱেশনৰ বাবে কাৰ্যসূচী উপদেষ্টা সমিতিৰ প্ৰতিবেদন দাখিল কৰিব। ২৮ নৱেম্বৰৰ দিনটো ▸▸৬ পৃষ্ঠাত

■ আলফা স্বাধীনৰ সৈতে শান্তি আলোচনাৰ চাবি পৰেশ বৰুৱাৰ হাতত! ■

## মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাৰ স্পষ্ট ঘোষণা



**ষ্টাফ ৰিপৰ্টাৰ, গুৱাহাটী, ২৪ নৱেম্বৰ ঃ** আলফা (স্বাধীন)ৰ সৈতে শান্তি আলোচনাৰ প্ৰসংগ বিগত কেইবছৰ ধৰি ৰাজ্যৰ ৰাজনীতিৰ এক জটিল বিষয় হৈ আহিছে। কিন্তু এই আলোচনা এতিয়াও মূৰ্ত ৰূপ ▸▸৬ পৃষ্ঠাত

### ৮৯ বছৰ বয়সত শেষ নিশ্বাস ত্যাগ কিংবদন্তি অভিনেতাগৰাকীৰ

## বলীউডৰ 'হি-মেন' ধৰ্মেন্দ্ৰৰ দেহাৱসান

**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ২৪ নৱেম্বৰ ঃ** বলীউডৰ অন্যতম জনপ্ৰিয় আৰু দীৰ্ঘদিনীয়া তাৰকা, 'হি-মেন' খ্যাত প্ৰবীণ অভিনেতা ধৰ্মেন্দ্ৰই আজি পুৱাৰ ভাগত শেষ নিশ্বাস ত্যাগ কৰে। তেওঁৰ বয়স হৈছিল ৮৯ বছৰ। আগন্তুক ৮ ডিচেম্বৰত তেওঁৰ ৯০তম জন্মদিন আছিল। বিগত কেই ▸▸৬ পৃষ্ঠাত



### চৰকাৰী গাড়ী এৰি নিজ বাহনেৰে ঘৰলৈ উভতিলে প্ৰাক্তন মুখ্য ন্যায়াধীশে

## নতুন মুখ্য ন্যায়াধীশৰ প্ৰথম দিনাই বি আৰ গাভাইৰ উদাৰতা



**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ২৪ নৱেম্বৰ ঃ** সোমবাৰে ন্যায়াধীশ সূৰ্য কান্তই ভাৰতৰ ৫১তম মুখ্য ন্যায়াধীশ হিচাপে শপত গ্ৰহণ কৰাৰ পিছতে ৰাষ্ট্ৰপতি ভৱনত এক বিৰল আৰু ▸▸৬ পৃষ্ঠাত

## লাচিত দিৱসত বিজেপি ৰাজ্যিক সভাপতি দিলীপ শইকীয়াৰ বাৰ্তা

### আধুনিক মোগলৰ বিৰুদ্ধে অব্যাহত আছে শৰাইঘাটৰ দ্বিতীয় ৰণ!

**ষ্টাফ ৰিপৰ্টাৰ, গুৱাহাটী, ২৪ নৱেম্বৰ ঃ** অসমৰ গৌৰৱময় ইতিহাসৰ মহানায়ক, আহোম সেনাপতি বীৰ লাচিত বৰফুকনৰ ৪০১তম জন্মজয়ন্তী আজি ৰাজ্যজুৰি শ্ৰদ্ধাৰে পালন কৰা হৈছে। লাচিত দিৱস উপলক্ষে গুৱাহাটীৰ বিভিন্ন প্ৰান্তত চৰকাৰী তথা ▸▸৬ পৃষ্ঠাত



### মহিলা বক্সাৰে জয় কৰিলে ৭টা সোণ

## বিশ্ব বক্সিং কাপৰ ফাইনেলত ভাৰতৰ ঐতিহাসিক সাফল্য

**নিউজ ডেস্ক, অসম বাৰ্তা, ২৪ নৱেম্বৰ ঃ** ২০২৫ চনৰ বিশ্ব বক্সিং কাপৰ ফাইনেলত ভাৰতীয় দলটোৱে অভুতপূৰ্ব সাফল্য অৰ্জন কৰি ইতিহাস ৰচনা কৰিলে। প্ৰতিযোগিতাখনৰ অন্তিম পৰ্যায়ত ভাৰতে মুঠ ২০টা ▸▸৬ পৃষ্ঠাত



### এই অধিৱেশন কেৱল সাধাৰণ বাজেট অধিৱেশন নহয়, নৱ অসম গঢ়াৰ পথত এক ঐতিহাসিক মাইলৰ খুঁটি ঃ ৰণজিৎ কুমাৰ দাস

## বিধানসভাৰ অন্তিম অধিৱেশনক লৈ পঞ্চায়ত আৰু গ্ৰাম্য উন্নয়ন মন্ত্ৰীৰ মন্তব্য



**ষ্টাফ ৰিপৰ্টাৰ, অসম বাৰ্তা, ২৪ নৱেম্বৰ ঃ** মঙলবাৰৰ পৰা আৰম্ভ হ'বলগীয়া অসম বিধানসভাৰ বৰ্তমান বিধায়কসভাৰ অন্তিম অধিৱেশনক লৈ পঞ্চায়ত আৰু গ্ৰাম্য উন্নয়ন মন্ত্ৰী তথা বজালী সমষ্টিৰ বিধায়ক ৰণজিৎ কুমাৰ দাসে উল্লেখযোগ্য মন্তব্য আগবঢ়াইছে। তেওঁ কয়, "এইখন অধিৱেশন কেৱল এখন সাধাৰণ বাজেট অধিৱেশন নহয়, এয়া নৱ অসম গঢ়াৰ পথত এক ঐতিহাসিক মাইলৰ খুঁটি হৈ পৰিব।" বিৰোধী দলসমূহৰ ভূমিকাক লৈও মন্ত্ৰীগৰাকীয়ে ইতিবাচক দৃষ্টিভংগী প্ৰকাশ কৰিছে। তেওঁ কয়, "গণতন্ত্ৰৰ সৌন্দৰ্যই হৈছে বিৰোধীৰ গঠনমূলক সমালোচনা। বিৰোধী দলসমূহে যিমান সবল ভূমিকা পালন কৰিব, সিমানেই শাসকীয় ▸▸৬ পৃষ্ঠাত

### কংগ্ৰেছৰ হিতাধিকাৰী মানে বিধায়ক বনোৱা লোক! মুখ্যমন্ত্ৰীৰ কটাক্ষ

## ১২৬টা সমষ্টিতে এনডিএৰ প্ৰাৰ্থী দিয়াৰ ঘোষণা



**ষ্টাফ ৰিপৰ্টাৰ, অসম বাৰ্তা, ২৪ নৱেম্বৰ ঃ** সোমবাৰে ৰঙিয়াত বিভিন্ন কাৰ্যসূচীত অংশগ্ৰহণ কৰি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই বিৰোধী কংগ্ৰেছক তীক্ষ্ণ কটাক্ষ কৰাৰ লগতে আগন্তুক বিধানসভা নিৰ্বাচনৰ বাবে এনডিএৰ ৰণকৌশল স্পষ্ট কৰি দিলে। লোকনিৰ্মাণ বিভাগৰ ▸▸৬ পৃষ্ঠাত

## বৰাকত ই-ৱেষ্টৰ বৈজ্ঞানিক নিষ্কাশনৰ ঐতিহাসিক চুক্তি অসম বিশ্ববিদ্যালয়-বিনবেগৰ মাজত



**ষ্টাফ ৰিপৰ্টাৰ, শিলচৰ, ২৪ নৱেম্বৰ ঃ** অসম বিশ্ববিদ্যালয় আৰু মেছাৰ্ছ বিনবেগ ই-ৱেষ্ট ৰিচাইকলাৰ্ছ এণ্ড ৰিফাৰ্বিছিং প্ৰাইভেট লিমিটেডৰ মাজত ইলেক্ট্ৰনিক বৰ্জিত সামগ্ৰীৰ (ই-ৱেষ্ট) বৈজ্ঞানিক আৰু পৰিৱেশসন্মত নিষ্কাশনৰ বাবে এক ▸▸৬ পৃষ্ঠাত

### লাচিতৰ বীৰত্বই অসমক একতাৰ বান্ধোনত বান্ধি ৰাখিছে ঃ মন্ত্ৰী বিমল বৰা

## টাই-আহোম ৰীতি নীতিৰে উদযাপিত হ'ল লাচিত দিৱস



**অসম বাৰ্তা, যোৰহাট, ২৪ নৱেম্বৰ ঃ** অসমীয়া জাতিৰ শৌৰ্য-বীৰ্যৰ প্ৰতীক, মহাবীৰ লাচিত বৰফুকনৰ ৪০৩ সংখ্যক জন্মজয়ন্তী আজি সমগ্ৰ ৰাজ্যতে লাচিত দিৱস হিচাপে উদযাপন কৰা হয়। হোলোঙাপাৰস্থিত লাচিত মৈদামত টাই-আহোম ৰীতি-নীতিৰে কেন্দ্ৰীয়ভাৱে এই দিৱস উদযাপন কৰা হয়। অসম ▸▸৬ পৃষ্ঠাত

## দেশৰ '২৫ৰ উপাৰ্জনকাৰী ছবিৰ শীৰ্ষ দহত স্থান লাভ 'ৰৈ ৰৈ বিনালে'

### ২২ দিনত ২৪.৪৯ কোটি, অসমীয়া চিনেমাৰ ইতিহাসত সৰ্বোচ্চ স্থান

**ষ্টাফ ৰিপৰ্টাৰ, গুৱাহাটী, ২৪ নৱেম্বৰ ঃ** প্ৰয়াত কিংবদন্তি শিল্পী জুবিন গাৰ্গৰ স্বপ্নৰ ছবি 'ৰৈ ৰৈ বিনালে'ই অসমীয়া চলচ্চিত্ৰৰ ইতিহাসত নজিৰবিহীন সাফল্য অৰ্জন কৰি গৌৰৱান্বিত কৰিলে সমগ্ৰ অসমক। ৩১ অক্টোবৰত অসমৰ লগতে সমগ্ৰ দেশতে মুক্তি লাভ কৰা এই মিউজিকেল ৰোমাণ্টিক ছবিখনে মুক্তিৰ প্ৰথম দিনাই ১.৮৫ কোটি ▸▸৬ পৃষ্ঠাত






আগশাৰীৰ কেইবাটাও গ্ৰন্থ প্ৰকাশন গোষ্ঠীৰ অংশগ্ৰহণ

# তিনি ডিচেম্বৰৰ পৰা পাঁচ দিনীয়াকৈ কৃষ্ণাইত অনুষ্ঠিত হ'ব দ্বিতীয় বাৰ্ষিক গ্ৰন্থমেলা-২০২৫

**ষ্টাফ ৰিপৰ্টাৰ, দুধনৈ, ২৪ নৱেম্বৰ ঃ** গ্ৰন্থ ক্ৰয় আৰু পঠনৰ প্ৰতি নৱ-প্ৰজন্মৰ আগ্ৰহ জন্মোৱাৰ মহান উদ্দেশ্য লৈ অহা ৩ ডিচেম্বৰৰ পৰা ০৭ ডিচেম্বৰ, ২০২৫লৈ পাঁচ দিনীয়াকৈ আয়োজন কৰা হৈছে কৃষ্ণাই গ্ৰন্থমেলা-২০২৫। পশ্চিম গোৱালপাৰা সমজিলা প্ৰশাসন আৰু সুৰভি সাহিত্য গোষ্ঠী, কৃষ্ণাইৰ উদ্যোগত তথা স্থানীয় দল-সংগঠন তথা ৰাইজৰ সহযোগত দ্বিতীয় সংখ্যক কৃষ্ণাই গ্ৰন্থমেলা-২০২৫ ৰ প্ৰস্তুতি তুংগত উঠিছে। কৃষ্ণাই পশু চিকিৎসালয় প্ৰাঙ্গণত অনুষ্ঠিত হ'বলগীয়া গ্ৰন্থমেলাখনিৰ আটাইকেইদিনৰ সকলো কাৰ্যসূচীতে জিলাবাসী ৰাইজৰ সঁহাৰিআৰু উপস্থিত থাকিবলৈ বিনম্ৰভাবে কামনা কৰিছে আয়োজক সমিতিয়ে। এই বেলিৰ গ্ৰন্থমেলা-২০২৫ ত গুৱাহাটী নলবাৰী আদিকে ধৰি অসমৰ কেবাটাও মানবিশিষ্ট প্ৰকাশন গোষ্ঠী আৰু গ্ৰন্থবিপনীয়ে অংশগ্ৰহণ কৰিব। অহা ৩ ডিচেম্বৰত ৰাতিপুৱা ১০.০০ বজাত সুৰভি সাহিত্য গোষ্ঠী, কৃষ্ণাইৰ সভাপতি ড° নজৰুল ইছলামে গোষ্ঠীৰ পতাকা উত্তোলনেৰে কাৰ্যসূচীৰ শুভাৰম্ভণি কৰা হ'ব। ১০-৩০ বজাত শ্বহীদ তৰ্পণ কৰিব সুৰভি সাহিত্য গোষ্ঠী, কৃষ্ণাইৰ উপ-সভাপতি ছহিবুল ৰছুলে। ১১.০০ বজাত অসমৰ হিয়াৰ আমঠু জুবিন গাৰ্গলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিব প্ৰতিমা পাণ্ডে বৰুৱা বঁটা প্ৰাপক বিশিষ্ট লোকশিল্পী শ্ৰীদীপক পামে। ১১-৩০ বজাত গ্ৰন্থমেলাৰ দ্বাৰ মুকলি কৰিবলৈ আমন্ত্ৰণ জনোৱা হৈছে অসম চৰকাৰৰ স্বাস্থ্য আৰু পৰিয়াল কল্যাণ তথা জলসিঞ্চন বিভাগৰ মন্ত্ৰী অশোক সিংহল ডাঙৰীয়াক। ইয়াৰ লগে লগে অনুষ্ঠিতব্য উদ্বোধনী সভা। মুখ্য অতিথিৰূপে উপস্থিত থকাৰ কথা বঙাইগাঁওস্থিত পশ্চিম মণ্ডলৰ আৰক্ষী উপ মহাপৰিদৰ্শক বিজয় গিৰি কুলিগাম। উক্ত উদ্বোধনী সভাত গোৱালপাৰাৰ জিলা আয়ুক্ত প্ৰদীপ টিমুং, গোৱালপাৰা জিলাৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষক নৱনীত মহন্ত, শিশু সাহিত্য ন্যাস, অসমৰ সচিব হৃষীকেশ গোস্বামী, সাহিত্যিক-গৱেষক পৰিতোষ চক্ৰৱৰ্তী, সাহিত্যিক-গৱেষক বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকিব। প্ৰথম দিনাৰ সাংস্কৃতিক সন্ধিয়া মুকলি কৰিব সাংস্কৃতিক সঞ্চালকালয়ৰ অৱসৰপ্ৰাপ্ত উপ-সঞ্চালক মুকুল ৰাভাই। দ্বিতীয় দিন ৪ ডিচেম্বৰৰ আছে ৰাতিপুৱা ১০-০০ বজাত সচেতন নাগৰিক মঞ্চ, কৃষ্ণাইৰ সভাপতি জয়ন্ত ৰায়ে উদ্বোধন কৰিব চিত্ৰাংকন প্ৰতিযোগিতা। উক্ত প্ৰতিযোগিতা প্ৰধানকৈ দুটা শাখাত ক্ৰমে 'ক' শাখা পঞ্চম শ্ৰেণীৰ পৰা সপ্তম শ্ৰেণীৰ আৰু 'খ' শাখা অষ্টম শ্ৰেণীৰ পৰা দশম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলো অংশগ্ৰহণ কৰিব। দিনৰ ১১-৩০ বজাত অনুষ্ঠিত হ'ব কবিতা আবৃত্তি প্ৰতিযোগিতা। মেঘালয়ৰ বিশিষ্ট কবি-আবৃত্তিকাৰ জয়ন্তজ্যোতি গোঁহায়ে উদ্বোধন কৰিবলগীয়া প্ৰতিযোগিতা খনো দুটা শাখাত 'ক' শাখা ষষ্ঠ শ্ৰেণীৰ পৰা দশম শ্ৰেণীলৈ কবিতা জুবিন গাৰ্গৰ 'Water' আৰু 'খ' শাখা একাদশ শ্ৰেণীৰ পৰা স্নাতক শ্ৰেণীলৈ আৱদ্ধ থাকিব। আবেলি ২-৩০ বজাত অনুষ্ঠিত হ'ব 'গ্ৰন্থৰ ভৱিষ্যৎ' শীৰ্ষক আলোচনা চক্ৰ। আলোচক হিচাপে বিশিষ্ট কবি-সাহিতিক বিপুল কুমাৰ শৰ্মা, দুধনৈ মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক ড° হৰকুমাৰ নাথ, পশ্চিম বিধান সভা সমষ্টিৰ বিধায়ক আব্দুৰ ৰশিদ মণ্ডল, জ্যেষ্ঠ অধিবক্তা সঞ্জয় শৰ্মা উপস্থিত থাকিব। সঞ্চালক হিচাপে উপস্থিত থাকিব বিশিষ্ট সাহিত্যিক তথা ধুবুৰী বি এন কলেজৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ ড° অহিজুদ্দিন শ্বেইখ। ৫-৩০ বজাত দ্বিতীয় দিনৰ সাংস্কৃতিক সন্ধিয়া উদ্বোধন কৰিব কৃষ্ণাই আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া কৃষ্ণকাম বৰদলৈয়ে। ৫ ডিচেম্বৰৰ তৃতীয় দিনৰ কাৰ্যসূচীত থাকিব ৰাতিপুৱা ১০-০০ বজাত চিত্ৰ-কলা-বিজ্ঞান আৰ্হি প্ৰদৰ্শনী। উদ্বোধন কৰিব অসম নাট্য সন্মিলনৰ উপ-সভাপতি আব্দুল হাই আহমেদে। দিনৰ ১১-০০ বজাত অনুষ্ঠিতব্য কবি সন্মিলনত মুখ্য অতিথি ৰূপে অংশ গ্ৰহণ কৰিব অসমৰ বিশিষ্ট কবি নীলিম কুমাৰ। সঞ্চালক হিচাপে থাকিব বিশিষ্ট কবি-সাহিত্যিক-সাংবাদিক মনোৰম গগৈয়ে। সন্ধিয়া ৫-৩০ বজাৰ সাংস্কৃতিক সন্ধিয়া মুকলি কৰিব বিশিষ্ট সাহিত্যিক-সাংবাদিক দিলীপ কুমাৰ শৰ্মাই। পঞ্চম দিনৰ (৬ ডিচেম্বৰ) ৰাতিপুৱা ১০-০০ বজাত অনুষ্ঠিত হ'ব জিলা ভিত্তিক প্ৰাইজমানি মুকলি কুইজ প্ৰতিযোগিতা খনি উদ্বোধন কৰিব পশ্চিম গোৱালপাৰা সমজিলা আয়ুক্তই। গোৱালপাৰা জিলাৰ চৰকাৰী-বেচৰকাৰী মহাবিদ্যালয় আৰু উচ্চ আৰু উচ্চতৰ মাধ্যমিক বিদ্যালয়সমূহৰ তিনিজনীয়া ছাত্ৰ-ছাত্ৰীৰ এটিকৈ দলে অংশগ্ৰহণ কৰিব পৰা প্ৰতিযোগিতাখনিৰ প্ৰথম, দ্বিতীয় আৰু তৃতীয় পুৰস্কাৰ হিচাপে আগবঢ়োৱা হ'ব ক্ৰমে সাত হাজাৰ টকা, পাঁচ হাজাৰ টকা আৰু তিনি হাজাৰ টকা। সিদিনাই দিনৰ ২-৩০ বজাত 'ধ্ৰুপদী ভাষা আৰু অসমীয়া সাহিত্য' শীৰ্ষক বিশেষ সাহিত্য আলোচনাত মুখ্য অতিথি ৰূপে ভাগ ল'বলৈ কথা দিছে অসম সাহিত সভাৰ সভাপতি ড° বসন্ত কুমাৰ গোস্বামী আৰু বিশষ্টি অতিথি হিচাপে অসম সাহিত সভাৰ প্ৰধান সম্পাদক দেৱজিত বৰা। আনহাতে গোৱালপাৰা জিলা সাহিত্য সভাৰ সভাপতি জয়চন্দ্ৰ নাথ আৰু গোৱালপাৰা জিলা ৰাভা সাহিত্য সভাৰ সম্পাদক ৰাজ কুমাৰ ৰাভা সন্মানীয় অতিথি হিচাপে উপস্থিত থাকিব। ৫-৩০ বজাৰ সাংস্কৃতিক সন্ধিয়া উদ্বোধন কৰিব গোৱালপাৰা মহকুমা চিকিৎসা আৰু স্বাস্থ্য বিষয়া জোনবীৰ দাসে। গ্ৰন্থমেলাৰ অন্তিম দিনা কৃষ্ণাই যুৱ-ছাত্ৰ কল্যাণ ন্যাসৰ বিশেষ সহযোগিতাৰে হ'বলগীয়া ৭ ডিচেম্বৰৰ ৰাতিপুৱা ১১-০০ বজাত ছাত্ৰ-ছাত্ৰীৰ সুবিধাৰ্থে 'মাধ্যমিক আৰু স্নাতক শিক্ষাৰ্থীৰ ভৱিষ্যতৰ শিক্ষা আৰু সংস্থাপন' শীৰ্ষক কেৰিয়াৰ গাইডেন্স আৰু কাউন্সেলিঙৰ বিশেষ অনুষ্ঠানত অসমৰ বিশিষ্ট কেৰিয়াৰ পৰামৰ্শদাতা তথা অসম ডন বস্ক' বিশ্ববিদ্যালয়, গুৱাহাটীৰ যান্ত্ৰিক অভিযান্ত্ৰিক বিভাগৰ মুৰব্বী ড° বুলজিৎ বুঢ়াগোহাঁয়ে ভাগ ল'ব। অনুষ্ঠানটি উদ্বোধন কৰিব গোৱালপাৰা সামাজিক বনানিকৰণ বন-সংমণ্ডল বিষয়া ইউনুছ ছেলিমে। আবেলি ২-৩০ বজাত অনুষ্ঠিতব্য সামৰণি অনুষ্ঠানত মুখ্য অতিথি ৰূপে উপস্থিত থাকিব অসম গৌৰৱ তথা বি.টি.চি.ৰ ৰেচম বিভাগৰ অৱসৰপ্ৰাপ্ত সঞ্চালক ড° যোগেশ দেউৰীয়ে। বিশিষ্ট অতিথি হিচাপে গোৱালপাৰা জিলা পৰিবহণ বিষয়া মনিৰুদ্দিন আহমেদ, হাব্ৰাঘাট মহাবিদ্যালয়, কৃষ্ণাইৰ অধ্যক্ষ ড° মণ্টু কুমাৰ দাস, লক্ষ্মীপুৰ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° কাশ্যপ বিশ্বাস, দলগোমা আঞ্চলিক মহাবিদ্যালয়ৰ অধ্যক্ষ ড° গংগেশ্বৰ কলিতা, আগিয়া মহাবিদ্যালৰ অধ্যক্ষ ড° উৎপল দাস, বিশিষ্ট সাহিত্যিক এম আব্দুল মজিদ খান আৰু গুৱাহাটীৰ বিশিষ্ট লেখিকা মল্লিকা হাজৰিকাই। সভাপতিত্ব কৰিব সুৰভি সাহিত্য গোষ্ঠীৰ সভাপতি ড° নজৰুল ইছলামে। সিদিনাৰ সাংস্কৃতিক সন্ধিয়া উদ্বোধন কৰিব অনাতাঁৰ আৰু গোৱালপাৰীয়া লোকগীতৰ বিশিষ্ট শিল্পী ৰহিমা কলিতা বেগমে। অন্তিম দিনাৰ সাংস্কৃতিক সন্ধিয়াত গীতৰ শৰাই আগবঢ়াব ভাৰ্গৱ দাস, প্ৰিয়া দাস, শ্ৰীমামনী শীল মজুমদাৰ আদি কেবাগৰাকী বিশিষ্ট গায়ক-গায়িকাই। উল্লেখ্য যে সন্ধিয়া ৫-০০ বজাত প্ৰতিদিনেই অসমৰ এগৰাকীকৈ প্ৰথিতযশা শিল্পী-সাহিত্যিকৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্জ্বলনেৰে শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰা হ'ব। তাৰ বাবে আমন্ত্ৰণ কৰা হৈছে হাব্ৰাঘাট মহাবিদ্যালয়, কৃষ্ণাইৰ অৱসৰপ্ৰাপ্ত অধ্যাপক জোনাব আলী, এপিডিএলৰ সঞ্চালক ড° প্ৰকাশ কাশ্যপ, বিশিষ্ট শিল্পী মৌলিক ৰাভা, অসম বৈভৱ তথা বিশিষ্ট কৃষক উপেন ৰাভা আৰু জ্যেষ্ঠ অধিবক্তা ড° সঞ্জয় শৰ্মাই। উল্লেখ্য যে সুৰভি সাহিত্য গোষ্ঠীয়ে প্ৰকাশ কৰি উলিওৱা সৰু-বৰ পাঁচখনকৈ গ্ৰন্থৰ লগতে আন প্ৰকাশনৰ কেইবাখনো গ্ৰন্থ উন্মোচন কৰাৰ দিহা কৰা হৈছে।

বৰ্ণাঢ্য সাংস্কৃতিক শোভাযাত্ৰা সম্পন্ন; বৃহৎ মুকলি সভা, স্মৃতি গ্ৰন্থ উন্মোচন

# মাজুলী জিলা মইনা পাৰিজাতৰ দ্বাদশ দ্বি বাৰ্ষিক শিশু সমাৰোহৰ সামৰণি



**অসম বাৰ্তা, উজনী মাজুলী, ২৪ নৱেম্বৰ ঃ** মাজুলী জিলা মইনা পাৰিজাতৰ দ্বাদশ শিশু সমাৰোহখন আজি বৃহৎ সফলতাৰে সম্পন্ন হয়। গড়মূৰ আঞ্চলিক মইনা পাৰিজাতৰ সহযোগত যোৱা ২২ নৱেম্বৰৰ পৰা পীতাম্বৰ দেৱ গোস্বামী জ্যেষ্ঠ মাধ্যমিক বিদ্যালয়ত আৰম্ভ হোৱা উক্ত বৃহৎ শিশু সমাৰোহখন মুকলি সভাৰে সম্পন্ন কৰা হয়। মাজুলীৰ বিভিন্ন প্ৰান্তৰ পৰা অহা ৩৫খন শাখা মইনা পাৰিজাতৰ অংশগ্ৰহণৰে যোৱা দুটা দিনৰ সফলতাৰ পাছত আজি অন্তিম দিনা পুৱা নিজ নিজ শিবিৰত প্ৰাৰ্থনা আৰু যোগ চৰ্চাৰে দিনজোৱা কাৰ্যসূচীৰ আৰম্ভ কৰা হয়। তাৰপিছত প্ৰতিযোগিতামূলক বৰ্ণাঢ্য সাংস্কৃতিক শোভাযাত্ৰা উলিওৱা হয়। উক্ত, সাংস্কৃতিক শোভাযাত্ৰা উদ্বোধন কৰে গড়মূৰ শ্ৰীশ্ৰী পীতাম্বৰ দেৱ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক নীলমণি ভূঞাই। উক্ত, সাংস্কৃতিক শোভাযাত্ৰাত ৩৫খন শাখা মইনা পাৰিজাতৰ সহস্ৰাধিক মইনাই অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ বিভিন্ন কৃষ্টি সংস্কৃতিৰ প্ৰতিফলন ঘটাই আঞ্চলিক ৰাইজক মুগ্ধ কৰে। দীৰ্ঘ দূৰত্বৰে উলিওৱা উক্ত শোভাযাত্ৰাত কোনো কোনো মইনা পাৰিজাতে জুবিন গাৰ্গৰ মৃত্যুৰ ন্যায় বিচাৰিও শ্লোগান দিয়ে। দুপৰীয়া বাৰ বজাৰ পৰা গড়মূৰ বংশীগোপাল নাট্য মন্দিৰৰ প্ৰয়াত হেমকান্ত দত্ত সোঁৱৰণী মঞ্চত উক্ত শিশু সমাৰোহৰ মুকলি সভাখন অনুষ্ঠিত হয়। টটয়া গাঁৱৰ গান্ধী মইনা পাৰিজাতৰ মইনাসকলে পৰিৱেশন কৰা সমবেত সংগীতৰে শুভাৰম্ভ কৰা উক্ত মুকলি সভাৰ আঁত ধৰে মাজুলী জিলা মইনা পাৰিজাতৰ সাংস্কৃতিক সম্পাদক দীপু বৰা আৰু প্ৰচাৰ সম্পাদক যদু কলিতাই। মুকলি সভাত আদৰণী ভাষণ প্ৰদান কৰে আদৰণী সমিতিৰ সভাপতি ভূপেন দত্তই। নামনি মাজুলী আঞ্চলিক মইনা পাৰিজাতৰ মইনা হিমাংশু কলিতাই সভাপতিত্ব কৰা উক্ত বৃহৎ মুকলি সভাখন উদ্বোধন কৰে নামনি লখিমপুৰ মইনা পাৰিজাতৰ মইনা সীমান্ত বৰুৱাই। উক্ত, মুকলি সভাত গড়মূৰ আঞ্চলিক মইনা পাৰিজাতৰ উদ্যোগত বিশিষ্ট শিক্ষাব্ৰতী কমল শইকীয়া, আন্তঃৰাষ্ট্ৰীয় চিত্ৰ শিল্পী দিগন্ত হাজৰিকা, বিশিষ্ট লোক শিল্পী বিষ্ণু দাস, শিশু শিল্পী আশ্বাস আয়ুস্মানক সম্বৰ্ধনা জনোৱা হয়। উক্ত, মুকলি সভাত নিৰ্দিষ্ট বক্তাৰ তত্বগধুৰ ভাষণ প্ৰদান কৰে গোলাঘাট জিলা মইনা পাৰিজাতৰ মইনা গৌৰৱ জ্যোতি বৰাই। সভাত বিশিষ্ট অতিথি হিচাপে লখিমপুৰ জিলাৰ মইনা নিষ্ঠা বৰা, ধেমাজি জিলাৰ মইনা কুমকুম গগৈ, মাজুলীৰ মইনা আয়ুস্মিতা বৰা, নিহাৰিকা কাশ্যপ, কুইনছা শইকীয়া, পৰাঙ্গম ভূএগ্ৰ, উজ্জ্বল গায়ন, আৰ্হি প্ৰিয়দৰ্শিনী শইকীয়াই অংশগ্ৰহণ কৰে। সভাত সদৌ অসম মইনা পাৰিজাতৰ উপ-সভাপতি প্ৰফুল্ল বৰা, লোহিত বৰা, সহকাৰী সম্পাদক দ্বিজেন বৰা, পীতাম্বৰ দেৱ গোস্বামী জ্যেষ্ঠ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ অজিত সভাপণ্ডিত, অৱসৰপ্ৰাপ্ত অধ্যাপক দিলীপ কুমাৰ ফুকন, অমৰ ঘোষ হলি আইলেণ্ড স্কুলৰ অধ্যক্ষ ভবেন কাকতি, গড়মূৰ শ্ৰীশ্ৰীপীতাম্বৰ দেৱ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ কুমুদ গোস্বামী, গড়মূৰ বংশীগোপাল নাট্য মন্দিৰৰ সভাপতি ৰূপক ভূএগ্ৰা, মাজুলী জিলা মইনা পাৰিজাতৰ সভাপতি খগেন হাজৰিকা, সম্পাদক শশীধৰ বৰুৱা, শিশু মহীয়ান কৃষ্ণৰাম হাজৰিকা, সুভদ্ৰা বৰা, লখিমপুৰৰ সমাজকৰ্মী স্বপ্না বৰুৱা, আদিয়ে অংশগ্ৰহণ কৰে। মুকলি সভাত স্মৃতিগ্ৰন্থ উন্মোচন কৰে উজনি মাজুলী খেৰকটীয়া মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক দিলীপ কুমাৰ ফুকনে। উক্ত মুকলি সভাত গুৱাহাটীৰ শিশু শিল্পী আশ্বাস আয়ুস্মানৰ গীত, স্বৰগম মইনা পাৰিজাতৰ নৃত্যয়ে সকলোকে মুগ্ধ কৰে। উক্ত, মুকলি সভাতে ৰাৱনাপাৰ আঞ্চলিক মইনা পাৰিজাতৰ আনুষ্ঠানিকভাৱে নিমন্ত্ৰণ ক্ৰমে আগন্তুক ২০২৭ চনৰ মাজুলী জিলা মইনা পাৰিজাতৰ ত্ৰয়োদশ দ্বি বাৰ্ষিক অধিৱেশনখন ৰাৱনাপাৰত অনুষ্ঠিত কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়। সভাত আনুষ্ঠানিক নিমন্ত্ৰণ গ্ৰহণ কৰে। মুকলি সভাৰ পাছত মাজুলী জিলা মইনা পাৰিজাতৰ সভাপতি খগেন হাজৰিকাৰ সভাপতিত্বত বঁটা বিতৰণী সভা অনুষ্ঠিত হয়। মাজুলী জিলা মইনা পাৰিজাতৰ সাধাৰণ সম্পাদক শশীধৰ বৰুৱাই আঁত ধৰা উক্ত বঁটা বিতৰণী সভাত শিশু সমাৰোহত পুৰস্কাৰ প্ৰদান কৰা হয়।

নগাঁও আৰক্ষী ছাউনীত জেষ্ঠ আৰক্ষী অধীক্ষকৰ লগতে জিলা আৰক্ষীৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন

# নগাঁৱৰ আৰক্ষী জোৱান তথা ৰাষ্ট্ৰীয় পাঞ্জা খেলুৱৈ অম্লানজিৎ বৰঠাকুৰৰ পথ দুৰ্ঘটনাত মৃত্যু



**অসম বাৰ্তা, নগাঁও, ২৪ নৱেম্বৰ ঃ** ৰাজ্যৰ উদীয়মান পাঞ্জা খেলুৱৈ আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত সোণৰ পদক প্ৰাপ্ত তথা অসম আৰক্ষীৰ জোৱান অম্লানজিৎ বৰঠাকুৰৰ কালি নিশা নগাঁও জিলাৰ ৰহাৰ জোঙাল বলহুৰ ওচৰত সংঘটিত এক পথ দুৰ্ঘটনাত মৃত্যু হয়। দুৰ্ঘটনাৰ পাছতেই গুৰুত্বৰ ভাৱে আহত অম্লানজিৎ বৰঠাকুৰক ততাতৈয়াকৈ নগাঁও চিকিৎসা মহাবিদ্যালয়ত চিকিৎসাধীন কৰা হয় যদিও চিকিৎসকে তেওঁক মৃত বুলি ঘোষণা কৰে। শোণিতপুৰ জিলাৰ জামুগুৰিহাটৰ বাসিন্দা তথা উদীয়মান পাঞ্জা খেলুৱৈ গৰাকীৰ নশ্বৰ দেহ আজি বিয়লি নগাঁও আৰক্ষী ছাউনীলৈ অনা হয় আৰু জিলাখনৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষক স্বপ্নীল ডেকা উপস্থিত হৈ অন্তিম শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। আৰক্ষী ছাউনীতে সতীৰ্থ আৰক্ষী জোৱান সকলৰ লগতে পৰিয়ালৰ লোকেও শেষ শ্ৰদ্ধা জ্ঞাপন কৰে। এই আকস্মিক মৃত্যুৱে অসম আৰক্ষীৰ লগতে ক্ৰীড়া অনুৰাগী সকলৰ মাজত শোকৰ ছাঁ পৰে।

সভাপতিৰ চহী জাল কৰি ৰাজহুৱা ধন আত্মসাতৰ অভিযোগ

# পূব কটহগুৰি জানপাৰ হাতেমীয়া প্ৰাথামিক বিদ্যালয়ৰ প্ৰধান শিক্ষকৰ বিৰুদ্ধে দুৰ্নীতি অভিযোগ

**অসম বাৰ্তা, নগাঁও, ২৪ নৱেম্বৰ ঃ** ৰাজ্যৰ শিক্ষা খণ্ডত আমুল পৰিৱৰ্তন অনা বুলি বিভিন্ন বিজ্ঞাপন তথা সভা সমিতিৰ জৰিয়তে চৰকাৰে দাবী কৰি আহিলেও নগাঁও জিলাত ইয়াৰ বিপৰীত ছবি খনহে দেখিবলৈ পোৱা গৈছে। বিভাগটোত একাংশ দুৰ্নীতি গ্ৰস্ত বিষয়া-কৰ্মচাৰীৰ সমান্তৰালকৈ এচাম দুৰ্নীতি পৰায়ণ প্ৰধান শিক্ষকৰ বাবেই এই বিভাগটোতেই সৰ্বাধিক অনিয়মৰ আৰু লুণ্ঠন সংঘটিত হোৱাৰ ৰাজহুৱা অভিযোগ সঘনাই উত্থাপিত হৈ আহিছে। এনে এক ঘটনাই নগাঁও জিলাৰ বটদ্ৰৱা শিক্ষা খণ্ডৰ অধীনৰ পূব কটহগুৰি জানপাৰ হাতেমীয়া প্ৰথামিক বিদ্যালয়ৰ প্ৰধান শিক্ষকৰ বিৰুদ্ধে। উত্থাপিত অভিযোগ মতে বিদ্যালয়ৰ প্ৰধান শিক্ষক গৰাকীয়ে মধ্যাহ্ন ভোজনৰ টকা আত্মসাৎ কৰাৰ অভিযোগ তুলিছে অভিভাৱকৰ লগতে পৰিচালনা সমিতিৰ একাংশ সদস্যই। যাকলৈ ক্ষোভিত এতিয়া স্বয়ং সভাপতিও। প্ৰাপ্ত অভিযোগ অনুসৰি, শতাধিক ছাত্ৰ-ছাত্ৰী থকা বিদ্যালয় খনত প্ৰধান শিক্ষক জনে ছাত্ৰছাত্ৰী সকলক মধ্যাহ্ন ভোজনৰ আহাৰ খুওৱাৰ ক্ষেত্ৰত ব্যাপক অনিয়ম, বিদ্যালয়ৰ নামত অহা উন্নয়নৰ টকা নিম্নমানৰ কাম কৰি সিংহভাগ টকা নিজে আত্মসাত কৰা আৰু এই সকলোবোৰ টকা সভাপতিৰ চহী জালিয়াতিৰে কৰি কামবোৰ অনিয়মৰে কৰি অহাৰ অভিযোগ উঠিছে। এই দৰে ৰাইজে গঠন কৰি দিয়া সভাপতি গৰাকীক কোনো কামৰ বুজ নিদিয়াকৈ চহী জাল কৰি টকাবোৰ আত্মসাত কৰাত ৰাইজৰ লগতে সমিতিৰ সদস্য সকলে সোধা পোচা কৰিলে শিক্ষক জনে দাবী ধমকি দিয়াৰ লগতে অকথ্য গালি গালাজ কৰে। শেষত উপায় নাপাই ৰাজহুৱা স্বাৰ্থৰ কাৰণে সভাপতিৰ লগতে সমিতিৰ সদস্য সকলে বটদ্ৰৱা শিক্ষা খণ্ডৰ বিষয়াৰ লগতে জিলা আয়ুক্ত মহোদয়লৈ এক লিখিত আবেদন দাখিল কৰাৰ পিচতো কোনো সুফল নাপাই সংবাদ মাধ্যমৰ যোগেদি মুখ্যমন্ত্ৰী মহোদয়ক অবগত কৰি বেতনভুগি এনে দুৰ্নীতি পৰায়ণ শিক্ষকক উচিত শিক্ষা দিবৰ বাবে অনুৰোধ জনাইছে ৰাইজে।

# মৰিগাঁও জিলা সাহিত্য সভাৰ আকাশ উপসমিতিৰ উদ্যোগত আলোচনা সত্ৰ



**ষ্টাফ ৰিপৰ্টাৰ, মৰিগাঁও, ২৪ নৱেম্বৰ ঃ** মৰিগাঁৱৰ ভূৰবন্ধাত আজি মৰিগাঁও জিলা সাহিত্য সভাৰ আকাশ উপশমিতিৰ উদ্যোগত আৰু ভূৰবন্ধা শাখা সাহিত্য সভাৰ সহযোগত "যুৱ মানসিকতা আৰু সাম্প্ৰতিক সময়ত সাহিত্য চৰ্চা" শীৰ্ষক আলোচনা সত্ৰ অনুষ্ঠিত হয়। ভূৰবন্ধা ঔগুৰি মাধ্যমিক বিদ্যালয়ত দিনৰ এঘাৰ বজাৰ পৰা আকাশ উপশমিতিৰ কাৰ্যকৰী সভাপতি ৰীণা ডেকাৰ সঞ্চালনাত অনুষ্ঠিত কৰা আলোচনা সত্ৰ উদ্বোধন কৰে মৰিগাঁও জিলা সাহিত্য সভাৰ সভাপতি ড° হৰমোহন কলিতাই। শাখা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি কুসুম কোঁৱৰে আদৰণি ভাষণ দিয়ে। মৰিগাঁও জিলা সাহিত্য সভাৰ সম্পাদক কুশল কুমাৰ বৰা আৰু ভূৰবন্ধা শাখা সাহিত্য সভাৰ সম্পাদক প্ৰসেন হাজৰিকাই আঁতধৰা অনুষ্ঠানৰ উদ্দেশ্যে ব্যাখ্যা কৰে আকাশ উপশমিতিৰ আহ্বায়িকা বিউতী ডেকা বৰদলৈয়ে। আলোচনা সত্ৰৰ বিষয় বস্তুৰ ওপৰত আলোকপাত কৰি বিশিষ্ট লেখিকা অমী দেৱী, যুৱ প্ৰজন্মৰ প্ৰতিনিধি তথা জিলা ছাত্ৰ সন্থাৰ সভাপতি দিব্য জ্যোতি চৌধৰী আৰু জ্যৈষ্ঠ চিকিৎসক জয়া বড়োৱে তত্ত্ব গধুৰ বক্তব্য ৰাখে। অনুষ্ঠানত বৃহত্তৰ ভূৰবন্ধা অঞ্চলৰ ছাত্ৰ ছাত্ৰী আৰু সাহিত্যানুৰাগীকে ধৰি দুই শতাধিক লোক উপস্থিত থকা গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানটিত জিলা সাহিত্য সভাৰ সম্পাদক কুশল কুমাৰ বৰাই শাখা সাহিত্য সভাৰ সভাপতি মনি কুমাৰ ডেকা আৰু সম্পাদক প্ৰসেন হাজৰিকাৰ হাতত আনুষ্ঠানিক ভাৱে অসম সাহিত্য সভাই আগবঢ়োৱা শতদল শাখাৰ স্বীকৃতি পত্ৰ আনুষ্ঠানিকভাৱে প্ৰদান কৰে। জিলা সাহিত্য সভাৰ সভাপতি ড° হৰমোহন কলিতা প্ৰমুখ্যে বিশিষ্ট অতিথি সকলে আজীৱন সভ্যক স্বীকৃতি পত্ৰ প্ৰদান কৰে। চিৰ চেনেহী মোৰ ভাষা জননী সাহিত্য সভাৰ গীতেৰে মঞ্চ মুকলি অনুষ্ঠানত প্ৰতিভাবান কণ্ঠশিল্পী গুনিস্না কাকতি, শিৰান্তী হাজেৰাৰী শইকীয়া আৰু পুলেন ঠাকুৰীয়াৰ গীতে জীপাল কৰি তোলে। পুৱাৰ ভাগত সাহিত্য সভাৰ পতাকা উত্তোলন কৰে ভূৰবন্ধা শাখা সাহিত্য সভাৰ সভাপতি মনি কুমাৰ ডেকাই। শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন কৰে শাখা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি তিলক চন্দ্ৰ হাজৰিকাই আৰু লুইত কণ্ঠ জুবিন গাৰ্গৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন কৰে ঔগুৰি মাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক নিতু মনি দাসে। শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত তিনি শতাধিক ছাত্ৰ ছাত্ৰীয়ে সমস্বৰে মানুহে মানুহৰ বাবে আৰু মায়া বিনী গীত পৰিৱেশন কৰে। দিনজোৱা কাৰ্যসূচীৰে আয়োজন কৰা অনুষ্ঠানত মৰিগাঁও জিলা সাহিত্য সভাৰ সহকাৰী সম্পাদক মুন ঠাকুৰীয়া, কাৰ্যালয় সম্পাদক যশোবন্ত নাথ, সাংগঠনিক সম্পাদক ৰবিন ডেকা, সাংস্কৃতিক উপশমিতিৰ আহ্বায়ক তপন খৰাই আকাশ উপশমিতিৰ প্ৰাক্তন সভাপতি অৰ্চনা শৰ্মা, ভূৰবন্ধাৰ বিশিষ্ট শিক্ষাবিদ ভানুৰাম কাকতি প্ৰমুখ্যে সাহিত্যাৰ লগতে ঔগুৰি মাধ্যমিক বিদ্যালয়ৰ শিক্ষক কৰ্মচাৰী সকল উপস্থিত থাকে।

# খৈৰাবাৰীৰ বৰনদীঝাৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰাঙ্গণত শ্ৰীমন্তশঙ্কৰদেৱ সংঘ দৰং জিলা শাখাৰ ৫৬ সংখ্যক বাৰ্ষিক অধিবেশনৰ লাইখুঁটা স্থাপন

**অসম বাৰ্তা, খৈৰাবাৰী, ২৪ নৱেম্বৰ ঃ** শ্ৰীমন্ত শংকৰ দেৱ সঙ্ঘৰ দৰং জিলা শাখাৰ ৫৬ সংখ্যক বাৰ্ষিক অধিৱেশনৰ শংকৰ মাধৱ আঞ্চলিক শাখাৰ সহযোগত ওদালগুৰি জিলাৰ খৈৰাবাৰীৰ বৰনদীঝাৰৰ উচ্চ মাধ্যমিক বিদ্যালয় প্ৰাঙ্গন বৰনদীঝাৰৰ খৰ্গেশ্বৰ ৰাজবংশী সমন্বয় ক্ষেত্ৰত অনুষ্ঠিত হৈ যায়। লাইখুঁটা স্থাপন অনুষ্ঠান গায়ন বায়নেৰে মুখৰিত কৰি তোলে সমন্বয় ক্ষেত্ৰ। জানুৱাৰী মাহৰ ২৪ আৰু ২৫ তাৰিখ ২০২৬ চনত অনুষ্ঠিত হ'ব লগা শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ দুদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে ৫৬ সংখ্যক অধিবেশন সেই উপলক্ষে উত্তৰ বৰনদীঝাৰ প্ৰথমিক শাখাৰ উদ্যোগত নাহৰ পুলি ৰোপণ, নাম প্ৰসংগ আৰু এক মাংগলিক কাৰ্যসূচীৰে পৱিত্ৰ লাইখুঁটা স্থাপন কৰা হয়। দৰং জিলা শংকৰদেৱ সংঘৰ সভাপতি ভাৰত চন্দ্ৰ ডেকাই অধিবেশনৰ লাইখুঁটা স্থাপন কৰে। লাইখুঁটা স্থাপন অনুষ্ঠানত দুপৰীয়া ৰাজহুৱা মুকলি সভা উদ্বোধন কৰে শ্ৰীমন্ত শংকৰদেৱ সংঘৰ অন্যতম সদস্য হৰেশ্বৰ শইকীয়াই, মুখ্য অতিথি হিচাপে শ্ৰীমন্ত শংকৰদেৱ সংঘৰ প্ৰাক্তন সভাপতি তাৰিনী চহৰীয়াৰ লগতে বহু সংখ্যক দৰং জিলাৰ শঙ্কৰদেৱ সঙঘৰ বিষয়ববীয়া উপস্থিত থাকে। ইয়াৰ উপৰিও ৫৬ গৰাকী পুৰুষ মহিলাই শ্ৰীমন্ত শংকৰ দেৱৰ বৰগীত পৰিৱেশন কৰি এক আধ্যাত্মিক পৰিৱেশ সৃষ্টি কৰা পৰিলক্ষিত হোৱা দেখা যায়। অহা জানুৱাৰী মাহৰ ২৪ আৰু ২৫ তাৰিখ ২০২৬ চনত দুদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে অনুষ্ঠিত হব লগা গুৰুজনাৰ জিলা বাৰ্ষিক অধিৱেশনত সকলো ভক্তৰ লগতে ৰাইজৰ সহায় সহযোগিতা কামনা কৰিছে আদৰণি সমিতিৰ বিষয়ববীয়া দীন ৰাজবংশী, মদন ৰাজবংশী, আঞ্চলিক শাখাৰ হৈ উপেন ৰাজবংশী, হৰেশ্বৰ ৰাজবংশী, জিলা শাখাৰ হৈ চন্দ্ৰকান্ত কুমাৰে।

# বনৰীয়া হাতীৰ আক্ৰমণত নিহত মহিলা

**অসম বাৰ্তা, কামপুৰ, ২৪ নৱেম্বৰ ঃ** নগাঁৱৰ ৰাঙলুমুখ নৈপামত শোঁকাবহ ঘটণা সংঘটিত হয়। প্ৰাত: ভ্ৰমণ কৰিবলৈ যাওঁতে হাতীৰ আক্ৰমণত ৪৫ বছৰীয়া ৰিপু মনি দাস নামৰ মহিলা গৰাকী মৃত্যু মুখত পৰে। প্ৰাতঃভ্ৰমণ কৰিব আহোঁতে দুটা বন্যহস্তীৰ সন্মুখত পৰে মহিলা দুগৰাকী। ঘটণাটোত মাধৱী দাস নামৰ আন এগৰাকী মহিলা আহত হয়। নাৰিকল গছত এচাৰি দিয়াৰ ফলত মহিলা গৰাকী নিহত হয়। অতি গুৰুতৰ ভাৱে আহত দুয়ো গৰাকী মহিলাক নগাঁৱৰ চিকিৎসালয়লৈ নিয়াৰ পথত ৰিকু মনি দাস নামৰ মহিলা গৰাকী মৃত্যুমুখত পৰে। মহি লাগৰাকীয়ে হাতীৰ আক্ৰমণত মুৰত গুৰুতৰ ভাৱে আঘাত পোৱা বুলি জনা গৈছে। আনফালে মাধৱী দাস নামৰ মহিলা গৰাকী সংকটজনক অৱস্থাত বৰ্তমান চিকিৎসাধিন হৈ থকা বুলি জনা গৈছে। উল্লেখ্য যে বিগত সময়চোৱাত এটা ন দহজনীয়া হাতীৰ জাকে আঞ্চলটোত উপদ্ৰৱ চলাইছিল যদিও দেওবাৰে নিশা এটা বৃহৎ হাতীৰ জাক অঞ্চলটোত প্ৰৱেশ কৰাত স্থানীয় ৰাইজ শংকিত হৈ পৰিছে।

# পুত্ৰসহ সাংবাদিকক ভাবুকি দিয়া প্ৰাক্তন বিষয়া হিতেশ দেৱ শৰ্মাৰ কৰ্মকাণ্ডক গৰিহণা কলিয়াবৰ প্ৰেছ ক্লাবৰ

**অসম বাৰ্তা, কলিয়াবৰ, ২৪ নৱেম্বৰ ঃ** আঠ বছৰীয়া পুত্ৰ সহ ৰাণা ডেকা নামৰ এগৰাকী সাংবাদিকক হিতেশ দেৱ শৰ্মা নামৰ এগৰাকী প্ৰাক্তন আই এ এছ বিষয়াই ফোন যোগে মৃত্যুৰ ভাবুকি দিয়া কাৰ্যক কলিয়াবৰ প্ৰেছ ক্লাবে একে মুখে ধিক্কাৰ আৰু গৰিহণা দিয়ে। কালি নিশা প্ৰছ ক্লাবত সভাপতি তৰুণ মুক্তিয়াৰৰ সভাপতিত্বত অনুষ্ঠিত এখনি গুৰুত্বপূৰ্ণ সভাত উক্ত ঘটনাক নিন্দা কৰাৰ লগতে প্ৰাক্তন বিষয়া গৰাকীৰ কাৰ্যক সভাই একে মুখে ধিক্কাৰ আৰু গৰিহণা দিয়ে। সম্পাদক গৌতম কুমাৰ বৰাই আঁতধৰা সভাখনিত সাংবাদিকৰ অধিকাৰ আৰু নিৰাপত্তা বিষয়টোত সভাই গুৰুত্ব আৰোপ কৰে। ক্লাবৰ উপদেষ্টা ডিম্বেশ্বৰ হাজৰিকা উপস্থিত থকা সভা খনিত সহ সম্পাদক ৰূপজ্যোতি গোস্বামী, জ্যেষ্ঠ সাংবাদিক গোলাপ শইকীয়া, প্ৰদীপ লস্কৰ, কিশোৰী কুমাৰ ডেকা, দিবাকৰ দাস, ৰাজ হাজৰিকাকে প্ৰমুখ্য কৰি কেইবাজনো সদস্য উপস্থিত থাকে।

# ডিব্ৰুগড়ত জিলা প্ৰশাসন, নাগৰিক মঞ্চৰ সহযোগত মহাবীৰ লাচিত দিৱস উদ্‌যাপন



**ষ্টাফ ৰিপৰ্টাৰ, ডিব্ৰুগড়, ২৪ নৱেম্বৰ ঃ** তাই শিক্ষা আৰু সাংস্কৃতিক কেন্দ্ৰ, আহোম সভা, ডিব্ৰুগড় সদৰ আৰু ডিব্ৰুগড় নাগৰিক মঞ্চৰ উদ্যোগত তথা ডিব্ৰুগড় জিলা প্ৰশাসনৰ সহযোগত স্থানীয় জয়মতী উদ্যানত মহাবীৰ লাচিত বৰফুকনৰ ৪০৩ সংখ্যক জন্মজয়ন্তী উদযাপন কৰা হয়। এই উদ্দেশ্যে তাই কেন্দ্ৰত পুৱা পতাকা উত্তোলন কাৰ্যসূচী সম্পন্ন কৰি জয়মতী উদ্যানত থকা লাচিতৰ বিশালাকাৰ প্ৰতিমূৰ্তিৰ সন্মুখত বন্তি প্ৰজ্বলন কৰে নাগৰিক মঞ্চৰ সভাপতি ড° ভাৰতী দত্তই। মাল্যাৰ্পণ, শ্ৰদ্ধাঞ্জলি অনুষ্ঠান আদিত অংশ গ্ৰহণ কৰে তাই কেন্দ্ৰৰ সভাপতি হেমকান্ত দিহিঙীয়া আৰু আহোম সভাৰ কেন্দ্ৰীয় সভাপতি শশাংক নেওগে। উপস্থিত বিশিষ্ট ব্যক্তিসকলে শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত অংশ গ্ৰহণ কৰে। মুকলি সভাত সভাপতিত্ব কৰে ড° ভাৰতী দত্তই। সভাৰ আঁতধৰে নৱ গগৈয়ে। সভাত শশাংক নেওগ, বয়োজ্যেষ্ঠ বিশিষ্ট ব্যক্তি হৰেশ সন্দিকৈ, হেমকান্ত দিহিঙীয়া, মহেন বুঢ়াগোহাঁই, পদ্মেশ্বৰ মহন, তৰুণ গগৈ, মৃদুল শৰ্মা, লোকেশ্বৰ বৰা, ড° কমলেশ্বৰ দত্ত প্ৰমুখ্যে কেইবাগৰাকী বিশিষ্ট বক্তাই গুৰুত্বপূৰ্ণ বক্তব্য আগবঢ়ায়। মহাবীৰ লাচিত বৰফুকনৰ বীৰত্ব, ত্যাগ, কৰ্তব্যনিষ্ঠা আদিৰ স্বীকৃতি আজি পৰ্যন্ত যথাৰ্থৰূপত হোৱা নাই বুলি সকলোৱে একমত পোষণ কৰে। লাচিত দিৱসটি সকলোৱে মিলি যেনেদৰে উলহ-মালহেৰে উদ্‌যাপন কৰিব লাগিছিল, তাৰ অভাৱ বাৰুকৈয়ে অনুভৱ কৰা হৈছে। সভাপতিৰ মন্তব্যত ড° ভাৰতী দত্তই বীৰ লাচিতে তাহানিতে সৈন্যবাহিনীক সংগঠিত কৰা আৰু পৰাক্ৰমী মোগলক শৰাইঘাটৰ ৰণত হৰুৱাৰ বাবে নৌযুদ্ধৰ কৌশল অৱলম্বন কৰিছিল সিয়ে তেওঁৰ অসীম দূৰদৰ্শীতাৰ পৰিচয় দিছিল। দেশপ্ৰেমিক, মহাবীৰ গৰাকীৰ জন্মদিনটিত বন্ধ নিদি বিদ্যালয়, মহাবিদ্যালয় আদিত জন্মদিন উদযাপন কৰা, তেওঁৰ নামত সীমা সুৰক্ষা বাহিনীৰ নাম ৰখা, জাতি, ধৰ্ম, বৰ্ণ, সম্প্ৰদায় নিৰ্বিশেষে সকলোৱে একেলগহৈ দেশপ্ৰেমিক, মহাবীৰগৰাকীৰ জন্ম জয়ন্তী উদযাপন কৰা আদি কেইবাটাও গুৰুত্বপূৰ্ণ প্ৰস্তাৱ গ্ৰহণ কৰা হয়। তেওঁৰ আদৰ্শ, কৰ্মৰাজিৰ প্ৰচাৰ, প্ৰসাৰ আৰু অধিক হ'ব লাগে বুলি একমত পোষণ কৰা হয়। সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে মঞ্চৰ সম্পাদক দুৰ্লভ গগৈয়ে। গন্ধেশ্বৰ চমুৱাৰ পৰিচালনাত তাই কেন্দ্ৰৰ ছাত্ৰ-ছাত্ৰীসকলে গীত-মাত পৰিৱেশন কৰে। এটি তাই ভাষাৰ গীত পৰিৱেশন কৰে কনচেং চাংমাই আৰু মনচেং চাংমাই। শলাগৰ শৰাই আগবঢ়াই নৱ গগৈ। জাতীয় সংগীত পৰিৱেশনেৰে সভা অন্ত পৰে।

# গোসাঁইগাঁৱৰ ৰিমিঝিমিত অঘটন

**অসম বাৰ্তা, গোসাঁইগাঁও, ২৪ নৱেম্বৰ ঃ** গোসাঁইগাঁও মহকুমাৰ গঙিয়া নদীত আজি দুপুৰীয়া সময়ত সংঘটিত হয় এক মৰ্মান্তিক অঘটন। বন্ধুবৰ্গৰ সৈতে নদীত গা ধুবলৈ অহা ছয়জন কিশোৰৰ মাজৰ দুজন কিশোৰ হঠাৎ সন্ধানহীন হয়। ঘটনাৰ খবৰ পোৱা মাত্ৰেই SDRFৰ উদ্ধাৰ দল আৰু স্থানীয় ৰাইজে যৌথভাৱে অভিযান আৰম্ভ কৰে। দীঘলীয়া অনুসন্ধানৰ পিছত সন্ধানহীন দুয়োজন কিশোৰৰ মৃতদেহ উদ্ধাৰ কৰিবলৈ সক্ষম হয় উদ্ধাৰদল। মৃত কিশোৰ দুজনক চিথিলা আৰক্ষী চকীৰ অধীনস্থ মিস্ত্ৰিপাৰা গাঁৱৰ বাসিন্দা মনিশ ৰায় আৰু সূৰ্য ৰায় বুলি চিনাক্ত কৰা হৈছে। আকস্মিক এই হৃদয়বিদাৰক ঘটনাই সমগ্ৰ অঞ্চলতে শোকৰ ছাঁ হৈ পৰিছে।

## সম্পাদকীয়

# বিদেশী ডিগ্ৰীৰ স্বীকৃতি; যুগান্তকাৰী পদক্ষেপ

নতুন দিল্লীৰ পৰা অসমলৈ, উচ্চ শিক্ষাৰ ক্ষেত্ৰত এখন বৈপ্লৱিক সিদ্ধান্তই আলোড়নৰ সৃষ্টি কৰিছে। বিশ্ববিদ্যালয় অনুদান আয়োগে (UGC) 'বিদেশী শিক্ষা প্ৰতিষ্ঠানৰ অৰ্হতাৰ স্বীকৃতি আৰু সমতুল্যতা বিধি, ২০২৫' বলবৎ কৰাৰ সিদ্ধান্তে বিদেশত শিক্ষাগ্ৰহণ কৰা লাখ লাখ ভাৰতীয় ছাত্ৰ-ছাত্ৰীৰ বাবে এক নতুন দিগন্ত মুকলি কৰিলে। দীৰ্ঘদিন ধৰি বিদেশী ডিগ্ৰীৰ স্বীকৃতি আৰু ভাৰতীয় ডিগ্ৰীৰ সমতুল্যতাৰ বাবে হাহাকাৰ কৰি অহা শিক্ষাৰ্থী আৰু অভিভাৱকসকলৰ বাবে এই বিধি এক সকাহস্বৰূপ। কিন্তু, ইয়াৰ সফল বাস্তৱায়নত কিছুমান প্ৰশ্নও উত্থাপিত হৈছে সাধাৰণ মানুহৰ মনত। নতুন বিধিৰ মুখ্য উদ্দেশ্য হ'ল বিদেশত অৰ্জন কৰা ডিগ্ৰীক ভাৰতত স্বীকৃতি দিয়াৰ প্ৰক্ৰিয়াটো সহজ, দ্ৰুত আৰু স্বচ্ছ কৰি তোলা। ইয়াৰ আগলৈকে, চৰকাৰী চাকৰিৰ পৰা ব্যক্তিগত খণ্ডলৈ, বিদেশী ডিগ্ৰীধাৰীসকলে স্বীকৃতিৰ জটিল প্ৰক্ৰিয়াৰ সন্মুখীন হ'বলগীয়া হৈছিল। প্ৰায়ে এনে ডিগ্ৰীৰ মূল্য নথকা বুলি গণ্য কৰা হৈছিল বা অসংখ্য আমোলনীতিমূলক আচৰণৰ মাজেৰে যাবলগীয়া হৈছিল। ফলত বহু মেধাৱী শিক্ষাৰ্থীয়ে দেশলৈ উভতি অহাৰ পৰিৱৰ্তে বিদেশতে কেৰিয়াৰ গঢ়ি তোলাটোৱেই শ্ৰেয় বুলি ভাবিবলৈ বাধ্য হৈছিল। দেশৰ বাবে এই 'মেধা প্ৰব্ৰজন' (Brain Drain) ৰোধ কৰাটোও এই বিধিৰ এটা গুৰুত্বপূৰ্ণ লক্ষ্য। নতুন বিধিমতে, যিকোনো বিদেশী বিশ্ববিদ্যালয়ৰ ডিগ্ৰীক ভাৰতত স্বীকৃতি দিয়া হ'ব, যদি সেই শিক্ষানুষ্ঠানটো সংশ্লিষ্ট দেশৰ চৰকাৰ বা স্বীকৃতিপ্ৰাপ্ত প্ৰতিষ্ঠানৰ দ্বাৰা অনুমোদিত হয় আৰু ই এক নিৰ্ধাৰণ কৰা ন্যূনতম শৈক্ষিক মানদণ্ড বজাই ৰাখে। ইয়াৰ উপৰি, ডিগ্ৰীৰ সমতুল্যতা নিৰ্ধাৰণ কৰোঁতে পাঠ্যক্ৰমৰ সময়সীমা আৰু ক্ৰেডিট— দুয়োটা দিশৰে সৈতে ১০ শতাংশৰ ভিতৰত থকা তাৰতম্যক গ্ৰহণযোগ্য বুলি গণ্য কৰিব। এইখিনিতে সাধাৰণ মানুহৰ মনত এটা প্ৰশ্ন উঠিব পাৰে- এই ১০ শতাংশৰ পৰিসৰটোৱে শিক্ষাৰ গুণগত মানৰ ক্ষেত্ৰত প্ৰভাৱ পেলাব নেকি? অৰ্থাৎ, ভাৰতত চাৰি বছৰীয়া স্নাতক পাঠ্যক্ৰম, কিন্তু বিদেশত তিনিবছৰীয়া পাঠ্যক্ৰম সম্পূৰ্ণ কৰি অহা শিক্ষাৰ্থীজনৰ ডিগ্ৰীক সমান হিচাপে গণ্য কৰাত শিক্ষাৰ গভীৰতাৰ ক্ষেত্ৰত কোনো খুঁত নাথাকে নেকি? ইউজিচিয়ে ক্ৰেডিট জড়িত ব্যৱস্থালৈ গুৰুত্ব দিয়াৰ কথাটোৱে ইয়াক অংশতঃ সমাধান কৰিব বুলি আশা কৰা হৈছে। আন এটা গুৰুত্বপূৰ্ণ দিশ হ'ল যে চিকিৎসা, ফাৰ্মাচী, আইন, স্থাপত্য আদি পেছাদাৰী কোৰ্ছসমূহ এই বিধিৰ অন্তৰ্ভুক্ত নহয়। এইবোৰৰ বাবে পৃথক নিয়ন্ত্ৰক সংস্থা, যেনে ৰাষ্ট্ৰীয় চিকিৎসা আয়োগ (NMC), বাৰ কাউন্সিল অফ ইণ্ডিয়া (BCI) আদিৰ নিজা নিয়ম-নীতি বলবৎ হৈ থাকিব। ইয়াৰ অৰ্থ হ'ল, বিদেশত এমবিবিএছ পঢ়ি উভতি অহা ছাত্ৰ-ছাত্ৰীয়ে এতিয়াও NMC-ৰ নিৰ্দেশনা মৰ্মে দেশত প্ৰাকটিচ কৰিবলৈ পৃথক পৰীক্ষা দিবলগীয়া হ'ব। সাধাৰণ জনতাই মনত এটা সঠিক প্ৰশ্ন হ'ব পাৰে- যদি মুঠৰ ওপৰত ডিগ্ৰীৰ স্বীকৃতিৰ বাবে এনে উদাৰ নীতি, তেন্তে এই পেছাদাৰী শিক্ষাবোৰক ইয়াৰ বাহিৰত ৰখাৰ যুক্তিটো কি? ইয়াৰ একমাত্ৰ যুক্তিসংগত কাৰণ হ'ল এই পেছাবোৰ পোনপটীয়াকৈ জনস্বাস্থ্য, নাগৰিকৰ নিৰাপত্তা আৰু আইনী ব্যৱস্থাৰ সৈতে জড়িত, গতিকে ইয়াৰ মান নিয়ন্ত্ৰণৰ বাবে অধিক কঠোৰ আৰু দেশীয় পৰিপ্ৰেক্ষিতত ৰাজী নীতিৰ প্ৰয়োজন। ইউজিচিৰ এই উদ্যোগে ভাৰতক এক 'গোলকীয় শিক্ষা কেন্দ্ৰ' (Global Study Hub) হিচাপে গঢ়ি তোলাৰ দিশতও এক ডাঙৰ পদক্ষেপ। বিদেশী বিশ্ববিদ্যালয়সমূহে ভাৰতীয় ডিগ্ৰীক সহজতে গ্ৰহণ নকৰা প্ৰৱণতাৰো ই সমাধান হ'ব বুলি আশা কৰা হৈছে। কিন্তু ইয়াতো এটা প্ৰশ্ন থিয় দিয়ে: ভাৰতীয় বিশ্ববিদ্যালয়সমূহে এই নতুন পৰিৱেশত নিজৰ মান উন্নয়নৰ বাবে প্ৰস্তুত নেকি? বিদেশী ডিগ্ৰীসমূহৰ সৈতে প্ৰতিযোগিতা কৰিবলৈ ভাৰতীয় শিক্ষানুষ্ঠানসমূহে আন্তঃৰাষ্ট্ৰীয় মানদণ্ডৰ পাঠ্যক্ৰম, গৱেষণাৰ সুবিধা আৰু শিক্ষাদানৰ পদ্ধতিৰ দিশত গুৰুত্ব দিবলগীয়া হ'ব। ইউজিচিৰ এই নতুন বিধিখনে ভাৰতীয় শিক্ষা ব্যৱস্থাক এক আধুনিক, অন্তৰ্ভুক্তিমূলক আৰু গোলকীয় ৰূপ দিয়াৰ ক্ষেত্ৰত এক যুগান্তকাৰী অধ্যায়ৰ সূচনা কৰিছে। ই শিক্ষাৰ্থীসকলক বিশ্বজুৰি উপলব্ধ সুবিধাসমূহৰ সৈতে সংযোগ কৰি তেওঁলোকৰ কেৰিয়াৰৰ সম্ভাৱনীয়তা বহুপাটে বৃদ্ধি কৰিব। কিন্তু, ইয়াৰ সফলতা বহুপ্ৰকাৰে ইয়াৰ পাৰদৰ্শী আৰু দক্ষ বাস্তৱায়ন, শিক্ষানুষ্ঠানসমূহৰ সজাগতা, আৰু সাধাৰণ জনতাক এই নীতিৰ সৈতে সম্পৰ্কিত তথ্য সঠিকভাৱে প্ৰদান কৰাৰ ওপৰত নিৰ্ভৰ কৰিব। চৰকাৰে এই বিধিৰ ফলাফল সঠিকভাৱে মনোনিৱেশ কৰি, সময়ে সময়ে ইয়াৰ পুনৰীক্ষণ কৰি যিকোনো অসুবিধা দূৰ কৰিব লাগিব। কিয়নো, যি কোনো সংস্কাৰৰ চূড়ান্ত লক্ষ্য হ'ল দেশৰ যুৱশক্তিৰ মেধা আৰু শক্তিৰ সঠিক বিকাশ সাধন কৰি এখন জ্ঞানভিত্তিক অৰ্থনীতি গঢ়ি তোলা।

◀◀ কৃত্ৰিম বুদ্ধিমত্তাৰ ব্যৱহাৰত গোপনীয়তা, নিৰপেক্ষতা আৰু দায়িত্বৰ প্ৰশ্ন উত্থাপিত হৈছে। যদি কোনো কৃত্ৰিম বুদ্ধিমত্তাৰ সিদ্ধান্তৰ ফলত ক্ষতি হয়, তেন্তে তাৰ বাবে কোন দায়ী হ'ব? এনে প্ৰশ্নই নৈতিক মূল্যবোধৰ নতুন মাত্ৰাৰ সৃষ্টি কৰিছে। একেদৰে, বিশ্বায়নৰ ফলত সাংস্কৃতিক মূল্যবোধৰ সংঘাত বৃদ্ধি পাইছে। কোনো এটা সংস্কৃতিৰ বাবে গ্ৰহণযোগ্য কথা আন এটা সংস্কৃতিৰ বাবে অগ্ৰহণযোগ্য হ'ব পাৰে। উদাহৰণস্বৰূপে, পশ্চিমীয়া সংস্কৃতিত ব্যক্তিগত স্বাধীনতাৰ ওপৰত গুৰুত্ব দিয়া হয়, আনহাতে পূৰ্বৰ সংস্কৃতিত সমষ্টিগত মঙ্গলৰ ওপৰত অধিক গুৰুত্ব দিয়া হয়। এই সাংস্কৃতিক ভিন্নতাই নৈতিক সিদ্ধান্ত গ্ৰহণক জটিল কৰি তুলিছে। ▶▶

# নৈতিক মূল্যবোধ জীৱনৰ পথ প্ৰদৰ্শক

**হিমাংশু ৰঞ্জন ভূঞা**

নৈতিক মূল্যবোধ জীৱনৰ এনে এক অদৃশ্য পথপ্ৰদৰ্শক যিয়ে মানুহৰ চিন্তাধাৰা, আচৰণ আৰু সম্পৰ্কৰ ভেটি গঢ়ি তোলে। নৈতিক মূল্যবোধ হৈছে এনে বিশ্বাস, নীতি আৰু আদৰ্শৰ সমষ্টি যিয়ে ব্যক্তি বা সমাজক সঠিক আৰু ভুলৰ মাজৰ পাৰ্থক্য নিৰ্ধাৰণ কৰাত সহায় কৰে। ই মানুহৰ বিবেকৰ এক প্ৰতিফলন, যিয়ে তেওঁক নিজৰ কৰ্মৰ পৰিণতিৰ বিষয়ে চিন্তা কৰিবলৈ বাধ্য কৰে। উদাহৰণস্বৰূপে, যদি কোনো ব্যক্তিয়ে সততাৰ মূল্যবোধক আকৰি ধৰে, তেন্তে তেওঁ কঠিন পৰিস্থিতিতো সত্য ক'বলৈ পছন্দ কৰিব, যদিও তাৰ ফলত তেওঁৰ ব্যক্তিগত ক্ষতি হ'ব পাৰে। নৈতিক মূল্যবোধৰ এই স্বভাৱেই ইয়াক কেৱল তাত্ত্বিক ধাৰণাৰ পৰা পৃথক কৰে আৰু জীৱনৰ ব্যৱহাৰিক ক্ষেত্ৰত প্ৰয়োগযোগ্য কৰি তোলে। ইয়াৰ মূল লক্ষ্য হৈছে মানৱ জীৱনৰ মঙ্গল সাধন আৰু সমাজৰ সুস্থিৰতা বজাই ৰখা।

নৈতিক মূল্যবোধৰ প্ৰথম আৰু সৰ্বাধিক গুৰুত্বপূৰ্ণ উৎস হৈছে পৰিয়াল। শিশুকালৰ পৰাই পৰিয়ালৰ পৰিৱেশত শিশুৱে নৈতিকতাৰ প্ৰাথমিক ধাৰণা গঢ়ি তোলে। মাতৃ-পিতৃ বা অভিভাৱকৰ আচৰণ, কথাবাৰ্তা আৰু শিক্ষাৰ জৰিয়তে শিশুৱে শিকে যে কি সঠিক আৰু কি ভুল। উদাহৰণস্বৰূপে, যদি পৰিয়ালত সত্য কোৱাৰ সংস্কৃতি থাকে, তেন্তে শিশুৱে সৰুৰ পৰাই সততাৰ মূল্যবোধ গ্ৰহণ কৰে। পৰিয়ালৰ এই শিক্ষা শিশুৰ মনত গভীৰভাৱে প্ৰোথিত হৈ থাকে আৰু তেওঁৰ ভৱিষ্যতৰ আচৰণক পৰিচালিত কৰে। ধৰ্ম আৰু আধ্যাত্মিক বিশ্বাস নৈতিক মূল্যবোধৰ এক শক্তিশালী উৎস। প্ৰতিটো ধৰ্মই নিজৰ অনুগামীসকলক নৈতিক জীৱন যাপনৰ বাবে কিছুমান নীতি প্ৰদান কৰে। উদাহৰণস্বৰূপে, হিন্দু ধৰ্মত ধৰ্মৰ ধাৰণা, জৈন ধৰ্মত অহিংসাৰ নীতি, বৌদ্ধ ধৰ্মত কৰুণা আৰু খ্ৰীষ্টান ধৰ্মত প্ৰেম আৰু ক্ষমাৰ শিক্ষাই মানুহৰ জীৱনত গভীৰ প্ৰভাৱ পেলায়। ধৰ্মীয় গ্ৰন্থ যেনে গীতা, কোৰান, বাইবেল বা গুৰু গ্ৰন্থ ছাহিবৰ জৰিয়তে এই শিক্ষাসমূহ প্ৰজন্মৰ পৰা প্ৰজন্মলৈ প্ৰবাহিত হৈ আহিছে। শিক্ষা প্ৰতিষ্ঠান নৈতিক মূল্যবোধ গঢ় দিয়াৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। বিদ্যালয়ত শিক্ষকৰ পৰা শিক্ষাৰ্থীয়ে শৃংখলা, সহযোগিতা, দায়িত্ববোধ আৰু ন্যায়পৰায়ণতাৰ শিক্ষা লাভ কৰে। শিক্ষাৰ পাঠ্যক্ৰমত সাহিত্য, ইতিহাস আৰু দৰ্শনৰ জৰিয়তেও নৈতিক মূল্যবোধৰ শিক্ষা প্ৰদান কৰা হয়। ভাৰতীয় সাহিত্যত ৰামায়ণ আৰু মহাভাৰতৰ কাহিনীৰ জৰিয়তে ত্যাগ, ধৰ্ম আৰু ন্যায়ৰ শিক্ষা প্ৰদান কৰা হয়। সমাজৰ সংস্কৃতি আৰু পৰম্পৰাও নৈতিক মূল্যবোধৰ উৎস। সমাজৰ পৰম্পৰাগত বিশ্বাস, লোককথা, উৎসৱ আৰু আচাৰ-অনুষ্ঠানৰ জৰিয়তে নৈতিক মূল্যবোধ প্ৰজন্মৰ পৰা প্ৰজন্মলৈ হস্তান্তৰিত হয়। উদাহৰণস্বৰূপে, ভাৰতত দীপাৱলীৰ সময়ত পৰিয়ালৰ সৈতে সময় কটোৱাৰ পৰম্পৰাই পৰিয়ালৰ ঐক্য আৰু ভালপোৱাৰ মূল্যবোধক শক্তিশালী কৰে।

ব্যক্তিগত নৈতিক মূল্যবোধ হৈছে এনে মূল্যবোধ যিবোৰ ব্যক্তিৰ নিজৰ জীৱনৰ সৈতে জড়িত। ইয়াৰ ভিতৰত সততা, আত্মশৃংখলা, ধৈৰ্য্য, সাহস আৰু সৎ উদ্দেশ্য অন্তৰ্ভুক্ত। যদি কোনো ব্যক্তিয়ে নিজৰ কৰ্মৰ প্ৰতি সৎ হৈ থাকে, তেন্তে তেওঁৰ মনত এক আত্মসন্তুষ্টিৰ ভাৱ জন্মে। সামাজিক নৈতিক মূল্যবোধ সমাজৰ সৈতে জড়িত, যেনে ন্যায়পৰায়ণতা, সমতা, সহানুভূতি, শ্ৰদ্ধা আৰু সহযোগিতা। এই মূল্যবোধসমূহে সমাজত শান্তি আৰু সমন্বয় বজাই ৰখাত সহায় কৰে। যদি কোনো সমাজত সকলোৰে প্ৰতি সমান শ্ৰদ্ধা দেখুওৱা হয়, তেন্তে তাত সামাজিক সংঘাত হ্ৰাস পায়। পৰিৱেশগত নৈতিক মূল্যবোধ প্ৰকৃতিৰ প্ৰতি দায়িত্বশীলতাৰ ওপৰত গুৰুত্ব দিয়ে। ইয়াৰ ভিতৰত পৰিৱেশ সংৰক্ষণ, প্ৰাণীৰ প্ৰতি দয়া আৰু প্ৰাকৃতিক সম্পদৰ যথাযথ ব্যৱহাৰ অন্তৰ্ভুক্ত। পেছাদাৰী নৈতিক মূল্যবোধ কৰ্মক্ষেত্ৰত প্ৰযোজ্য, যেনে দায়িত্বশীলতা, স্বচ্ছতা, নিৰপেক্ষতা আৰু গোপনীয়তাৰ প্ৰতি শ্ৰদ্ধা। উদাহৰণস্বৰূপে, চিকিৎসকৰ নৈতিক দায়িত্ব হৈছে ৰোগীৰ গোপনীয়তা ৰক্ষা কৰা আৰু তেওঁলোকৰ স্বাস্থ্যৰ বাবে সৰ্বোত্তম সিদ্ধান্ত গ্ৰহণ কৰা। এই সকলো প্ৰকাৰৰ মূল্যবোধ একেলগে জীৱনৰ বিভিন্ন ক্ষেত্ৰত ভাৰসাম্য ৰক্ষা কৰাত সহায় কৰে।

নৈতিক মূল্যবোধৰ প্ৰয়োগ জীৱনৰ প্ৰতিটো ক্ষেত্ৰত দেখা যায়। ব্যক্তিগত জীৱনত, নৈতিক মূল্যবোধে মানুহক নিজৰ লক্ষ্যৰ দিশত সঠিক পথত আগবাঢ়িবলৈ সহায় কৰে। উদাহৰণস্বৰূপে, যদি কোনো ব্যক্তিয়ে সততাৰ নীতি মানি চলে, তেন্তে তেওঁৰ সম্পৰ্ক আৰু সামাজিক জীৱন শক্তিশালী হয়। সততাৰ জৰিয়তে তেওঁ আনৰ বিশ্বাস অৰ্জন কৰে, যিয়ে তেওঁৰ জীৱনত স্থিৰতা আৰু সুখ কঢ়িয়াই আনে। সামাজিক জীৱনত, নৈতিক মূল্যবোধে সম্পৰ্কৰ ভেটি গঢ়ি তোলে। পৰস্পৰৰ প্ৰতি শ্ৰদ্ধা, সহানুভূতি আৰু সহযোগিতাৰ মূল্যবোধে সমাজত শান্তি আৰু সমন্বয় বজাই ৰখাত সহায় কৰে। উদাহৰণস্বৰূপে, যদি কোনো সম্প্ৰদায়ত সকলোৰে প্ৰতি সমান শ্ৰদ্ধা দেখুওৱা হয়, তেন্তে তাত জাতি, ধৰ্ম বা শ্ৰেণীৰ ভিত্তিত সংঘাত হ্ৰাস পায়। পেছাদাৰী জীৱনত, নৈতিক মূল্যবোধে কৰ্মক্ষেত্ৰত স্বচ্ছতা আৰু ন্যায়পৰায়ণতা নিশ্চিত কৰে। উদাহৰণস্বৰূপে, যদি কোনো কোম্পানীয়ে নৈতিক নীতি মানি চলে, যেনে গ্ৰাহকৰ সৈতে সৎ ব্যৱহাৰ কৰা বা কৰ্মচাৰীৰ প্ৰতি ন্যায়পৰায়ণ হোৱা, তেন্তে ই গ্ৰাহক আৰু কৰ্মচাৰীৰ বিশ্বাস অৰ্জন কৰে। ইয়াৰ ফলত কোম্পানীৰ সুনাম বৃদ্ধি পায় আৰু দীৰ্ঘম্যাদী সফলতা লাভ কৰে। পৰিৱেশৰ ক্ষেত্ৰত, নৈতিক মূল্যবোধে মানুহক প্ৰকৃতিৰ প্ৰতি দায়িত্বশীল হ'বলৈ উৎসাহিত কৰে। উদাহৰণস্বৰূপে, প্লাষ্টিকৰ ব্যৱহাৰ হ্ৰাস কৰা, গছপুলি ৰোপণ কৰা বা প্ৰাণীৰ প্ৰতি দয়া দেখুওৱাৰ দৰে কাম নৈতিক মূল্যবোধৰ পৰাই উদ্ভৱ হয়। এই কামসমূহে পৰিৱেশৰ সুৰক্ষা আৰু ভৱিষ্যতৰ প্ৰজন্মৰ বাবে এক সুস্থ গ্ৰহ নিশ্চিত কৰাত সহায় কৰে।

নৈতিক মূল্যবোধৰ প্ৰভাৱ ব্যক্তি, সমাজ, অৰ্থনীতি আৰু বিশ্বৰ ওপৰত গভীৰ। ব্যক্তিগতভাৱে, নৈতিক মূল্যবোধে মানুহক আত্মবিশ্বাসী আৰু সুখী জীৱন যাপন কৰাত সহায় কৰে। যেতিয়া কোনো ব্যক্তিয়ে নৈতিক নীতি মানি চলে, তেতিয়া তেওঁৰ মনত এক শান্তিৰ অনুভূতি জন্মে। উদাহৰণস্বৰূপে, যদি কোনো ব্যক্তিয়ে কাৰোবাৰ সৈতে অসৎ ব্যৱহাৰ কৰি লাভৱান হয়, তেন্তে তেওঁৰ মনত অপৰাধবোধৰ সৃষ্টি হ'ব পাৰে। কিন্তু যদি তেওঁ সৎভাৱে কাম কৰে, তেন্তে তেওঁৰ আত্মসন্মান বৃদ্ধি পায় আৰু তেওঁ নিজৰ জীৱনত সন্তুষ্টি লাভ কৰে। সামাজিকভাৱে, নৈতিক মূল্যবোধে সমাজৰ সুস্থিৰতা আৰু সমৃদ্ধিৰ ভেটি গঢ়ি তোলে। যদি সমাজত ন্যায়পৰায়ণতা, সমতা আৰু সহানুভূতিৰ নীতি প্ৰতিষ্ঠিত হয়, তেন্তে সংঘাত হ্ৰাস পায় আৰু সহযোগিতা বৃদ্ধি পায়। উদাহৰণস্বৰূপে, যদি কোনো সমাজত দৰিদ্ৰ আৰু বঞ্চিত লোকসকলৰ প্ৰতি সহানুভূতি দেখুওৱা হয়, তেন্তে সামাজিক বৈষম্য হ্ৰাস পায় আৰু সমাজত শান্তি প্ৰতিষ্ঠিত হয়। অৰ্থনৈতিক ক্ষেত্ৰতো নৈতিক মূল্যবোধৰ প্ৰভাৱ দেখা যায়। নৈতিকভাৱে পৰিচালিত ব্যৱসায়ে দীৰ্ঘম্যাদী সফলতা লাভ কৰে, কাৰণ ই গ্ৰাহক আৰু কৰ্মচাৰীৰ বিশ্বাস অৰ্জন কৰে। উদাহৰণস্বৰূপে, যদি কোনো কোম্পানীয়ে নিজৰ পণ্যৰ গুণমানৰ বিষয়ে সৎ থাকে, তেন্তে গ্ৰাহকৰ মাজত ইয়াৰ সুনাম বৃদ্ধি পায় আৰু ইয়াৰ ব্যৱসায় সম্প্ৰসাৰিত হয়। বিশ্বৰ পৰিপ্ৰেক্ষিতত, নৈতিক মূল্যবোধে দেশসমূহৰ মাজত শান্তি আৰু সহযোগিতাৰ ভেটি গঢ়ি তোলে। উদাহৰণস্বৰূপে, যদি দেশসমূহে ন্যায়পৰায়ণতা আৰু সমতাৰ নীতি মানি চলে, তেন্তে আন্তঃৰাষ্ট্ৰীয় সংঘাত হ্ৰাস পায় আৰু বিশ্বৰ সামগ্ৰিক মঙ্গল বৃদ্ধি পায়।

নৈতিক মূল্যবোধ মানৱ সভ্যতাৰ সৈতে সদায় জড়িত হৈ আহিছে। প্ৰাচীন ভাৰতত উপনিষদ, গীতা আৰু মনুস্মৃতিৰ দৰে গ্ৰন্থত নৈতিক জীৱনৰ নীতিৰ বিষয়ে বিস্তাৰিতভাৱে আলোচনা কৰা হৈছে। উদাহৰণস্বৰূপে, গীতাত ভগৱান কৃষ্ণই অৰ্জুনক নিষ্কাম কৰ্মৰ শিক্ষা দিছে, য'ত কৰ্মৰ ফলৰ প্ৰতি আসক্তি নোহোৱাকৈ কৰ্তব্য পালনৰ ওপৰত গুৰুত্ব দিয়া হৈছে। প্ৰাচীন গ্ৰীচত দাৰ্শনিক যেনে ছক্ৰেটিছ, প্লেটো আৰু এৰিষ্টটলৰ নৈতিক দৰ্শনেও পশ্চিমীয়া সভ্যতাৰ নৈতিক ভেটি গঢ়ি তুলিছিল। উদাহৰণস্বৰূপে, এৰিষ্টটলে সুখৰ ধাৰণাৰ সৈতে নৈতিক গুণৰ সম্পৰ্কৰ বিষয়ে আলোচনা কৰিছিল। মধ্যযুগত ধৰ্মীয় নৈতিকতাই সমাজত প্ৰভাৱ বিস্তাৰ কৰিছিল। খৃষ্টান ধৰ্ম, ইছলাম আৰু বৌদ্ধ ধৰ্মৰ শিক্ষাই মানুহৰ জীৱনত নৈতিক মূল্যবোধৰ গুৰুত্বৰ ওপৰত গুৰুত্ব দিছিল। আধুনিক যুগত, নৈতিক দৰ্শনৰ বিকাশৰ লগে লগে নৈতিক মূল্যবোধৰ ধাৰণা অধিক জটিল হৈ পৰিছে। দাৰ্শনিক যেনে ইমানুৱেল কাণ্ট আৰুজন ষ্টুৱাৰ্ট মিলে নৈতিকতাৰ বিভিন্ন তত্ত্ব প্ৰকাশ কৰিছিল। কাণ্টৰ নৈতিক তত্ত্বত কৰ্তব্যৰ ওপৰত গুৰুত্ব দিয়া হৈছিল, আনহাতে মিলে সৰ্বাধিক সংখ্যক লোকৰ সৰ্বাধিক সুখৰ নীতিৰ ওপৰত গুৰুত্ব দিছিল। এই সকলো ঐতিহাসিক পৰিপ্ৰেক্ষিতে দেখুৱাইছে যে নৈতিক মূল্যবোধ মানৱ সভ্যতাৰ এক অবিচ্ছেদ্য অংশ।

কিন্তু নৈতিক মূল্যবোধৰ প্ৰয়োগত সম্প্ৰতি বহু প্ৰত্যাহ্বানো দেখা দিয়ে। সমসাময়িক বিশ্বত দ্ৰুতগতিত হোৱা পৰিৱৰ্তনৰ ফলত নৈতিক মূল্যবোধৰ প্ৰাসংগিকতা প্ৰশ্নৰ সন্মুখীন হৈছে। প্ৰযুক্তিৰ বিকাশৰ লগে লগে নতুন নৈতিক দ্বিধাৰ সৃষ্টি হৈছে। কৃত্ৰিম বুদ্ধিমত্তাৰ ব্যৱহাৰত গোপনীয়তা, নিৰপেক্ষতা আৰু দায়িত্বৰ প্ৰশ্ন উত্থাপিত হৈছে। যদি কোনো কৃত্ৰিম বুদ্ধিমত্তাৰ সিদ্ধান্তৰ ফলত ক্ষতি হয়, তেন্তে তাৰ বাবে কোন দায়ী হ'ব? এনে প্ৰশ্নই নৈতিক মূল্যবোধৰ নতুন মাত্ৰাৰ সৃষ্টি কৰিছে। একেদৰে, বিশ্বায়নৰ ফলত সাংস্কৃতিক মূল্যবোধৰ সংঘাত বৃদ্ধি পাইছে। কোনো এটা সংস্কৃতিৰ বাবে গ্ৰহণযোগ্য কথা আন এটা সংস্কৃতিৰ বাবে অগ্ৰহণযোগ্য হ'ব পাৰে। উদাহৰণস্বৰূপে, পশ্চিমীয়া সংস্কৃতিত ব্যক্তিগত স্বাধীনতাৰ ওপৰত গুৰুত্ব দিয়া হয়, আনহাতে পূৰ্বৰ সংস্কৃতিত সমষ্টিগত মঙ্গলৰ ওপৰত অধিক গুৰুত্ব দিয়া হয়। এই সাংস্কৃতিক ভিন্নতাই নৈতিক সিদ্ধান্ত গ্ৰহণক জটিল কৰি তুলিছে। ইয়াৰ উপৰিও, ব্যক্তিগত স্বাৰ্থ আৰু নৈতিক মূল্যবোধৰ মাজত সংঘাতৰ ফলতো নৈতিকতাৰ প্ৰয়োগ জটিল হৈ পৰে। উদাহৰণস্বৰূপে, ব্যৱসায়িক প্ৰতিষ্ঠানত লাভৰ স্বাৰ্থত নৈতিক নীতি উপেক্ষা কৰাৰ প্ৰৱণতা দেখা যায়। যেনে, কিছুমান কোম্পানীয়ে পৰিৱেশৰ ক্ষতি কৰি বা কৰ্মচাৰীৰ শোষণ কৰি লাভৱান হ'বলৈ চেষ্টা কৰে। এনে কাৰ্যই নৈতিক মূল্যবোধৰ প্ৰতি প্ৰত্যাহ্বানৰ সৃষ্টি কৰে।




এই প্ৰত্যাহ্বানসমূহৰ সমাধানৰ বাবে নৈতিক মূল্যবোধৰ শিক্ষা আৰু প্ৰচাৰৰ প্ৰয়োজন। শিক্ষা ব্যৱস্থাত নৈতিক মূল্যবোধৰ শিক্ষাক অধিক গুৰুত্ব দিয়া উচিত। শিশুসকলক সৰুৰ পৰাই সততা, সহানুভূতি, দায়িত্বশীলতা আৰু ন্যায়পৰায়ণতাৰ শিক্ষা দিয়া উচিত। বিদ্যালয়ত পাঠ্যক্ৰমৰ অংশ হিচাপে নৈতিক দৰ্শন, সাহিত্য আৰু ইতিহাসৰ জৰিয়তে এই শিক্ষা প্ৰদান কৰা যায়। উদাহৰণস্বৰূপে, মহাত্মা গান্ধীৰ অহিংসাৰ নীতি বা ৰবীন্দ্ৰনাথ ঠাকুৰৰ সাহিত্যৰ জৰিয়তে শিশুসকলক নৈতিক মূল্যবোধৰ গুৰুত্ব শিকোৱা যায়। ইয়াৰ উপৰিও, সমাজত নৈতিক মূল্যবোধৰ প্ৰচাৰৰ বাবে সজাগতাৰ প্ৰয়োজন। সামাজিক মাধ্যম, গণমাধ্যম আৰু জনসাধাৰণৰ কাৰ্যসূচীৰ জৰিয়তে নৈতিক মূল্যবোধৰ গুৰুত্বৰ বাৰ্তা প্ৰচাৰ কৰা উচিত। উদাহৰণস্বৰূপে, পৰিৱেশ সংৰক্ষণৰ গুৰুত্বৰ বিষয়ে সজাগতা সৃষ্টি কৰিবলৈ সামাজিক মাধ্যমত প্ৰচাৰ চলোৱা যায়। সৰ্বোপৰি, নৈতিক মূল্যবোধৰ প্ৰতি ব্যক্তিৰ নিজৰ দায়িত্বও গুৰুত্বপূৰ্ণ। প্ৰতিজন ব্যক্তিয়ে নিজৰ জীৱনত নৈতিক নীতি মানি চলিলে সমাজত ইতিবাচক পৰিৱৰ্তন সম্ভৱ। উদাহৰণস্বৰূপে, যদি প্ৰতিজন ব্যক্তিয়ে নিজৰ দৈনন্দিন জীৱনত প্লাষ্টিকৰ ব্যৱহাৰ হ্ৰাস কৰে, তেন্তে ই সমগ্ৰ পৰিৱেশৰ ওপৰত ইতিবাচক প্ৰভাৱ পেলাব।

নৈতিক মূল্যবোধ সদায় মানৱ জীৱনৰ এক অপৰিহাৰ্য অংশ হৈ আহিছে আৰু ভৱিষ্যতেও থাকিব। যদিও প্ৰযুক্তিৰ বিকাশ আৰু বিশ্বায়নৰ ফলত নতুন নৈতিক প্ৰত্যাহ্বানৰ সৃষ্টি হৈছে, তথাপি নৈতিক মূল্যবোধৰ মূল নীতিসমূহ সদায় প্ৰাসংগিক হৈ থাকিব। উদাহৰণস্বৰূপে, সততা, ন্যায়পৰায়ণতা আৰু সহানুভূতিৰ মূল্যবোধ কোনো কালতো অপ্ৰাসংগিক নহয়। ভৱিষ্যতে, নৈতিক মূল্যবোধৰ শিক্ষা আৰু প্ৰচাৰৰ বাবে নতুন পদ্ধতিৰ প্ৰয়োজন হ'ব। উদাহৰণস্বৰূপে, প্ৰযুক্তিৰ ব্যৱহাৰ কৰি নৈতিক শিক্ষাৰ প্ৰচাৰ কৰা যায়। অনলাইন পাঠ্যক্ৰম, ভাৰ্চুৱেল ক্লাছ আৰু ইণ্টাৰেক্টিভ এপৰ জৰিয়তে শিশু আৰু যুৱক-যুৱতীসকলক নৈতিক মূল্যবোধৰ শিক্ষা দিয়া যায়। ইয়াৰ উপৰিও, আন্তঃৰাষ্ট্ৰীয় সহযোগিতাৰ জৰিয়তে নৈতিক মূল্যবোধৰ সৰ্বজনীন নীতিসমূহৰ প্ৰচাৰ কৰা যায়। উদাহৰণস্বৰূপে, জাতিসংঘৰ দৰে সংস্থাই বিশ্বজুৰি শান্তি, ন্যায় আৰু সমতাৰ মূল্যবোধৰ প্ৰচাৰৰ বাবে কাম কৰিব পাৰে।

পৰিশেষত, নৈতিক মূল্যবোধ জীৱনৰ এক অপৰিহাৰ্য অংশ। ই ব্যক্তিক সঠিক পথত পৰিচালিত কৰে, সমাজত শান্তি আৰু সহযোগিতাৰ ভেটি গঢ়ি তোলে, আৰু বিশ্বক অধিক ন্যায়পৰায়ণ আৰু সুন্দৰ কৰি তুলিবলৈ সহায় কৰে। যদিও সমসাময়িক প্ৰত্যাহ্বানসমূহে নৈতিক মূল্যবো ৰ প্ৰয়োগক জটিল কৰি তুলিছে, তথাপি শিক্ষা, সজাগতা আৰু ব্যক্তিগত দায়িত্বৰ জৰিয়তে এই প্ৰত্যাহ্বানসমূহ অতিক্ৰম কৰা সম্ভৱ। নৈতিক মূল্যবোধৰ প্ৰতি দায়বদ্ধতাই কেৱল ব্যক্তিৰ জীৱনকেই সমৃদ্ধ নকৰে, বৰঞ্চ সমগ্ৰ বিশ্বক এক সুন্দৰ আৰু সমৃদ্ধ ভৱিষ্যতৰ দিশত আগুৱাই লৈ যায়।

# ডব্লিউ এইচ অডেনঃ সংকটৰ যুগৰ কবিতাৰ ধ্বনি

**ডাঃ মৃণাল দাস**

ৰাজনৈতিক অশান্তি, দ্ৰুত সামাজিক পৰিৱৰ্তন আৰু বিশ্বজনীন অনিশ্চয়তাৰ দ্বাৰা সংজ্ঞায়িত যুগত আধুনিক বিশ্বৰ উদ্বেগ আৰু আশা দুয়োটাকে আলোকিত কৰি ৰখা এংলো-আমেৰিকান কবি উইষ্টান হিউ অডেনৰ দৰে সাহিত্যিক কমেই আছে। ১৯০৭ চনত ইংলেণ্ডৰ ইয়ৰ্কত জন্মগ্ৰহণ কৰা আৰু পিছলৈ আমেৰিকাৰ নাগৰিক হোৱা অডেনে বৌদ্ধিক পৰিসৰ, নৈতিক জৰুৰীতা আৰু আৱেগিক স্পষ্টতাৰ ক্ষেত্ৰত অতুলনীয় কবিতাৰ শৰীৰ গঢ়ি তুলিছিল। তেওঁৰ লেখাত মানসিক অন্তৰ্দৃষ্টি, ৰাজনৈতিক ধাৰাবাহিকতা, দাৰ্শনিক ধ্যান, মানৱীয় কোমলতাৰ মুহূৰ্তসমূহ সামৰি আছে।

১৯৩০ চনত অডেনে সৰ্বাত্মকতাবাদৰ উত্থান আৰু যুদ্ধৰ ভাবুকিৰ সৈতে যুঁজি থকা কবিৰ প্ৰজন্মৰ অংশ হিচাপে আত্মপ্ৰকাশ কৰিছিল। তথাপি সমসাময়িক বহু লোকৰ দৰে তেওঁ নিজকে এটা মতাদৰ্শ বা শৈলীৰ মাজতে আবদ্ধ কৰি ৰাখিবলৈ অস্বীকাৰ কৰিছিল। চৌপাশৰ দ্ৰুতগতিত পৰিৱৰ্তিত জগতখনক বুজিবলৈ চেষ্টা কৰাৰ লগে লগে তেওঁৰ কাব্যিক কণ্ঠটো স্থানান্তৰিত হৈছিল- কেতিয়াবা বিতৰ্কিতভাৱে। যিটো স্থিৰ হৈ থাকিল সেয়া আছিল তেওঁৰ বিশ্বাস যে কবিতাই যুদ্ধ বন্ধ কৰিব নোৱাৰিলেও মানুহক নিজৰ বাস্তৱতাক অধিক সংভাৱে অনুভৱ কৰাত সহায় কৰিব পাৰে।

ইতিহাসৰ মাজেৰে প্ৰতিধ্বনিত হোৱা এটা কবিতা ঃ "১ ছেপ্টেম্বৰ, ১৯৩৯"

অডেনৰ আটাইতকৈ চিৰস্থায়ী ৰচনাসমূহৰ ভিতৰত আছে দ্বিতীয় বিশ্বযুদ্ধৰ আৰম্ভণিতে লিখা কবিতা "১ ছেপ্টেম্বৰ, ১৯৩৯।" জাৰ্মানীয়ে পোলেণ্ড আক্ৰমণৰ খবৰৰ পিছত ৰচিত এই কবিতাটোৱে পশ্চিমীয়া বিশ্বক আগুৰি ধৰা ভয় আৰু বিভ্ৰান্তিকক ধৰি ৰাখিছে। আৰম্ভণিৰ শাৰীটোৰ পৰা—"মই ডাইভবোৰৰ এটাত বহিছো / অন ফিফটি-ছেকেণ্ড ষ্ট্ৰীট"—অডেনে নিজকে এজন আঁতৰত থকা পৰ্যবেক্ষক হিচাপে নহয় বৰঞ্চ ইতিহাসৰ উন্মোচন চোৱা এজন সাধাৰণ ব্যক্তি হিচাপে স্থান দিছে।

কবিতাটোত ব্যক্তিগত প্ৰতিফলনৰ সৈতে বহল ৰাজনৈতিক সমালোচনাৰ মিশ্ৰণ ঘটিছে। অডেনে নেতাসকলৰ ব্যৰ্থতা, ফেচিবাদৰ উত্থান আৰু ঘৃণা আৰু ভয়ক বিশ্ব সংঘাতলৈ বৃদ্ধি পোৱা সামূহিক "অপব্যৱস্থাপনা" পৰ্যবেক্ষণ কৰে। তথাপি কবিতাটোৰ সকলো মোহভংগৰ মাজতো কষ্টেৰে লাভ কৰা আশাৰ মুহূৰ্তৰ বাবেই কবিতাটোক আটাইতকৈ বেছি মনত ৰখা হয়-

আমি ইজনে সিজনক প্ৰেম কৰিব লাগিব নহ'লে মৰিব লাগিব।

সংকটৰ সময়ত সততে উদ্ধৃত এই শাৰীটোৱে কবিতাটোক পৰৱৰ্তী প্ৰজন্মৰ বাবে এক প্ৰকাৰৰ নৈতিক স্পৰ্শ শিলালৈ ৰূপান্তৰিত কৰিছিল। যদিও পিছত অডেনে শাৰীটোৰ অতি সৰলীকৰণ বুলি ভবা কথাটোত অস্বস্তি প্ৰকাশ কৰিছিল, পাঠকে ইয়াক ধাৰাবাহিকভাৱে অন্ধকাৰ সময়ত সহানুভূতি, সংহতি আৰু মানৱীয় দায়িত্বৰ আহ্বান বুলি ব্যাখ্যা কৰি আহিছে।

Audenৰ কবিতা আজিও অনুৰণিত হোৱাৰ কাৰণ সহজঃ তেওঁৰ ভাষাই যুগে যুগে চলি থকা সংকটৰ মাজতো মানৱিক সতৰ্কতা আৰু নৈতিক চিন্তাক সজীৱ কৰি ৰাখে। ব্যক্তিগত বেদনাৰ পৰা আৰম্ভ কৰি বিশ্ব-ৰাজনৈতিক বিপৰ্যয়লৈকে, Audenৰ কবিতাই একেটা কথা কয়- যে মানৱীয় দায়িত্ব এৰি যোৱা সম্ভৱ নহয়।

"মানৱীয়তা আৰু ভালপোৱা হ'ল সংঘৰ্ষৰ একমাত্ৰ প্ৰতিকাৰ।"

মৃত্যুৰ ডেৰ শতিকাৰো অধিক সময়ৰ পাছতো ডব্লিউ এইচ অডেনে পাঠকৰ সৈতে বাৰ্তালাপ আৰু চিনাকি আছে। অধিক স্পষ্টকৈ চাবলৈ, অধিক গভীৰভাৱে চিন্তা কৰিবলৈ আৰু অধিক দায়িত্বশীলভাৱে জীয়াই থকাৰ আমন্ত্ৰণ হিচাপে তেওঁৰ কবিতা এতিয়াও সাৰে আছে। সেই কাৰণে তেওঁ আজিও আলোচনাৰ কেন্দ্ৰত।

# গ্ৰন্থ অধ্যয়ন আৰু পুথিভঁৰালৰ প্ৰাসংগিকতা

**ৰাজদ্বীপ নাথ**

চিচৰোৱে কৈছিল 'কিতাপ অবিহনে এটা কোঠা আত্মা অবিহনে এটা শৰীৰৰ দৰে'। স্বাভাৱিকতেই আমি যেতিয়া কোনোবা এঘৰ মানুহলৈ আলহী হৈ যাওঁ আৰু ভিতৰত সোমায়েই ড্ৰয়িং ৰুমত সজাই থোৱা ভিন্নধৰণৰ কিতাপৰ ৰেগ বা আলমাৰিটো দেখোঁ তেতিয়া স্বাভাৱিকতেই মানুহঘৰৰ প্ৰতি বা সেই বিশেষ মানুহজনৰ প্ৰতি এটি ধনাত্মক মনোভাৱ আমাৰ মনত গঢ় লয়। এজন প্ৰচুৰ অধ্যয়নশীল মানুহৰ লগত যদি আমি কথা পাতোঁ তেতিয়া তেওঁৰ মুখমণ্ডলত আমি দেখিবলৈ পাওঁ প্ৰচুৰ উজ্জ্বলতা আৰু জ্ঞানৰ গভীৰতা। অধ্যয়নশীল মানুহৰ লগত কথা পাতিলেই আমি অনুভৱ কৰিব পাৰিম কিতাপ পঢ়াৰ মাহাত্ম্য আৰু উপকাৰীতাৰ বিষয়ে। কিতাপ পঢ়া মানুহৰ কথা কোৱাৰ কৌশল, চিন্তা কৰাৰ ধৰণ সকলোবোৰ আন অধ্যয়ন বিহীন মানুহতকৈ বহুগুণে পৃথক। তদুপৰি কিতাপ পঢ়া মানুহৰ মুখৰ উজ্জ্বলতাও আনতকৈ পৃথক ; কাৰণ নিয়মীয়া কিতাপ অধ্যয়নে আমাৰ মুখমণ্ডলৰ জ্যোতি উজ্জ্বল কৰি তোলে। কিতাপ অধ্যয়নৰ নিচাই মানুহক কেনে সু পৰ্যায়লৈ লৈ যাব পাৰে এটি উদাহৰণ দিলেই কথাষাৰ স্পষ্ট হ'ব। আমেৰিকাৰ প্ৰাক্তন ৰাষ্ট্ৰপতি ফ্ৰেংকলিন ৰুজভেল্ট এবাৰ জাহাজেৰে ইংলেণ্ডৰ পৰা স্বদেশলৈ গৈ থাকোঁতে এক ভীষণ ধুমুহাত জাহাজখন ডুব যোৱাৰ সম্ভাৱনাই দেখা দিলে। কেপ্টেইনে ৰাষ্ট্ৰপতিক সেই কথা জনাবলৈ যাওঁতে ৰুজভেল্টে এখন কিতাপ পঢ়ি আছিল। কেপ্টেইনে জাহাজ ডুবি মৃত্যু হোৱাৰ আগতে তেওঁৰ শেষ ইচ্ছাটো সোধাত ৰুজভেল্টে ক'লে যে জাহাজখন ডুবাৰ আগতে যাতে তেওঁ সেই কিতাপখন পঢ়ি শেষ কৰিব পাৰে, সেইটোৱেই হ'ল তেওঁৰ শেষ ইচ্ছা। গতিকে কিতাপৰ নিচাই মানুহক মৃত্যুভয়কো প্ৰত্যাহ্বান জনাবলৈ শিকাই। কিতাপৰ অধ্যয়নে মানুহক প্ৰকৃত মানুহ হিচাপে গঢ়ি তোলাত সহায় কৰে।

পিছে কিতাপনো আমি পঢ়িম কেতিয়া? যান্ত্ৰিক যুগত দেখোন মোবাইলতে সকলো উপলব্ধ! তেনেস্থলত দুই ছেকেণ্ডত উপলব্ধ এটা তথ্য বিচাৰি আমি ঘণ্টাৰ পিছত ঘণ্টাজুৰি কিতাপৰ পাত খুচৰি ফুৰাৰ কিবা প্ৰাসংগিকতা আছেনে? আচলতে আমি যি পৰিৱেশত ডাঙৰ হৈছোঁ তাৰ ওপৰতে প্ৰশ্নটোৰ উত্তৰ নিৰ্ভৰ কৰিব। পৃথিৱীৰ সাহিত্য বা পণ্ডিত জগতৰ যিসকল উজ্জ্বল জ্যোতিষ্কৰ নাম আমি জানো সেইসকলৰ জীৱনী অধ্যয়ন কৰিলে আমি দেখা পাম যে বহুকেইজন স্বনামধন্য সাহিত্যিক বা পণ্ডিত প্ৰবৰৰ শৈশৱ আৰু কৈশোৰ পাৰ হৈছিল কিতাপৰ মাজত। উদাহৰণ হিচাপে অসমীয়া সাহিত্য জগতৰ পুৱতি নিশাৰ ভোটাতৰাস্বৰূপ হোমেন বৰগোহাঞিঃ দেৱৰ কথাই ধৰা হওক। বৰগোহাঞিঃ দেৱৰ শৈশৱ আৰম্ভ হৈছিল কিতাপৰ মাজত। তেখেতৰ দেউতাকৰ এটা ব্যক্তিগত পুথিভঁৰাল আছিল আৰু বৰগোহাঞিঃ দেৱেও সেই পুথিভঁৰালৰ কিতাপবোৰৰ জৰিয়তেই জীৱনটোক আনবোৰ শিশুতকৈ নতুন ধৰণে আৰম্ভ কৰিবলৈ শিকিছিল। যাৰ ফলত প্ৰাথমিক বিদ্যালয়ৰ সৰু পুথিভঁৰালটিৰ প্ৰায় তিনিশখন কিতাপ হোমেন বৰগোহাঞিঃ দেৱে পঞ্চম শ্ৰেণীতেই পঢ়ি শেষ কৰি পেলাইছিল বুলি তেওঁ নিজেই আত্মজীৱনীমূলক প্ৰবন্ধত উল্লেখ কৰিছে ; যাৰ পৰিণতিত অসমীয়া সাহিত্যই লাভ কৰিলে এজন স্বনামধন্য অসমীয়া সাহিত্যিকক। একেদৰেই ন'বেল বঁটা বিজয়ী জৰ্জ বাৰ্ণাড শ্ব' য়ে ১০ বছৰ বয়সত স্কুলত নামভৰ্তি কৰাৰ আগেয়ে চাৰ্লছ ডিকেন্সৰ 'Great expectation' আৰু চাৰ্লছ লিডাৰৰ 'A days Ride' নামৰ বিখ্যাত গ্ৰন্থ পঢ়ি শেষ কৰিছিল। বাৰ্ট্ৰাণ্ড ৰাছেলে ১৬ বছৰ বয়সতে ককাকৰ বিৰাট পুথিভঁৰালটোৰ সৰহভাগ কিতাপ পঢ়ি শেষ কৰিছিল, যাৰ বাবে তেওঁৰ দৃষ্টিশক্তিও কমি গৈছিল। ছিগমুণ্ড ফ্ৰয়েডে ১২/১৩ বছৰ বয়সতে জাৰ্মান সাহিত্য পঢ়ে আৰু ৮ বছৰ বয়সত হেগেল আৰু কাণ্টৰ দৰ্শনৰ কিতাপ পঢ়ি পেলাইছিল। গতিকে দেখা গ'ল যে যিসকল ব্যক্তিয়ে কিতাপৰ বিচিত্ৰ জগতৰ মাজত নিজৰ শৈশৱ - কৈশোৰ অতিবাহিত কৰিছে তেওঁলোকৰ প্ৰত্যেকজনেই নিজৰ অমূল্য কৰ্মৰাজিৰে মৰিও অমৰ হৈ থাকিবলৈ সক্ষম হৈছে। গ্ৰন্থ অধ্যয়নৰ নিচাই মানুহক আনবোৰ নিচাৰ পৰা আঁতৰাই জ্ঞানাৰ্জনৰ নিচা সৃষ্টিত সহায় কৰে। গ্ৰন্থ অধ্যয়নে মন মানসিকতা, দৃষ্টিভংগীৰ আমূল পৰিৱৰ্তন ঘটাই জীৱনটোক পৰিপূৰ্ণভাৱে উপভোগ কৰাত আমাক সহায় কৰে, গ্ৰন্থ অধ্যয়নৰ যোগেদিয়েই কু সংস্কাৰত ডুবি থকা সমাজ এখনৰ সংস্কাৰৰ বাটটো মুকলি হ'ব পাৰে।

দ্বিতীয়তে আহোঁ পুথিভঁৰালৰ প্ৰসংগটোলৈ। সাম্প্ৰতিক সময়ত আমাৰ সমাজত যিদৰে ধৰ্মানুষ্ঠান বা ঈশ্বৰোপাসনাস্থলীৰ সংখ্যা বাৰিষাৰ নদীত বাঢ়নী পানী বঢ়াইদি বাঢ়িবলৈ লৈছে, সেইদৰে যদি পুথিভঁৰালবোৰৰ সংখ্যা বৃদ্ধি পালেহেঁতেন তেতিয়া হয়তো আমাৰ সমাজে আজি উন্নতিৰ স্বৰ্ণ জখলাৰে বগাই গৈ বিজ্ঞান প্ৰযুক্তি বা মানসিকতাৰ সৰ্ব উন্নত এটি স্তৰত উপনীত হ'লগৈ হেঁতেন। কিন্তু দুৰ্ভাগ্যজনকভাৱে সমাজত বৃদ্ধি পোৱা এই ধৰ্মানুষ্ঠানবোৰৰ পৰা সমাজৰ লাভটো হোৱা নায়েই, বৰং মানুহৰ মাজতে ভাগ ভাগকৈ বহুতো বিভাগৰ সৃষ্টিহে হৈছে। 'আজিৰ নৱপ্ৰজন্মই কিতাপ নপঢ়ে' বুলি আপ্তবাক্যশাৰী আওৰাই নৱপ্ৰজন্ম কু নিচাত মত্ত হৈছে বুলি গালি পাৰিবলৈ সহজ; কিন্তু প্ৰকৃততে নৱপ্ৰজন্মই কিতাপ পঢ়িবৰ বাবে এটা অনুকূল পৰিৱেশ সমাজত গঢ় দিব পাৰিছেনে নাই সেয়াহে প্ৰশ্নৰ মাজলৈ অহা উচিত। আজি অসমৰ চুকে কোণে বহুতো পুথিভঁৰাল আছে সঁচা! কিন্তু সেই পুথিভঁৰালবোৰত কিতাপ পঢ়িবলৈ যোৱা লোকৰ সংখ্যা আঙুলিৰ মূৰত লেখিব পৰা। এতিয়াও অসমৰ বিভিন্ন প্ৰান্তত বহুতো পুথিভঁৰাল পৰিত্যক্ত অৱস্থাত পৰি আছে, সিবোৰৰ অনেকত এতিয়া কিতাপৰ সলনি এন্দুৰ নিগনিৰ বাহহে দেখিবলৈ পোৱা যায়। গতিকে এই পুথিভঁৰালসমূহক জীৱন্ত কৰি গাঁৱে ভূঞে পুথিভঁৰালৰ প্ৰাসংগিকতাক বোধগম্য কৰি তুলিলে নিশ্চয় সমাজত কিতাপ পঢ়াৰ হাৰ বৃদ্ধি পাব। কিতাপ পঢ়াৰ হাৰ বৃদ্ধি হ'লেই সমাজত এতিয়াও মনৰ এচুকত কিছু ভ্ৰান্ত ধাৰণা লৈ জীয়াই থকা বা নিম্ন মানসিকতাৰ বাবে সৰু সুৰা ঘটনা একোটাকো বিশৃংখলতাৰ ৰূপ দিয়া মানুহবোৰৰ মানসিকতা সলনি হ'ব আৰু এখন সৰ্বাংগসুন্দৰ, জাতি বৈষম্যহীন মানৱতাৰ উপাসনা কৰা সমাজৰ সৃষ্টি হ'ব। তাৰ বাবে সমাজত ধৰ্মীয় অনুষ্ঠান বৃদ্ধি কৰাতকৈ পুথিভঁৰালৰ সংখ্যা বৃদ্ধি কৰাতহে অধিক মনোনিৱেশ কৰা উচিত বুলি মনে ধৰে।

পৰিশেষত ক'ব খোজোঁ যে অন্ধকাৰৰ অতল গহ্বৰত শুই, মানৱীয়তা, নৈতিকতাক কবৰ দি এলান্ধুকলীয়া পৰম্পৰাবোৰকে সাবটি থকা সমাজখনৰ সংস্কাৰৰ বাবে ধৰ্মানুষ্ঠানতকৈ শিক্ষানুষ্ঠানহে মাত্ৰাধিক হাৰত স্থাপন কৰাৰ প্ৰয়োজনীয়তা আহি পৰিছে। শেষত কিতাপ সম্পৰ্কীয় দুটিমান উক্তিৰে লেখাটিৰ সামৰণি মাৰিব খুজিছোঁ -

'আনবোৰ নিচাই মানুহক তিলে তিলে ধ্বংস কৰে কিন্তু কিতাপৰ নিচাই মানুহক নিত্য নৱ ৰূপত সজাই তোলে।' - হোমেন বৰগোহাঞিঃ

' wear a new coat and buy a new book'- Austin Phelps

'কিতাপ নপঢ়া জাতিক গামোচাই বচাব নোৱাৰে'- জুবিন গাৰ্গ।

# পি এম শ্রী নহিৰা গুইমাৰা আঞ্চলিক হাইস্কুল প্রাংগনত জুবিন গাৰ্গৰ প্ৰসংগৰে আবেগিক মুহূর্ত

## ই- আলোচনী জ্ঞানম উন্মোচন



**অসম বাৰ্তা, মিৰ্জা, ২৪ নৱেম্বৰ ঃ** শৈক্ষিক গোট, জ্ঞানম্, কামৰূপৰ ই-আলোচনী জ্ঞানম্‌ৰ ষষ্ঠ বছৰৰ প্ৰথম সংখ্যাটি গোটৰ উদ্যোগত আজি এক মনোজ্ঞ তথা আৱেগিক পৰিৱেশত পি.এম.শ্ৰী. নহিৰা গুইমাৰা আঞ্চলিক উচ্চতৰ মাধ্যমিক বিদ্যালয়ত বিদ্যালয়খনৰ সহযোগত উন্মোচন কৰা হয়। এইবাৰৰ সংখ্যাটো প্ৰাণৰ শিল্পী হাৰ্টথ্ৰব জুবিন গাৰ্গদেৱৰ বিষয়ৰ বিভিন্ন লেখাৰে সমৃদ্ধ কৰিবলৈ প্ৰয়াস কৰা হৈছিল আৰু এইক্ষেত্ৰত বিভিন্নজনে যথেষ্ট সহযোগ কৰি নিজৰ লেখা পঠাইছে। সেয়ে, উক্ত উন্মোচনী অনুষ্ঠানত আলোচনীখন উন্মোচন কৰাৰ বাবে নিমন্ত্ৰিত অতিথি হিচাপে উপস্থিত থাকে জুবিন গাৰ্গদেৱৰ সহঃ শিল্পী তথা বিশিষ্ট বাদ্যযন্ত্ৰ শিল্পী ৰাজা বৰুৱা ডাঙৰীয়া। আনহাতে এই অনুষ্ঠানৰ লগত সংগতি ৰাখি এখন আলোচনা চক্ৰও অনুষ্ঠিত হয়। "জুবিন গাৰ্গৰ গীতত পৰিৱেশ" শীৰ্ষক আলোচনা চক্ৰত আলোচক হিচাপে উপস্থিত থাকে জৱাহৰলাল নেহৰু মহাবিদ্যালয়, বকোৰ অৱসৰী উপাধ্যক্ষ ড° প্ৰাণেশ্বৰ নাথদেৱ। জ্ঞানম গোটৰ সমন্বয়ক ফুলপাহি নাথৰ তৎপৰতাত অনুষ্ঠিত অনুষ্ঠানখনৰ আৰম্ভণিতে ছাত্ৰ একতা সভাৰ মল্লিকা দাস তথা সদস্যবৃন্দৰ দ্বাৰা ছহিদ তৰ্পণ কৰা হয়। ইয়াৰ পিছত এটি নাহৰ গছৰ পুলি ৰোপণ কৰে বিদ্যালয়খনৰ পৰিচালনা সমিতিৰ সভাপতি নয়ন মহন্তই, প্ৰাণৰ শিল্পী গৰাকীৰ প্ৰতিচ্ছবিৰ সন্মুখত মূল বন্তি প্ৰজ্বলন কৰে বিদ্যালয়খনৰ প্ৰধান শিক্ষক ধীৰেণ কুমাৰৰ লগতে বন্তি প্ৰজ্বলন কৰে বিশিষ্ট বাদ্যযন্ত্ৰ শিল্পী ৰাজা বৰুৱা তথা উপস্থিত বিশিষ্ট ব্যক্তিসকলে আৰু উপস্থিত আটাইয়ে পুষ্পাঞ্জলি অৰ্পণ কৰে। নাহৰৰ দহটা পুলি বিদ্যালয়খনক ৰোপণ কৰিবৰ বাবে বিদ্যালয়খনৰ প্ৰধান শিক্ষকৰ হাতত তুলি দিয়ে গোটৰ সদস্য কমল দাসে। ইয়াৰ পিছত পল্লৱী পাঠকে আঁত ধৰা অনুষ্ঠানটিত জ্ঞানম সভানেত্ৰী সৰস্বতী দত্তৰ সঞ্চালনাত অনুষ্ঠিত উদ্বোধনী তথা স্মৃতিচাৰণ সভাত বিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰীসকলে জুবিন গাৰ্গদেৱে কণ্ঠদান কৰা কেইবাটিও গীত সমবেত কণ্ঠত পৰিৱেশনৰ পিছতে সম্পাদক গিৰিণ দাসে অনুষ্ঠানৰ উদ্দেশ্য ব্যাখ্যা কৰে। জ্ঞানম গোটৰ মুখ্য উপদেষ্টা অপূৰ্ব ঠাকুৰীয়াই আদৰণী জনোৱাৰ পিছতে জ্ঞানমৰ শীৰ্ষ গীতটি মনবিনি দাসে পৰিৱেশন কৰে। উক্ত অনুষ্ঠানটোত প্ৰাণৰ শিল্পী জুবিন গাৰ্গলৈ জ্ঞানম গোটৰ তৰফৰ পৰা একাঁজলি শ্ৰদ্ধা নিবেদিন কৰি এটা ভিডিঅ' প্ৰদৰ্শন কৰা হয়, য'ত জ্ঞানম পৰিয়ালে ই-আলোচনীৰ ষষ্ঠ বছৰৰ ১ম সংখ্যাটো শিল্পী গৰাকীৰ নামত উছৰ্গা কৰে। ইয়াৰ পিছত মালব্য দাস সম্পাদিত জ্ঞানম ই-আলোচনীৰ বিশেষ সংখ্যাটি উন্মোচন কৰে ৰাজা বৰুৱাদেৱে আৰু স্কুলীয়া জীৱনৰ পৰা তেওঁ লগ পোৱা শেষ মুহূৰ্তলৈকে জুবিন গাৰ্গদেৱক কেনেকৈ পাইছিল, তাৰ ওপৰত আৱেগিক ভাষণ ৰাখে। তেওঁ কয়, "জুবিন গাৰ্গ ডাঙৰীয়া এগৰাকী অতি অধ্যয়নশীল ব্যক্তি আছিল। তেওঁ খাদ্য গ্ৰহণ কৰি থকাটো কিতাপ পঢ়ি থকা মুহূৰ্তত ১৯৮৯ চনত ঘৰত লগ পোৱা অৱস্থাতে পাইছিল। সেই বাবেই তেখেতে নিৰ্ভীকভাৱে বিভিন্ন মন্তব্য আগবঢ়াব পাৰিছিল। আজি মানুহে কিবা নাজানিলে গুগল চায়, কিন্তু আমাৰ বাবে সেই তেতিয়াৰে পৰা তেখেতেই গুগলসদৃশ তথ্যৰ ভাণ্ডাৰ আছিল। কিবা সুধিলে তপৰাই উত্তৰ দিছিল।" ইয়াৰ পিছত নিৰ্দিষ্ট বক্তাৰ ভাষণত ড° নাথদেৱে জুবিন গাৰ্গদেৱৰ গীতত প্ৰকৃতি তথা পৰিৱেশে কেনেদৰে প্ৰভাৱিত কৰে কেইবাটিও গীতৰ কলি গুণগুণাই তাৰ ওপৰত সুন্দৰ ব্যাখ্যা আগবঢ়ায়। অনুষ্ঠানত বিশিষ্ট শিক্ষাবিদ পৰেশ বৈশ্যদেৱ, কামৰূপ জিলা সাহিত্য সভাৰ সভাপতি তথা জ্ঞানমৰ উপদেষ্টা ড° গণেশ্বৰ চহৰীয়াদেৱেও জ্ঞানম গোটৰ কাৰ্যৰ ওপৰত আলোকপাত কৰাৰ লগতে জুবিন গাৰ্গদেৱকো শ্ৰদ্ধাৰে সোঁৱৰণ কৰে। অনুষ্ঠানত বিদ্যালয়খনৰ কেইবাগৰাকীও ছাত্ৰ-ছাত্ৰীয়ে গীত-নৃত্য পৰিৱেশন কৰে। এই অনুষ্ঠানতে জুবিন গাৰ্গদেৱ ৰচিত নিৰ্বাচিত কবিতাৰ দুটা শাখাত আয়োজিত আবৃত্তি প্ৰতিযোগিতাত স্থানপ্ৰাপ্তসকলক পুৰস্কাৰসমূহ প্ৰদান কৰা হয়। শেষত উপস্থিত আটাইয়ে বিখ্যাত "মায়াবিনী ৰাতিৰ বুকুত" গীতটি সমবেতভাৱে পৰিৱেশন কৰি অনুষ্ঠানৰ সামৰণি মাৰে। উল্লেখযোগ্য যে তৃতীয় শ্ৰেণীৰ পৰা ষষ্ঠ শ্ৰেণীলৈকে অনুষ্ঠিত 'ক' শাখাত প্ৰতিযোগিতাখনত পি এম শ্ৰী ছয়গাঁও চৰকাৰী মজলীয়া বিদ্যালয়ৰ ষষ্ঠ শ্ৰেণীৰ ছাত্ৰী ৰুকিয়া চুলতানাই প্ৰথম স্থান, আদৰ্শ বিদ্যালয়, চাংচাৰীৰ ষষ্ঠ শ্ৰেণীৰ ছাত্ৰ মুগ্ধ তেজস্বী লহকৰে দ্বিতীয় স্থান, আৰু বকোৰ বাঁহজানী কন্দলপাৰা প্ৰাথমিক বিদ্যালয়ৰ পঞ্চম শ্ৰেণীৰ ছাত্ৰী বিউটি কলিতাই তৃতীয় স্থান লাভ কৰে। আনহাতে, সপ্তম শ্ৰেণীৰ পৰা দশম শ্ৰেণীলৈকে অনুষ্ঠিত প্ৰতিযোগিতাখনত 'খ' শাখাত আদৰ্শ বিদ্যালয়, হাজোৰ সপ্তম শ্ৰেণীৰ ছাত্ৰী নন্দিনী নূপুৰ কাশ্যপে প্ৰথম স্থান, পি. এম. শ্ৰী. ছয়গাঁও চৰকাৰী মজলীয়া বিদ্যালয়ৰ অষ্টম শ্ৰেণীৰ ছাত্ৰী জ্যোতিস্মিতা কলিতাই দ্বিতীয় স্থান আৰু ৰঙিয়াৰ গড়পুত বাপুজী হাইস্কুলৰ নৱম শ্ৰেণীৰ ছাত্ৰী ধৃতিস্মিতা ডেকাই তৃতীয় স্থান লাভ কৰে। শিল্পী ৰাজা বৰুৱাদেৱক ছয়গাঁও মজলীয়া বিদ্যালয়ৰ হিন্দী শিক্ষক জোনমণি দাসে বৰুৱাদেৱৰ ছবি এখন অংকন কৰি তেওঁৰ নিজে লিখা কবিতা পুথি এখনৰ সৈতে উপহাৰ দিয়ে। অনুষ্ঠানত বিদ্যালয়খনৰ শিক্ষক -কৰ্মচাৰী, বহুতো ছাত্ৰ-ছাত্ৰীৰ লগতে জ্ঞানম গোটৰ হৈ নৱ কুমাৰ নাথ, তীৰ্থ মণি ডেকা, পুলতা বৰা, ৰূপাঞ্জলি দাস, সাগৰ কুমাৰ, তন্দ্ৰা দে, পৱিত্ৰ কৈৱৰ্ত্ত আদি ব্যক্তি উপস্থিত থাকে।

# তেজপুৰত লাচিত দিৱস উদ্‌যাপন; নেহৰু ময়দানক 'লাচিত বাকৰি' ৰূপে নামকৰণৰ দাবী অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ

**অসম বাৰ্তা, তেজপুৰ সদৰ, ২৪ নৱেম্বৰ ঃ** তেজপুৰৰ ঐতিহাসিক নেহৰু ময়দানৰ সমুখত ১৯৮৭ চনত অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ শোণিতপুৰ জিলা সমিতিয়ে স্থাপন কৰিছিল অসম আৰু অসমীয়াৰ স্বাভিমান তথা অসমীয়াৰ শৌৰ্য -বীৰ্য্যৰ প্ৰতীক লাচিত বৰফুকনৰ প্ৰথমটো প্ৰতিমূৰ্তি। সেই প্ৰতিমূৰ্তিটোক উপলক্ষ কৰি নেহৰু ময়দানৰ নাম সলনি কৰি লাচিত বাকৰি কৰিবলৈ অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদে বাৰম্বাৰ অসম চৰকাৰক দাবী জনাই অহাৰ পিছত আজি লাচিত দিৱসৰ দিনটোত পুনৰবাৰ অসম চৰকাৰলৈ দাবী উত্থাপন কৰিলে অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ প্ৰাক্তন সভাপতি তথা বৰ্তমানৰ উপদেষ্টা ৰাণা প্ৰতাপ বৰুৱাই। উল্লেখ্য যে আজি লাচিত দিৱসৰ দিনটোত পূৰ্বৰ দৰে অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ শোণিতপুৰ জিলা সমিতিয়ে লাচিতৰ সেই প্ৰতিমূৰ্তিৰ সন্মুখত আয়োজন কৰা বিশেষ শ্ৰদ্ধাঞ্জলি অনুষ্ঠান শুভাৰম্ভ কৰে অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ প্ৰাক্তন সভাপতি তথা বৰ্তমানৰ উপদেষ্টা ৰাণা প্ৰতাপ বৰুৱাই। ইয়াৰ আগতে শোণিতপুৰ জিলা সমিতিৰ উপদেষ্টা মৃদুল কুমাৰ শৰ্মাই পতাকা উত্তোলন কৰাৰ পিছত শোণিতপুৰ জিলা সমিতিৰ প্ৰতিষ্ঠাপক সম্পাদক তথা বৰ্তমানৰ তেজপুৰৰ বিধায়ক পৃথিৰাজ ৰাভা, শোণিতপুৰ জিলাৰ জিলা আয়ুক্ত আনন্দ কুমাৰ দাস, জিলা সমিতিৰ প্ৰাক্তন সভাপতি শান্তনু বৰুৱা, প্ৰাক্তন সভাপতি যতীন বৰা, প্ৰাক্তন কোষাধ্যক্ষ লীলা বৰাৰ লগতে প্ৰাক্তন আৰু বৰ্তমানৰ বিষয়ববীয়া আৰু বিশিষ্ট ব্যক্তি সকলে শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। এই শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ স্থলীতেই অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ প্ৰাক্তন সভাপতি ৰাণা প্ৰতাপ বৰুৱাই লাচিত বৰফুকনৰ শৌৰ্য্য -বীৰ্য্যই আজিও অসমীয়া জাতিক উদ্বুদ্ধ কৰি ৰাখিছে বুলি মন্তব্য কৰি ভাষণ প্ৰসংগত লাচিতৰ আদৰ্শেৰে অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদে দীঘলীয়া সময় অসমীয়া জাতিৰ সুৰক্ষিত ভৱিষ্যতৰ বাবে সংগ্ৰাম অব্যাহত ৰাখিছে বুলি মন্তব্য কৰে। আনহাতে প্ৰাক্তন সভাপতি গৰাকীয়ে অসমৰ জাতি -মাটি -ভেটিৰ কথা সততে কৈ অহা চৰকাৰখনে বাৰম্বাৰ দাবী উত্থাপন কৰি অহাৰ পিছতো নেহৰু ময়দানক লাচিত বাকৰি হিচাপে নামকৰণ নকৰাত ক্ষোভ প্ৰকাশ কৰি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক এই দাবী কাৰ্যকৰী কৰিবলৈ আহ্বান জনোৱাৰ লগতে সাংবাদিকৰ আগত প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ ন্যায়ৰ ক্ষেত্ৰত চৰকাৰখনক কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ এনেদৰে দাবী উত্থাপন কৰে। আনহাতে অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ এই অনুষ্ঠানত শোণিতপুৰ জিলা প্ৰশাসনৰ তৰফৰ পৰা বীৰ লাচিত বৰফুকনলৈ জিলা আয়ুক্ত আনন্দ কুমাৰ দাসে শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰি আগবঢ়োৱা ভাষণত একো একোটা জাতিৰ বীৰ পুৰুষ সকলে সেই জাতিটোক সাহসেৰে আগবাঢ়ি যাবলৈ উদ্বুদ্ধ কৰে বুলি মন্তব্য কৰি লাচিত বৰফুকন অসম আৰু অসমীয়াৰ সাহসৰ প্ৰতীক বুলি মন্তব্য কৰি সেই সাহস আৰু বীৰত্বৰ বাবেই আজি অসমীয়া জাতি সকলো দিশতে আগবাঢ়ি যাবলৈ সক্ষম হৈছে বুলি মন্তব্য কৰে।

# বাক্সাৰ অদলাত সমল কেন্দ্ৰ পৰ্যায়ৰ শিক্ষণ শিকণ সজুঁলি প্ৰদৰ্শনী মেলা

**অসম বাৰ্তা, বাগানপাৰা, ২৪ নৱেম্বৰ ঃ** সমগ্ৰ শিক্ষা অভিযান, বাক্সাৰ উদ্যোগত সমল কেন্দ্ৰ পৰ্যায়ৰ শিক্ষণ শিকণ সজুঁলি প্ৰদৰ্শনী মেলা ২১ নবেম্বৰত বাক্সা শিক্ষা খণ্ড মুছলপুৰৰ অধীনস্থ অদলা জোহোলাও দেৎচুং এম ই স্কুল প্ৰাঙ্গনত অনুষ্ঠিত হয়। এই সমল কেন্দ্ৰ পৰ্যায়ৰ শিক্ষণ শিকণ সজুঁলি প্ৰদৰ্শনীত উমৈহতীয়াভাৱে অদলা, বৰিকাদঙা আৰু নয়াবস্তি সমল কেন্দ্ৰৰ অধীনস্থ এম ই স্কুল আৰু প্ৰাথমিক বিদ্যালয়ৰ শিক্ষক -শিক্ষয়িত্ৰী সকলে অংশগ্ৰহণ কৰে। এই শিক্ষণ শিকণ সজুঁলি প্ৰদৰ্শনীত ১ নং অদলা প্ৰাথমিক বিদ্যালয়, ২ নং অদলা প্ৰাথমিক বিদ্যালয়, ৩ নং অদলা প্ৰাথমিক বিদ্যালয়, ৪ নং অদলা প্ৰাথমিক বিদ্যালয়, লিন্দা প্ৰাথমিক বিদ্যালয়, অদলা বাগানপাৰা প্ৰাথমিক বিদ্যালয়, অদলা মাইনাও প্ৰাথমিক বিদ্যালয়, ২ নং শিমলাবাৰী প্ৰাথমিক বিদ্যালয়, ৩ নং শিমলাবাৰী প্ৰাথমিক বিদ্যালয়, পশ্চিম শিমলাবাৰী প্ৰাথমিক বিদ্যালয়, শান্তিপুৰ প্ৰাথমিক বিদ্যালয়, গণেশগুৰি প্ৰাথমিক বিদ্যালয়, চিচুবাৰী প্ৰাথমিক বিদ্যালয়, বৰিকাদঙা প্ৰাথমিক বিদ্যালয়, বৰিকাদঙা মিলন প্ৰাথমিক বিদ্যালয়, দক্ষিণ বৰিকাদঙা প্ৰাথমিক বিদ্যালয়, বিথৰায় প্ৰাথমিক বিদ্যালয়, গদাই শ্ৰী প্ৰাথমিক বিদ্যালয়, খৈৰাণী প্ৰাথমিক বিদ্যালয় আৰু ইন্দিৰা গান্ধী এম ই স্কুল, বৰিকাদঙা এম ই স্কুল, পাগলাদিয়াপাৰ এম ই স্কুল, আদিবাসী এম ই স্কুলৰ শিক্ষক শিক্ষয়িত্ৰী সকলে অংশগ্ৰহণ কৰি স্বাক্ষৰতা আৰু সাংখিকতাৰ বিভিন্ন শিক্ষণ শিকণ সজুঁলি প্ৰস্তুত কৰি প্ৰদৰ্শন কৰে। মণ্ডল সমল কেন্দ্ৰ সমন্বয়ক গিৰীশ বৈশ্যৰ নেতৃত্বত অনুষ্ঠিত হয় এই শিক্ষণ শিকণ সজুঁলি প্ৰদৰ্শনী মেলা। প্ৰদৰ্শনী মেলাৰ অন্তত অনুষ্ঠিত হয় এখন সভা। লিন্দা প্ৰাথমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত শিক্ষক শ্ৰীকান্ত স্বৰ্গীয়াৰীৰ সভাপতিত্ব অনুষ্ঠিত সভাত অতিথি হিচাপে অংশগ্ৰহণ কৰে অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক তথা সাংবাদিক খগেন ভূএঞা আৰু নবস্তি মজলীয়া বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক নীলকান্ত ৰাজবংশীয়ে। সভাৰ অন্তত সমল কেন্দ্ৰ পৰ্যায়ৰ শিক্ষণ শিকণ সজুঁলি প্ৰদৰ্শনীত শ্ৰেষ্ঠ বিদ্যালয় সমূহক পুৰস্কৃত কৰা হয়। সহযোগী হিচাপে অংশগ্ৰহণ কৰে ক্ৰমে মণ্ডল সমল কেন্দ্ৰ সমন্বয়ক চুডেম বড়ো, চন্দ্ৰ বড়ো, নেকিবুৰ জামান আৰু নিপুণ অসমৰ সমল ব্যক্তি দেৱেশ্বৰ ৰাজবংশীয়ে।

## শীঘ্ৰেই মেৰামতিৰ দাবীত স্থানীয় ৰাইজৰ প্ৰতিবাদ

# মৰণফাণ্ডত পৰিণত কুমুল্লীপাৰাৰ জৰাজীৰ্ণ কাঠৰ দলং



**অসম বাৰ্তা, জনীয়া, ২৪ নৱেম্বৰ ঃ** নৱগঠিত পাকাবেতবাৰী সমষ্টি তথা পূৰ্বৰ বৰপেটা বিধানসভা সমষ্টিৰ অন্তৰ্গত কুমুল্লীপাৰাৰ নুৰ হাবিব মেমৰিয়েল ছেণ্টাৰৰ গাতে লাগি থকা কাঠৰ দলংৰ বাবে দীৰ্ঘদিনে জীয়াতু ভুগিছে সৰ্বসাধাৰণ ৰাইজ। প্ৰায় ২০ বছৰ ধৰি জৰাজীৰ্ণ হৈ থকা দলংখন মেৰামতিৰ অভাৱত মৰণফাণ্ডত পৰিণত হৈ আছে। উল্লেখযোগ্য যে দলংৰ দুয়ো পাৰে দুখনকৈ বিদ্যালয়, শতাধিক স্কুলীয়া ছাত্ৰ-ছাত্ৰীয়ে বিপদ সংকুল ভাৱে নিতৌ অহা যোৱা কৰে উক্ত দলংৰে। কুমুল্লীপাৰা, গলিয়া, কাউৰজাহী, কাছুকাটিৰ লগতে কেইবাখনো গাঁও সংযোগী দলংখন মেৰামতিৰ অভাৱত জহি খহি যোৱা বাবে স্থানীয় বিধায়ক আব্দুৰ ৰহিম আহম্মেদৰ ওপৰত ক্ষোভিত হৈ ৰাইজে প্ৰতিবাদ সাব্যস্ত কৰে। আব্দুৰ ৰহিম আহম্মেদ মূৰ্দাবাদ, আব্দুৰ ৰহিম আহম্মেদ গো-বেক, দলং মেৰামতি কৰিবই লাগিব, অসম চৰকাৰ হায় হায় আদি ধ্বনিৰে উত্তাল প্ৰতিবাদ সাব্যস্ত কৰে। জানিবলৈ দিয়া মতে জনপ্ৰতিনিধি সকলে দলংখন নতুনকৈ নিৰ্মাণ কৰিবলৈ ঠিকাদাৰক কামৰ আৱণ্টন দিয়া হৈছে বুলি বছৰ বছৰ ধৰি ৰাইজক আশ্বাস দি আহিছে কিন্তু বছৰৰ পাছত পাৰ হৈ যোৱাৰ পাছতো কিয় কাম হোৱা নাই তাক লৈ প্ৰশ্ন উত্থাপন কৰি চৰকাৰৰ ওচৰত তদন্তৰ দাবী জনাই যাতায়তৰ উপযোগী কৰি দিবলৈ চৰকাৰ তথা বিভাগীয় কৰ্তৃপক্ষক অনুৰোধ জনাইছে স্থানীয় ৰাইজে।

## অভিযানত এজন ড্ৰাগছ সৰবৰাহকাৰী আটক

# তামাৰহাটৰ ভাটিপেটলাত আৰক্ষীৰ সফল ড্ৰাগছ বিৰোধী অভিযান




**অসম বাৰ্তা, গোসাঁইগাঁও, ২৪ নৱেম্বৰ ঃ** ধুবুৰী জিলাৰ তামাৰহাটৰ ভাটিপেটলা অঞ্চলত তামাৰহাট আৰু পাগলাহাট আৰক্ষীৰ যৌথ উদ্যোগত ড্ৰাগছবিৰোধী অভিযান চলাই আৰক্ষীয়ে এজন কুখ্যাত ড্ৰাগছ সৰবৰাহকাৰীক আটক কৰিবলৈ সক্ষম হয়। আৰক্ষীয়ে আটক কৰা ব্যক্তিজন গোসাঁইগাঁৱৰ ২ নং ছেৰফাংগুৰী গাঁৱৰ নাজিৰ উদ্দিন আলী বুলি চিনাক্ত কৰা হৈছে। অভিযানত নাজিৰ উদ্দিন আলীৰ পৰা চাৰিটা ড্ৰাগছ ভৰ্তি কণ্টেইনাৰসহ মুঠ ৭.২৭ গ্ৰাম ব্ৰাউন ছুগাৰ জব্দ কৰিবলৈ সক্ষম হয়। বহুদিন ধৰি ভাটিপেটলা অঞ্চলত নাজিৰ উদ্দিন আলীৰ ড্ৰাগছ সৰবৰাহ কাৰ্যকলাপ চলি আহিছে বুলি স্থানীয় লোকসকলে আৰক্ষীক অৱগত কৰে। আৰক্ষীয়ে আটক কৰা নাজিৰ উদ্দিন আলীক ঘটনাৰ সংযোগত গভীৰভাৱে সোধ-পোচ কৰি আছে। আৰক্ষীৰ এই অভিযানৰ ফলত স্থানীয় এলাকাখনত ড্ৰাগছ সৰবৰাহ নেটৱৰ্ক উৎখাত হব বুলি আশা প্ৰকাশ কৰা হৈছে।

# লামডিং চহৰত অনুষ্ঠিত হ'ব জিলা পৰ্যায়ৰ 'একতাৰ পদযাত্ৰা'

**অসম বাৰ্তা, লংকা, ২৪ নৱেম্বৰ ঃ** ভাৰতবৰ্ষৰ লৌহমানৱ শ্ৰদ্ধাৰ চৰ্দাৰ বল্লভভাই পেটেল ডাঙৰীয়াৰ ১৫০তম জন্ম জয়ন্তী উপলক্ষে আয়োজন কৰা হৈছে "চৰ্দাৰ @১৫০ ৰাষ্ট্ৰব্যাপী ঐক্যৰ পদযাত্ৰা" এই পদযাত্ৰাই ভাৰতবৰ্ষৰ ঐক্য আৰু অখণ্ডতাৰ প্ৰতি তেওঁৰ অবিশ্বৰণীয় অৱদানক শ্ৰদ্ধা, স্মৰণ আৰু "এক ভাৰত শ্ৰেষ্ঠ ভাৰত" শীৰ্ষক কাৰ্যক্ৰমৰ লগত সংগতি ৰাখি হোজাই জিলা প্ৰশাসনৰ উদ্যোগত আৰু হোজাই জিলা ক্ৰীড়া ও যুৱ কল্যাণ বিভাগ আৰু বিভিন্ন দল-সংগঠন, শিক্ষানুষ্ঠানৰ সহযোগত যোৱা ৬ নৱেম্বৰ, ২০২৫ তাৰিখে হোজাই চহৰৰ বিহুতলি খেলপথাৰত বিভিন্ন কাৰ্যসূচীৰে আয়োজন কৰা হৈছিল ঐক্যৰ পদযাত্ৰা। এই পদযাত্ৰাই হোজাই জিলাৰ জনমানসত আৰু যুৱ প্ৰজন্মৰ মাজত ব্যাপক যোগাত্মক প্ৰভাৱ বিস্তাৰ কৰিবলৈ সক্ষম হয়। কেন্দ্ৰীয় ক্ৰীড়া ও যুৱ কল্যাণ মন্ত্ৰণালয়ৰ নিৰ্দেশনা মৰ্মে হোজাই জিলা প্ৰশাসনৰ উদ্যোগত আৰু হোজাই জিলা ক্ৰীড়া ও যুৱ কল্যাণ বিভাগৰ সহযোগত অহা ইংৰাজী ২৫ নৱেম্বৰ তাৰিখে লামডিং চহৰত অতিৰিক্ত ভাৱে আয়োজিত হ'ব "ঐক্যৰ পদযাত্ৰা"। দিনৰ ১১.০০ বজাৰ পৰা অনুষ্ঠিত হ'বলগীয়া পদযাত্ৰা লামডিং শ্বহীদ ময়দানৰ পৰা আৰম্ভ কৰি কালীবাড়ি হৈ লামডিং শ্বহীদ ময়দানত অন্ত পৰিব। অনুষ্ঠিতব্য পদযাত্ৰাত হোজাই জিলাবাসী ৰাইজৰ সমান্তৰালকৈ দল-সংগঠন, সামাজিক সংস্থা আৰু বৃহত্তৰ লামডিং নাগৰিক সমাজক অংশগ্ৰহণ কৰি ঐক্যৰ পদযাত্ৰাৰ মহৎ উদ্দেশ্যক সাফল্যমণ্ডিত কৰি তুলিবলৈ হোজাই জিলা প্ৰশাসনে আহ্বান জনাইছে।

# মেৰাপানীত সদৌ অসম আদিবাসী ছাত্ৰ সন্থাৰ তীব্ৰ প্ৰতিবাদ

**অসম বাৰ্তা, মেৰাপানী, ২৪ নৱেম্বৰ ঃ** গোলাঘাট জিলাৰ মেৰাপানীত আজি ম সদৌ অসম আদিবাসী ছাত্ৰ সন্থাই এক বাইক ৰেলী কাৰ্যসূচী ৰূপায়ণ কৰে। চাহ জনগোষ্ঠীৰ জনজাতিকৰণ, চাহ শ্ৰমিকৰ মজুৰি বৃদ্ধি, ভূমি পট্টা প্ৰদান, সীমা সমস্যা আদি বিভিন্ন সমস্যা সমাধানৰ দাবীত মেৰাপানীত এক বাইক ৰেলীৰে তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰে। বিজেপি চৰকাৰ মিছলীয়া, হিমন্ত বিশ্ব শৰ্মা গ' বেক, আদি ধ্বনিৰে আজি মেৰাপানী ৰাজপথ উত্তাল কৰি তুলে। শীঘ্ৰে আদিবাসী লোক সকলক জনজাতিকৰণৰ মৰ্যাদা প্ৰদান নকৰিলে ২০২৬ ৰ নিৰ্বাচনত ইয়াৰ ফল ভোগ কৰিব লাগিব বুলি হুংকাৰ প্ৰদান কৰে।

# হাজোত অচিনাকি অৰ্ধগলিত মুণ্ডহীন মৃতদেহ উদ্ধাৰ

**অসম বাৰ্তা, হাজো, ২৪ নৱেম্বৰ ঃ** তীৰ্থ নগৰী হাজোৰ গৰুৰাচল পাহাৰৰ নামনিত এটি মুণ্ডহীন অচিনাকি অৰ্ধ গলিত মৃতদেহ উদ্ধাৰ হোৱা ঘটনাই হাজোত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। আৰক্ষী সূত্ৰ মতে বিয়লি স্থানীয় এগৰাকী মহিলাই খৰি বিচাৰিবলৈ গৈ পাহাৰৰ নামনিত এটি মুণ্ডহীন অৰ্ধগলিত মৃতদেহ দেখি ওচৰ চুবুৰীয়াক খবৰ দিয়ে। লগে লগে স্থানীয় এজন যুৱকে ঘটনা সন্দৰ্ভত হাজো আৰক্ষীক খবৰ দিয়াত ততালিকে হাজো আৰক্ষীৰ এটা দল ঘটনাস্থলীত উপস্থিত হয়। পোৱামক্কা পাহাৰৰ নামনিৰ পৰা নৱনিৰ্মিত চাৰিলেন যুক্ত ঘাইপথলৈ যোৱা পথৰ দাঁতিৰ ঘন জংঘলৰ মাজত পৰি থকা অৰ্ধগলিত মৃতদেহটো আৰক্ষীয়ে ততালিকে উদ্ধাৰ কৰি হাজো আৰক্ষী থানালৈ আনে। নীলা ৰঙৰ পেণ্ট পৰিহিত অৰ্ধ গলিত মুণ্ডহীন মৃতদেহটো এটি পুৰুষৰ বুলি চিনাক্ত কৰা হয় যদিও মৃতদেহটোৰ পৰিচয় এতিয়াও উদ্ধাৰ হোৱা নাই। আনহাতে মৃতদেহটোৰ কিছু নিলগত এটি লাওখোলা উদ্ধাৰ হোৱাক লৈ সমস্ত ঘটনা এক ৰহস্যৰ আৱৰ্তত সোমাই পৰে। ইতিমধ্যে অৰ্ধগলিত হৈ পচিবলৈ আৰম্ভ কৰা মৃতদেহটোলৈ লক্ষ্য কৰি অনুমান হয় যে প্ৰায় বিশ পচিশ দিন মান পূৰ্বে কোনো দুৰ্বৃত্তই হত্যা কৰি অচিনাকি মৃতদেহটি এনেদৰে জংঘলৰ মাজত পেলাই থৈ যোৱাৰ সন্দেহপ্ৰকাশ কৰে আৰক্ষীয়ে। বৰ্তমান মৃতদেহটি হাজো আৰক্ষী থানাৰ মৰ্গত ৰাখিছে বুলি জানিব পৰা গৈছে।

# তেজপুৰৰ দৰং মহাবিদ্যালয়ত এন চি চি দিৱস উদ্‌যাপন




**অসম বাৰ্তা, তেজপুৰ সদৰ, ২৪ নৱেম্বৰ ঃ** আজি এন চি চি পঞ্চম অসম বেটেলিয়ান, তেজপুৰে এনচিচি দিৱস দৰং মহাবিদ্যালয় প্ৰাংগনত উলহ-মালহেৰে উদ্‌যাপন কৰে। পঞ্চম অসম বেটেলিয়ানৰ কমাণ্ডিং অফিচাৰ কৰ্ণেল উন্নী কৃষ্ণনে কেডেটসকলৰ দ্বাৰা গাৰ্ড অৱ অনাৰ গ্ৰহণ কৰাৰ পাছতেই পাকিস্তানৰ সন্ত্ৰাসবাদী আক্ৰমণৰ ওপৰত এক চমু নাট ৰূপায়ণেৰে আজিৰ প্ৰতিষ্ঠা দিৱসৰ কাৰ্য্যসূচীৰ শুভাৰম্ভণি কৰা হয়। মহাবিদ্যালয়ৰ বাকৰিত গুঞ্জৰিত হৈ উঠে ভাৰত মাতা কি জয় ধ্বনি। মূলতঃ কেডেটসকলৰ মাজত দেশপ্ৰেম আৰু একতাৰ বান্ধোন কটকটীয়া কৰিবলৈ আজিৰ এই 'অপাৰেচন সিন্দুৰ'ৰ আলমত এই কাৰ্যসূচী গ্ৰহণ কৰা হয়। ইয়াৰ উপৰিও বিভিন্ন সাংস্কৃতিক কাৰ্যসূচীও অনুষ্ঠিত হয়। দৰং মহাবিদ্যালয় এনচিচি ইউনিটৰ লগত সহযোগ কৰে তেজপুৰ চৰকাৰী উচ্চতৰ মাধ্যমিক কন্যা বিদ্যালয়ৰ ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনীয়েও। আজিৰ এই গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত উপস্থিত থাকে 5 অসম বেটেলিয়ানৰ প্ৰশাসনিক বিষয়া কৰ্ণেল মাধৱ বড়ো, তেজপুৰ বিশ্ববিদ্যালয়ৰ মাছ কমিউনিকেচন বিভাগৰ মুৰব্বী ড° অভিজিত বৰা দৰং মহাবিদ্যালয়ৰ অধ্যক্ষ ড° পলাশমনি শইকীয়া, উপাধ্যক্ষ ড° প্ৰণৱজ্যোতি দাস, এনচিচিৰ বিষয়া কুলৰাম মিলি আৰু বৰ্ণালী শইকীয়া। ভাষণ প্ৰসংগত কৰ্ণেল উন্নী কৃষ্ণনে কেডেটসকলক দেশসেৱাৰ প্ৰতি নিজকে উৎসৰ্গিত কৰিবলৈ আহ্বান জনায়। অধ্যক্ষ পলাশমনি শইকীয়াই এটা শৃংখলাবদ্ধ জীৱনশৈলীয়ে কেনেকৈ সফলতা কঢ়িয়াই আনে সেই বিষয়ে এক মনোজ্ঞ আলোচনা আগবঢ়াই।

# ধুবুৰীত শিক্ষাকেন্দ্ৰিক বহু সমসাময়িক সমস্যা আৰু শিক্ষকৰ অধিকাৰ-সুবিধা সন্দৰ্ভত বৈঠক

**অসম বাৰ্তা, ধুবুৰী, ২৪ নৱেম্বৰ ঃ** ধুবুৰীত শিক্ষাকেন্দ্ৰিক বহু সমসাময়িক সমস্যা আৰু শিক্ষকৰ অধিকাৰ-সুবিধা সন্দৰ্ভত গুৰুত্বপূৰ্ণ বৈঠক অনুষ্ঠিত হয়। সদৌ অসম মাধ্যমিক স্নাতক শিক্ষক মঞ্চৰ উদ্যোগত বিদ্যাসাগৰ ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলৰ প্ৰেক্ষাগৃহত ধুবুৰীৰ মাধ্যমিক শিক্ষাকেন্দ্ৰিক বহু সমসাময়িক সমস্যা আৰু শিক্ষকৰ অধিকাৰ-সুবিধা সম্পৰ্কে বিস্তৃত আলোচনা কৰা হয়। ৰাজ্যজুৰি অংশগ্ৰহণ কৰা সদস্যসকলৰ মূল্যবান মতামতৰ ভিত্তিত শিক্ষকৰ স্বাৰ্থ ৰক্ষাৰ উদ্দেশ্যে কেইবাটাও গুৰুত্বপূৰ্ণ প্ৰস্তাৱ গৃহীত হয়। উক্ত বৈঠকত মূলত মাধ্যমিক স্নাতক শিক্ষক সকলৰ পে-বেণ্ড উন্নীত কৰাৰ প্ৰস্তাৱ গৃহীত, পে-বেণ্ড উন্নীত কৰাৰ জৰিয়তে মাধ্যমিক স্নাতক শিক্ষকৰ দৰমহাৰ সুৰক্ষা আৰু অৰ্থনৈতিক স্থিৰতা নিশ্চিত হ'ব বুলি সভাই একমত হয়। ৩১ মাৰ্চ ২০১৬ চনৰ পিছত নিযুক্তি লাভ কৰা মাধ্যমিক স্নাতক শিক্ষকসকলৰ দৰমহাৰ বিসংগতি সংশোধন কৰি অষ্টম দৰমহা আয়োগৰ প্ৰতিবেদন নিখুঁতভাৱে বাস্তবায়নৰ প্ৰস্তাৱ গৃহীত, সংশোধন আৰু সঠিক দৰমহা স্থিৰকৰণৰ বাবে শিক্ষা বিভাগে শীঘ্ৰেই পদক্ষেপ গ্ৰহণ কৰিব লাগে বুলি সভাই দাবী জনায়। সভাত সংগঠনৰ ৰাজ্যিক কমিটিৰ সভাপতি ভাস্কৰ শৰ্মা, ধুবুৰী জিলা কমিটিৰ সভাপতি আমিৰ হুচেইন আৰু সম্পাদক সমৰেন্দ্ৰ নাথ ৰায় উল্লেখ কৰে যে মাধ্যমিক স্নাতক শিক্ষক সমাজৰ ন্যায্য অধিকাৰ, কেন্দ্ৰৰ সমহাৰত দৰমহাৰ সমতা, NEP-2020ৰ নিয়ম মতে PGT আৰু TGT শিক্ষকৰ দৰমহাৰ পাৰ্থক্য হ্ৰাস কৰা আৰু শিক্ষাক্ষেত্ৰৰ সামগ্ৰিক উন্নয়নৰ প্ৰতি মঞ্চ আগলৈও দৃঢ়ভাৱে প্ৰচেষ্টা অব্যাহত ৰাখিব। শেষত সকলো শিক্ষক সদস্যৰ সহযোগিতাৰ বাবে কৃতজ্ঞতা জ্ঞাপন কৰি সংগঠনটোক আগন্তুক দিনত অধিক শক্তিশালী কৰিবলৈ একতাবদ্ধভাৱে কাম কৰাৰ আহ্বান জনোৱা হয়।

# দোতমাত দাওহাৰু মুংখ্‌লং ট্ৰফী- ২০২৫ৰ ব্যাপক প্ৰস্তুতি



**অসম বাৰ্তা, দোতমা, ২৪ নৱেম্বৰ ঃ** দোতমাত প্ৰতিবছৰৰ দৰে ২০২৫ ৰ ২৭ সংখ্যক "দাওহাৰু মুংখ্লং ট্ৰফী" ফুটবল খেলখন আয়োজন কৰাৰ উদ্দেশ্যৰে বিভিন্ন উপসমিতিৰ লগত আলোচনা সভা অনুষ্ঠিত হয়। উক্ত খেলখনত অসমৰ লগতে বিভিন্ন ৰাজ্যৰ খেলুৱৈ দলে অংশ গ্ৰহণ কৰিব বুলি আয়োজক সমিতিয়ে জানিবলৈ দিয়ে। আজিৰ সভাত দাওহাৰু মুংখলংট্ৰফীৰ সভাপতি তথা ই এম প্ৰকাশ বসুমাতাৰী উপস্থিত থাকে। আয়োজক সমিতিয়ে জনোৱা মতে অহা ইংৰাজী ১০-১২-২০২৫ৰ পৰা আৰম্ভ হৈ ২১-১২-২০২৫ তাৰিখে ফাইনেল খেলখন অনুষ্ঠিত হ'ব। খেলখন মুখ্য অতিথি হিচাবে হাগ্ৰামা মহিলাৰীয়ে আৰম্ভণি কৰিব। আয়োজক সমিতিয়ে সমগ্ৰ অসমবাসী ৰাইজক খেলখন উপভোগ কৰিবলৈ আহ্বান জনায়। "দাওহাৰু মুংখ্লং ট্ৰফী" হৈছে কোকৰাঝাৰ জিলাৰ দোতমাত অনুষ্ঠিত হোৱা এক বাৰ্ষিক ফুটবল প্ৰতিযোগিতা। এই ফুটবল প্ৰতিযোগিতাখন প্ৰতি বছৰে বড়োলেণ্ড আন্দোলনত আত্মবলিদান দিয়া বড়ো শ্বহীদসকলৰ স্মৃতিত আয়োজন কৰা হয়। এই খেলখন দোতমা আঞ্চলিক ক্ৰীড়া সন্থা চমুকৈ DASA ই আয়োজন কৰে। অসমৰ লগতে পশ্চিম বংগ, মেঘালয়, মধ্যপ্ৰদেশ, ছিকিম আদি বিভিন্ন ৰাজ্যৰ দলসমূহে এই প্ৰতিযোগিতাত অংশগ্ৰহণ কৰে।

# অবিভক্ত দৰং জিলা কোচ ৰাজবংশী সন্মিলনী শতবৰ্ষ উদ্‌যাপনৰ লাইখুঁটা স্থাপন

**অসম বাৰ্তা, পাথৰিঘাট, ২৪ নৱেম্বৰ ঃ** দৰঙৰ দীঘিৰপাৰ শ্ৰীশ্ৰীহৰি মন্দিৰ প্ৰাংগণত সদৌ কোচ ৰাজবংশী সন্মিলনীৰ (ৰাইজমেল) প্ৰতিষ্ঠাপক সভাপতি বসুন্ধৰ বৰুৱা (মৌজাদাৰ) আৰু বিৰহু বৰুৱা (মণ্ডল) সোঁৱৰণী ক্ষেত্ৰত স্থাপন কৰা হয় অবিভক্ত দৰং জিলা কোচ ৰাজবংশী সন্মিলনীৰ শতবৰ্ষ উদযাপনৰ লাইখুঁটা। আয়তীৰ উৰুলি, শংখ ধ্বনি, পুৰোহিতৰ মন্ত্ৰোচ্চাৰণৰ মাজত লাইখুটা স্থাপন কৰে সদৌ দৰং কোচ ৰাজবংশী সন্মিলনীৰ প্ৰাক্তন সভাপতি কমিৰাম বৰুৱা আৰু সদৌ দৰং কোচ ৰাজবংশী সন্মিলনীৰ প্ৰাক্তন উপ-সভাপতি গৌতম বৰুৱাই। পুৱা লাইখুঁটা স্থাপনৰ বন্তি প্ৰজ্বলন কৰে সদৌ দৰং কোচ ৰাজবংশী সন্মিলনীৰ সভাপতি ৰজত চন্দ্ৰ ডেকাই। লাইখুঁটা স্থাপনৰ মাঙ্গলিক কাৰ্য সম্পাদন কৰে জুৰণ চহৰীয়া, জীৱন ডেকা আৰু ভাস্কৰ ডেকাই। কেবা শতাধিক ৰাইজে অংশগ্ৰহণ কৰা লাইখুঁটা স্থাপন অনুষ্ঠানত শতবৰ্ষ উদযাপন সমিতিৰ মুখ্য সম্পাদক ধীৰেন ডেকাই আঁতধৰা শতবৰ্ষ উদ্‌যাপন সমিতিৰ সভাপতি ড° পৰমানন্দ ৰাজবংশীৰ সভাপতিত্বত শতবৰ্ষ উদ্‌যাপনৰ বিভিন্ন উপ-সমিতিৰ অগ্ৰগতি পৰ্যালোচনা সভা অনুষ্ঠিত হয়। অনুষ্ঠাত কোচ ৰাজবংশীৰ কৃষ্টি প্ৰদৰ্শন কৰা হয়। উল্লেখ্য যে অহা১২, ১৩ আৰু১৪ ডিচেম্বৰ ২০২৫ তাৰিখে অনুষ্ঠিত হ'ব সন্মিলনীৰ শতবৰ্ষ অনুষ্ঠান। ইতিমধ্যে কেবাখনো উপ সমিতিৰে গঠন কৰিছে মূল শতবৰ্ষ উদ্‌যাপন সমিতি।

## দাখিল কৰা হ'ব ১৯৮৩ৰ নেলীৰ গণহত্যাৰ ত্ৰিভুৱন প্ৰসাদ

ব্যক্তিগত সদস্যৰ কাৰ্যক্ৰমণিকাৰ বাবে ৰখা হৈছে। অধিৱেশনৰ কেউটাদিনতে প্ৰশ্নোত্তৰ কাল থাকিব। আমাৰ বিশেষ সংবাদদাতাই জনোৱা মতে অসম মন্ত্ৰীসভাই লোৱা সিদ্ধান্ত অনুসৰি ১৯৮৩ চনত নেলীত সংঘটিত গণহত্যাৰ তদন্ত কৰা ত্ৰিভুৱন প্ৰসাদ তিৱাৰী আয়োগৰ প্ৰতিবেদন এইবাৰৰ অধিৱেশনত দাখিল কৰা হ'ব। তদুপৰি প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যুৰ প্ৰসংগ, ছয় জনগোষ্ঠীৰ জনজাতিকৰণ আৰু সাংসদ গৌৰৱ গগৈ আৰু তেওঁৰ পৰিয়ালৰ পাকিস্তান সংযোগ বিষয়ক প্ৰসংগই এইবাৰৰ অধিৱেশনত বিশেষ গুৰুত্ব লাভ কৰাৰ সম্ভাৱনা আছে। আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে অধিৱেশনৰ দিনকেইটাত নিশা ৯ বাজি ১৫ মিনিটৰ পৰা বিধানসভাত আজিৰ দিনটো প্ৰচাৰ কৰিব।

## ট্ৰাম্পৰ বয়কট! জি-২০ৰ প্ৰথম দিনাই ঘোষণাপত্ৰ

একমত হৈ প্ৰথম দিনাই ঘোষণাপত্ৰ গ্ৰহণ কৰি আমেৰিকাক স্পষ্ট বাৰ্তা দিলে যে, তেওঁলোকৰ আপত্তিৰ বাবে বিশ্বৰ এজেণ্ডা স্থগিত নাৰাখে। সাধাৰণতে জি-২০ৰ ঘোষণাপত্ৰ অন্তিম দিনা গৃহীত হয়, কিন্তু এইবাৰ দক্ষিণ আফ্ৰিকাৰ নেতৃত্বত ব্যতিক্ৰমী ঘটনা সংঘটিত হ'ল। সন্মিলন আৰম্ভ হোৱাৰ প্ৰথম দিনাই জলবায়ু পৰিৱৰ্তন, বৈশ্বিক ঋণ সংকট, বাণিজ্য সংস্কাৰকে ধৰি সকলো স্পৰ্শকাতৰ বিষয়ত সৰ্বসন্মতিক্ৰমে ঘোষণাপত্ৰ মঞ্জুৰ হৈছে। চীনৰ ৰাষ্ট্ৰপতি শ্বি জিনপিঙ আৰু ৰাছিয়াৰ ৰাষ্ট্ৰপতি ভ্লাদিমিৰ পুটিন উপস্থিত থকা এই সন্মিলনত আমেৰিকাৰ চকী সম্পূৰ্ণ খালী হৈ ৰ'ল। ঘোষণাপত্ৰ গৃহীত হোৱাৰ পিছত দক্ষিণ আফ্ৰিকাৰ ৰাষ্ট্ৰপতি চিৰিল ৰামাফ'ছাই সংবাদ মাধ্যমৰ আগত স্পষ্টভাৱে ক'লে, "এই ঘোষণাপত্ৰৰ বাবে আমি এবছৰ ধৰি কঠোৰ পৰিশ্ৰম কৰিছোঁ। এতিয়া কোনো এখন দেশৰ বাবে ইয়াক পুনৰ বিবেচনা কৰাৰ কোনো প্ৰশ্নই নুঠে।" এই মন্তব্যক আমেৰিকাৰ প্ৰতি পোনপটীয়া জবাব বুলি ৰাজনৈতিক বিশ্লেকসকলে মন্তব্য কৰিছে। আন এক উল্লেখযোগ্য ঘোষণাত ৰামাফ'ছাই জনালে যে, পৰৱৰ্তী জি-২০ সন্মিলনৰ অধ্যক্ষতাৰ দায়িত্ব আমেৰিকাৰ হ'লেও, ট্ৰাম্পে যদি নিজে উপস্থিত নহয় আৰু কেৱল কোনো বিষয়া পঠিয়ায়, তেন্তে সেই বিষয়াক অধ্যক্ষতাৰ দায়িত্ব দিয়া নহ'ব। "খালী চকীয়েহে পৰৱৰ্তী অধ্যক্ষতা গ্ৰহণ কৰিব" বুলি দক্ষিণ আফ্ৰিকাৰ ৰাষ্ট্ৰপতিয়ে কোৱা কথাই বিশ্ব ৰাজনীতিত নতুন চাঞ্চল্যৰ সৃষ্টি কৰিছে। ইপিনে, ভাৰতৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী এই সন্মিলনত সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰি আছে। দেওবাৰে তেওঁ দক্ষিণ আফ্ৰিকাৰ ৰাষ্ট্ৰপতি চিৰিল ৰামাফ'ছাৰ সৈতে দ্বিপাক্ষিক বৈঠকত মিলিত হয় আৰু বাণিজ্য, প্ৰযুক্তি, পৰিবেশ আদি বিষয়ত ফলপ্ৰসূ আলোচনা কৰে। তদুপৰি ভাৰত-ব্ৰাজিল-দক্ষিণ আফ্ৰিকা (IBSA) শীৰ্ষ বৈঠকতো প্ৰধানমন্ত্ৰী মোদীয়ে অংশগ্ৰহণ কৰি গ'-বৈল ছাউথৰ সহযোগিতাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। ট্ৰাম্পৰ এই বয়কটে জি-২০ৰ ঐক্যবদ্ধতাক প্ৰভাৱিত কৰা নাই বুলি প্ৰমাণ কৰি দক্ষিণ আফ্ৰিকাৰ নেতৃত্বত সন্মিলন সফলতাৰে আগবাঢ়ি গৈ আছে।

## ১৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথত অভাৰলোড বালি, কয়লা ভৰ্তি

যুক্ত পথলৈ উন্নীতকৰণৰ কাম চলি আছে, সেয়ে বিভিন্ন ঠাইত পথ সমূহ খলা-বমা আৰু জৰাজীৰ্ণ অৱস্থাত আছে। সেয়ে অসাৱধানতাৰে বাহন চলোৱা আৰু অতিৰিক্ত বোজাইদিট্ৰাক ডাম্পাৰ চলোৱাটো অতি বিপদজনক হিচাপে পৰিগণিত হৈছে। তাৰ পাছতো অতিৰিক্ত ভাবে কয়লা বালি কঢ়িওৱা ট্ৰাক আৰু ডাম্পাৰ সমূহে বিপদজনক ভাবে চলাচল কৰা পৰিলক্ষিত হয়। যাৰ ফলত কয়লা ভৰ্তি ট্ৰাক সমূহ ১৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ বিভিন্ন স্থানত প্ৰায় প্ৰতিদিনে দুৰ্ঘটনাত পতিত হৈ পথৰ ওপৰত বাগৰি পৰে আৰু যান-যঁটৰ সৃষ্টি কৰে। অকল সেয়াই নহয় এনে দুৰ্ঘটনাত যানবাহনৰ ক্ষতি হোৱাৰ লগতে মানুহৰ জীৱনলৈ শংকা নামি আহে। আনহাতে ১৭নং ৰাষ্ট্ৰীয় ঘাইপথত অভাৰলোড বালিভৰ্তি ডাম্পাৰ সমূহে সঘনাই দুৰ্ঘটনা কৰাৰ সমান্তৰালকৈ আন বাহনৰ সৈতে মুখামুখি সংঘৰ্ষ হৈ পথচাৰীক গুৰুতৰ ভাবে আহত কৰা পৰিলক্ষিত হৈছে। শেহতীয়াকৈ দুধনৈত বালি কঢ়িওৱা ডাম্পাৰৰ খুন্দাত গুৰুতৰভাবে আহত হৈছে চাইকেল আৰোহী আৰু অটো আৰোহী। ইপিনে এনে কয়লা ভৰ্তি ট্ৰাক সমূহ কেতিয়া পথচাৰীৰ ওপৰত বা অন্য বাহনৰ ওপৰত বাগৰি পৰে তাৰ কোনো ঠিক নাই। কিন্তু ইয়াৰ পাছতো আৰক্ষী প্ৰশাসন আৰু পৰিবহণ বিভাগে ইয়াৰ বিৰুদ্ধে কোনো ব্যৱস্থা গ্ৰহণ কৰা পৰিলক্ষিত হোৱা নাই। নিতৌ অবৈধ ভাবে অতিৰিক্ত কয়লা বালি ভৰ্তি ট্ৰাক সমূহ চলি আছে ১৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথেৰে। সততে প্ৰদূষণ আৰু তীব্ৰ গতিত বাহন চলোৱাৰ অভিযোগত চালান কটা পৰিবহণ বিভাগে এই অতিৰিক্ত ভাবে কয়লা বালি কঢ়িওৱাট্ৰাক সমূহৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ কৰিব নে? এয়া সচেতন লোকৰ প্ৰশ্ন।

## মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ স্পষ্ট ঘোষণা

ল'ব পৰা নাই। এই পৰিপ্ৰেক্ষিতত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি এক অতি গুৰুত্বপূৰ্ণ মত প্ৰকাশ কৰি কয় যে, সংগঠনটোৰ মুখ্য সেনাধ্যক্ষ পৰেশ বৰুৱা নিজে আলোচনাৰ টেবুলত নাহিলে কোনো শান্তি চুক্তি সম্ভৱ নহয়। দেওবাৰে পৰেশ বৰুৱাৰ অন্যতম ঘনিষ্ঠ সহযোগী তথা আলফা স্বাধীনৰ মেজৰ জেনেৰেল অৰুণোদয় দহোতীয়াই আত্মসমৰ্পণ কৰাৰ পিছতে মুখ্যমন্ত্ৰীগৰাকীয়ে সংবাদ মাধ্যমৰ আগত এই মন্তব্য কৰে। তেওঁ স্পষ্টভাৱে কয়, "পৰেশ বৰুৱাই ব্যক্তিগতভাৱে আলোচনাত অংশগ্ৰহণ কৰিবলৈ ইচ্ছুক হ'লে আৰু কেৱল তেতিয়াহে আলফা স্বাধীনৰ সৈতে শান্তি আলোচনা আগুৱাই নিব পৰা যাব। তেওঁৰ উপস্থিতি অবিহনে হোৱা যিকোনো আলোচনা কেৱল আনুষ্ঠানিকতা হৈ থাকিব আৰু ফলপ্ৰসূ নহ'ব।" মুখ্যমন্ত্ৰীয়ে লগতে উল্লেখ কৰে যে, চৰকাৰে বাৰে বাৰে শান্তি আলোচনাৰ আহ্বান জনাই আহিছে, কিন্তু পৰেশ বৰুৱাই এতিয়ালৈকে এই আহ্বানৰ প্ৰতি কেতিয়াও ইতিবাচক সঁহাৰি জনোৱা নাই। "তেওঁৰ ইচ্ছা আৰু সহযোগিতা অবিহনে প্ৰকৃত অৰ্থত শান্তি প্ৰক্ৰিয়া আগুৱাব নোৱাৰি, "বুলি তেওঁ দৃঢ়তাৰে মন্তব্য কৰে। উল্লেখ্য যে, দেওবাৰে অৰুণাচল প্ৰদেশৰ পাংছাউ পাছৰ নিকটৱৰ্তী ভাৰত-ম্যানমাৰ সীমান্তত অৰুণোদয় দহোতীয়াই নিজৰ ব্যক্তিগত দেহৰক্ষী ফ্ৰাঞ্চিছ অসমৰ সৈতে একেলগে অস্ত্ৰসমেত আত্মসমৰ্পণ কৰে। বিগত কেইবছৰমানৰ ভিতৰত সদস্য সংগ্ৰহ, ধন দাবীকে ধৰি বহুতো গুৰুতৰ অভিযোগ তেওঁৰ বিৰুদ্ধে উত্থাপিত হৈ আহিছিল। পৰেশ বৰুৱাৰ অতি বিশ্বাসযোগ্য সহযোগী হিচাপে পৰিচিত দহোতীয়াৰ এই আত্মসমৰ্পণে আলফা স্বাধীনৰ পৰেশ বৰুৱাপন্থী শিবিৰত যথেষ্ট ধ্বংসাত্মক প্ৰভাৱ পেলোৱা বুলি ৰাজনৈতিক আৰু নিৰাপত্তা বিশ্লেষকসকলে মত প্ৰকাশ কৰিছে। মুখ্যমন্ত্ৰীৰ এই স্পষ্ট অৱস্থানৰ পিছত আলফা স্বাধীনৰ সৈতে শান্তি আলোচনাৰ ভৱিষ্যত এতিয়া তিনি দশকৰো অধিক সময় ধৰি ম্যানমাৰত আত্মগোপন কৰি থকা পৰেশ বৰুৱাৰ সিদ্ধান্তৰ ওপৰত সম্পূৰ্ণৰূপে নিৰ্ভৰশীল হৈ পৰিছে।

## আলফা (স্বাঃ)ত যোগদান কৰিবলৈ যোৱা তিনি যুৱকক

যোৱা তিনি (৩) গৰাকী যুৱকক আটক কৰে ভাৰতীয় সেনা বাহিনীয়ে। প্ৰাপ্ত তথ্য অনুসৰি অৰুণাচল প্ৰদেশৰ খাৰচাংৰ পৰা আজি ভাৰতীয় সেনা বাহিনীয়ে আটক কৰে যুৱক তিনি জনক। আলফা(স্বাধীন)ত যোগদান কৰিবলৈ গৈ সেনা বাহিনীৰ চক্ৰ বেহুত পৰি আটকাধীন হোৱা যুৱক কেইজনৰ ঘৰ কাকপথাৰৰ মাইথং গাঁৱত বুলি জানিব পৰা গৈছে। জানিব পৰা অনুসৰি যুৱক কেইজনৰ নাম নবুত্তম বাউলাৰি, জয়ন্ত কোঁৱৰ আৰু মনজিৎ নেওঁগ। যুৱক কেইজন বাংগালোৰত কৰ্মৰত হৈ আছিল যদিও যোৱা পাঁচ দিন ধৰি আলফা স্বাধীনত যোগদান কৰিবলৈ অৰুণাচল প্ৰদেশৰ খাৰচাংত বাহৰ পাতি আছিল। বাহৰ পাতি থকা অৱস্থাতেই ভাৰতীয় সেনা বাহিনীয়ে যুৱক তিনি জনক আটক কৰিবলৈ সক্ষম হয়।

## ১২৬টা সমষ্টিতে এনডিএৰ প্ৰাৰ্থী দিয়াৰ ঘোষণা

নৱনিৰ্মিত কাৰ্যালয়-অতিথিশালা আৰু ৰঙিয়াৰ নতুন ক্লক টাৱাৰ উদ্বোধন কৰাৰ পিছতে 'উদ্যমিতা' আঁচনিৰ চেক বিতৰণ কাৰ্যসূচীত ভাষণ দি মুখ্যমন্ত্ৰীয়ে কয়, "বিৰোধীয়ে কয় চৰকাৰে হিতাধিকাৰী সৃষ্টি কৰিছে। হয়, আমি হিতাধিকাৰী সৃষ্টি কৰিছোঁ। যুৱকক চাকৰি দিলে সি হিতাধিকাৰী, লাখপতি বাইদেউ কৰিলে তেওঁ হিতাধিকাৰী, বৃদ্ধক পেঞ্চন দিলে তেওঁ হিতাধিকাৰী। কিন্তু কংগ্ৰেছৰ হিতাধিকাৰী মানে যিগৰাকীক বিধায়ক বনাই দিয়ে, সেইগৰাকীহে" ৰঙিয়াতে প্ৰায় ৩৩ হাজাৰ মহিলাক ১০ হাজাৰ টকাৰ চেক বিতৰণ কৰি মুখ্যমন্ত্ৰীয়ে জনালে যে জানুৱাৰীৰ ভিতৰত ৰাজ্যৰ ৩২ লাখ মহিলাক এই আঁচনিৰ আওতাত অনা হ'ব। কাইলৈৰ পৰা আৰম্ভ হ'বলগীয়া বিধানসভাৰ শীতকালীন অধিৱেশনক "ঐতিহাসিক" বুলি অভিহিত কৰি তেওঁ কয়, "বহুবিবাহ নিষিদ্ধকৰণৰ পৰা আৰম্ভ কৰি চাহ-বাগিচাৰ শ্ৰমিকসকলক ভূমি পট্টা প্ৰদানলৈকে মুঠ ২৭খন গুৰুত্বপূৰ্ণ বিধেয়ক উত্থাপন কৰা হ'ব।" আগন্তুক বিধানসভা নিৰ্বাচনৰ প্ৰসংগত মুখ্যমন্ত্ৰীয়ে স্পষ্ট কৰি দিলে, "১২৬টা সমষ্টিতে এনডিএৰ প্ৰাৰ্থী থিয় হ'ব। জনতাই যাক বিচাৰে, তাকেই টিকট দিয়া হ'ব। ১০৩টা সমষ্টিত আমি জয়ৰ বাবে সম্পূৰ্ণ শক্তিৰে যুঁজিম। ২২-২৩টা সমষ্টিত জনগাঁথনিগত সমস্যা আছে, তাত জয়ৰ পৰিৱেশ নাই। AGPৰ সমষ্টি যদি বিজেপিয়ে বিচাৰে, তাৰ সলনি অন্য সমষ্টি এৰি দিয়া হ'ব। মিত্ৰতাৰ ধৰ্ম পালন কৰি আমি আগবাঢ়িম।" বিৰোধীক লৈ কটাক্ষ কৰি তেওঁ কয়, "বিজেপিৰ অগ্ৰগতি দেখি বিৰোধীয়ে ভয়ত পলাই ফুৰিছে। জুবিন গাৰ্গৰ চাৰ্জশ্বীট দাখিলৰ পিছতে গৌৰৱ গগৈৰ পাকিস্তান সংযোগ পুনৰ্বাৰ ৰাজহুৱা কৰিম।" ৰঙিয়াৰ এই কাৰ্যসূচীত মুখ্যমন্ত্ৰীয়ে স্পষ্ট কৰি দিলে যে আগন্তুক নিৰ্বাচনত জনতাৰ পছন্দক সৰ্বোচ্চ গুৰুত্ব দিয়া হ'ব আৰু এনডিএই ৰাজ্যত পুনৰবাৰ ক্ষমতালৈ আহিব।

## বলীউডৰ 'হি-মেন' ধৰ্মেন্দ্ৰৰ দেহাৱসান

সপ্তাহমান ধৰি অভিনেতাগৰাকীৰ শাৰীৰিক অৱস্থা অতি সংকটজনক আছিল। ৩১ অ'ক্টোবৰত মুম্বাইৰ ব্ৰীচ কেণ্ডি হাস্পতালত নিয়মীয়া পৰীক্ষাৰ বাবে গৈছিল তেওঁ। পৰীক্ষাৰ ফলত কিছু জটিলতা ধৰা পৰাত চিকিৎসকসকলে তেওঁক কাঢ়া পৰ্যবেক্ষণত (ICU) ৰাখিছিল আৰু কেইদিনমান ভেণ্টিলেটৰতো ৰখা হৈছিল। পিছত অৱস্থা কিছু স্থিতিশীল হোৱাত ঘৰলৈ অনা হৈছিল যদিও শেষ পৰ্যন্ত তেওঁক ৰক্ষা কৰিব পৰা নগ'ল। অন্তিম মুহূৰ্তত পত্নী তথা স্বয়ং বলীউডৰ 'ড্ৰিম গাৰ্ল' হেমা মালিনী, পুত্ৰদ্বয় ছানী দেওল আৰু বৰী দেওল, কন্যা ঈশা দেওল, আহানা দেওল আৰু পৰিয়ালৰ আন সদস্যসকল তেওঁৰ কাষতে আছিল। ১৯৩৫ চনৰ ৮ ডিচেম্বৰত পঞ্জাৱৰ ফগৱাৰাৰ এটা সাধাৰণ পৰিয়ালত জন্মগ্ৰহণ কৰা ধৰম সিং দেওলে ১৯৬০ চনত 'দিল ভি তেৰা হম ভি তেৰে' ছবিৰে বলীউডত প্ৰৱেশ কৰিছিল। প্ৰথম দশকতে 'আয়ে দিন বাহাৰ কে', 'ফুল ঔৰ পথ্‌থৰ', 'আয়ে মিলন কি বেলা' আদি ছবিৰে তেওঁ ব' অফিচৰ সুপাৰষ্টাৰ হৈ পৰিছিল। ১৯৭০-৮০ৰ দশকত 'শ্বোলে'ৰ বীৰু, 'চুপকে চুপকে'ৰ প্যায়াৰী চৰিত্ৰ, 'সীতা ঔৰ গীতা', 'প্ৰতিজ্ঞা', 'যমলা পাগলা দীৱানা', 'ধৰম বীৰ', 'ৰাজা জানী' আদি ছবিৰে তেওঁ বলীউডৰ একচেটিয়া একচন-ৰোমাণ্টিক হিৰো হিচাপে স্থান লাভ কৰিছিল। ছয় দশকতকৈও অধিক সময়ৰ কেৰিয়াৰত তেওঁ ৩০০ৰো অধিক ছবিত অভিনয় কৰিছে আৰু দুটা ফিল্মফেয়াৰ বঁটা লাভ কৰিছে। পদ্মশ্ৰী আৰু পদ্মভূষণৰে সন্মানিত এই কিংবদন্তিৰ বিয়োগত সমগ্ৰ চলচ্চিত্ৰ জগত শোকস্তব্ধ। ধৰ্মেন্দ্ৰৰ মৃত্যুৰ খবৰ প্ৰকাশ পোৱাৰ পিছতে সামাজিক মাধ্যমত ভক্ত-অনুৰাগীৰ শ্ৰদ্ধাঞ্জলিৰ ব্ৰততি লাগি গৈছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ পৰা আমিৰ খান, অক্ষয় কুমাৰ, সলমান খানলৈ সকলোৰে তেওঁৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিছে। বলীউডত এটা যুগৰ অন্ত পৰিল। 'বস্, এইটা কি হো গৈল?' বুলি বীৰুৰ সেই কিংবদন্তি ডায়লগটোৰে আজি সকলোৰে মনত প্ৰতিধ্বনিত হৈ আছে।

## নতুন মুখ্য ন্যায়াধীশৰ প্ৰথম দিনাই বি আৰ গাভাইৰ উদাৰতা

হৃদয়স্পৰ্শী দৃশ্যৰ সাক্ষী হ'ল দেশবাসী। বিদায়ী মুখ্য ন্যায়াধীশ বি আৰ গাভায়ে নিজৰ সৰ্বোচ্চ পদৰ শেষ মুহূৰ্তটোতো সৰলতা আৰু নীতিৰ এক উজ্জ্বল দৃষ্টান্ত স্থাপন কৰিলে। শপত গ্ৰহণ অনুষ্ঠান শেষ হোৱাৰ পিছতে নতুন মুখ্য ন্যায়াধীশ সূৰ্যকান্ত ৰাষ্ট্ৰপতি ভৱনৰ পৰ্টিক'ত থিয় হৈ আছিল। তেতিয়া মুখ্য ন্যায়াধীশৰ বাবে নিৰ্দিষ্ট মাৰ্চিডিজ বেঞ্জ গাড়ীখন তেওঁৰ সন্মুখত ৰখা হ'ল। কিন্তু কেইমিনিটমান আগতে সেই একে গাড়ীতে বিদায়ী চিজেআই বি আৰ গাভাই আহিছিল বাবে নতুন চিজেআই কিছু সংকোচত পৰিল। পৰিস্থিতি সহজ কৰি গাড়ীৰ চালকজনে নামি আহি সূৰ্যকান্তক সন্মানেৰে গাড়ীত উঠিবলৈ অনুৰোধ জনালে। তেওঁ জনালে যে বিদায়ী মুখ্য ন্যায়াধীশ গাভায়ে ইতিমধ্যে চৰকাৰী বাহন ত্যাগ কৰিছে আৰু নিজৰ ব্যক্তিগত গাড়ীতে ঘৰলৈ উভতি গৈছে। গাভায়ে স্পষ্টকৈ নিৰ্দেশ দিছিল যে তেওঁ ৰাষ্ট্ৰপতি ভৱনলৈ চৰকাৰী গাড়ীত আহিব, কিন্তু ঘৰলৈ নিজৰ বাহনতেই যাব আৰু নতুন মুখ্য ন্যায়াধীশে প্ৰথম দিনাৰ পৰাই সেই চৰকাৰী বাহন ব্যৱহাৰ কৰক। উচ্চতম ন্যায়ালয়ৰ সূত্ৰই প্ৰকাশ কৰে যে এয়া এক বিৰল নজিৰ। নিয়ম অনুসৰি শপত গ্ৰহণৰ আগলৈকে বিদায়ী মুখ্য ন্যায়াধীশে সকলো সুবিধা ভোগ কৰিব পাৰে। সেইমতে সোমবাৰে পুৱাই চৰকাৰী গাড়ীখন গাভাইৰ বাসভৱনলৈ পঠোৱা হৈছিল। কিন্তু গাভায়ে নিজৰ ব্যক্তিগত গাড়ীও কনভয়ৰ লগত লৈ আহিছিল আৰু ৰাষ্ট্ৰপতি ভৱনৰ পৰা চালকক ধন্যবাদ জনাই নিজৰ বাহনতেই ঘৰলৈ গুচি যায়। এই উদাৰতাৰ জৰিয়তে ন্যায়াধীশ বি আৰ গাভায়ে ক্ষমতাৰ শেষ মুহূৰ্ততো সৰলতা আৰু নীতিৰ এক শক্তিশালী বাৰ্তা দিলে। বিশেষকৈ সেইসকল প্ৰভাৱশালী ব্যক্তিৰ প্ৰতি যিসকলে অৱসৰৰ বহু পিছতো চৰকাৰী আৱাস, গাড়ী আৰু অন্যান্য সুবিধা এৰিব নিবিচাৰে, তেওঁলোকৰ বাবে এয়া এক স্পষ্ট সংকেত। দিল্লীত এনে প্ৰৱণতি নতুন নহয়। প্ৰাক্তন মুখ্য ন্যায়াধীশ ডি ৱাই চন্দ্ৰচুদৰ নামো এই সন্দৰ্ভত উত্থাপিত হৈছে, যিজনে অৱসৰৰ বহু পিছতো চৰকাৰী বাংলোত থকাৰ অভিযোগ উত্থাপন হৈছিল। একেদৰে কেন্দ্ৰীয় মন্ত্ৰী চিৰাগ পাছৱানকো দুবছৰ আগতে পিতৃ প্ৰয়াত ৰামবিলাস পাছৱানৰ চৰকাৰী বাংলোৰ পৰা বলপূৰ্বকভাৱে উচ্ছেদ কৰিবলগীয়া হৈছিল। বি আৰ গাভাইৰ এই সিদ্ধান্তই দেশৰ ক্ষমতাশালী লোকসকলৰ বাবে এক নতুন মানদণ্ড স্থাপন কৰিলে বুলি আইনী মহলে মন্তব্য কৰিছে। ক্ষমতা সৰলতাৰে ত্যাগ কৰাটোৱেই প্ৰকৃত নেতৃত্বৰ চিন বুলি তেওঁ প্ৰমাণ কৰি গ'ল।

## টাই-আহোম ৰীতি নীতিৰে উদযাপিত হ'ল লাচিত দিৱস

চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ উদ্যোগত আৰু যোৰহাট জিলা প্ৰশাসনৰ সহযোগত আয়োজিত এই কাৰ্যসূচীত সাংস্কৃতিক বিভাগৰ মন্ত্ৰী বিমল বৰা, কেন্দ্ৰীয় মন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটা, সাংসদ কামাখ্যা প্ৰসাদ তাছা, বিধায়ক হিতেন্দ্ৰ নাথ গোস্বামী, ৰূপজ্যোতি কুৰ্মীকে ধৰি কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকে। পুৱাৰে পৰাই লাচিত মৈদামত টাই-আহোম পৰম্পৰাৰে মৈদাম তৰ্পণ, পূজা-অৰ্চনা আৰু শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰা হয়। বিশিষ্ট অতিথিসকলে লাচিতৰ আদৰ্শক আঁত ধৰি অসমৰ নৱপ্ৰজন্মক আগবাঢ়ি যোৱাৰ আহ্বান জনায়। কাৰ্যসূচীত ভাষণ দি মন্ত্ৰী বিমল বৰাই কয়, "লাচিত বৰফুকনৰ বীৰত্ব আৰু ত্যাগৰ বাবেই আজি অসমত বিভিন্ন জাতি-জনগোষ্ঠী, ভাষা-ভাষী সকলোৰে একত্ৰিত হৈ শান্তিপূৰ্ণ জীৱন-যাপন কৰিব পাৰিছে। শৰাইঘাটৰ যুঁজত মোগলৰ আগ্ৰাসন ৰোধ কৰি তেওঁ অসমৰ স্বাধীনতা আৰু সাৰ্বভৌমত্ব ৰক্ষা কৰিছিল। তেওঁৰ সেই সাহস আৰু দেশপ্ৰেমে প্ৰজন্মৰ পৰা প্ৰজন্মলৈ আমাক উজ্জীৱিত কৰি থাকিব।" মন্ত্ৰীগৰাকীয়ে লগতে জনায় যে প্ৰায় ১৫০ কোটি টকা ব্যয় সাপেক্ষে লাচিত মৈদাম প্ৰাঙ্গণত নিৰ্মাণাধীন "বীৰ লাচিত বৰফুকন স্মৃতি প্ৰকল্প"ৰ কাম আহিলোতে জানুৱাৰীৰ প্ৰথম সপ্তাহৰ ভিতৰত সম্পূৰ্ণ হ'ব আৰু পৰ্যটকৰ বাবে মুকলি কৰা হ'ব। অনুষ্ঠানত বিভিন্ন সাংস্কৃতিক দলৰ পৰিৱেশনেৰে লাচিত দিৱসৰ পৱিত্ৰতা আৰু গাম্ভীৰ্য অক্ষুণ্ণ ৰখা হয়। হাজাৰ হাজাৰ লোকে লাচিতৰ স্মৃতিৰ সন্মুখত মূৰ দোঁৱাই শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে আৰু অসমীয়া জাতিৰ গৌৰৱময় ইতিহাসৰ এই মহানায়কক স্মৰণ কৰে। লাচিত দিৱসে প্ৰতি বছৰে অসমীয়াৰ মাজত দেশপ্ৰেম আৰু ঐক্যৰ বাৰ্তা পুনৰ জাগ্ৰত কৰে। আজিৰ এই উদ্‌যাপনে প্ৰমাণ কৰিলে যে লাচিত বৰফুকনৰ আদৰ্শ আজিও জীয়াই আছে প্ৰতিগৰাকী অসমীয়াৰ হৃদয়ত।

## বৰাকত ই-ৱেষ্টৰ বৈজ্ঞানিক নিষ্কাশনৰ ঐতিহাসিক চুক্তি

গুৰুত্বপূৰ্ণ সমঝোতা চুক্তি স্বাক্ষৰিত হৈছে। বৰাক উপত্যকাত এই ধৰণৰ প্ৰথম ঐতিহাসিক চুক্তিখন অসম প্ৰদূষণ নিয়ন্ত্ৰণ ব'ৰ্ডৰ অধ্যক্ষ ড০ অৰূপ কুমাৰ মিশ্ৰৰ বিশেষ উদ্যোগত সম্পন্ন হয়। চুক্তি স্বাক্ষৰ অনুষ্ঠানত অসম বিশ্ববিদ্যালয়ৰ উপাচাৰ্য অধ্যাপক ড০ ৰাজীৱ মোহন পন্ত, কম্পিউটাৰ বিজ্ঞান বিভাগৰ মুৰব্বী অধ্যাপক ড০ প্ৰদীপ্ত কুমাৰ দাস, অসম প্ৰদূষণ নিয়ন্ত্ৰণ ব'ৰ্ডৰ সদস্য সচিব ড০ গৌতম কৃষ্ণ মিশ্ৰ, শিলচৰ আঞ্চলিক কাৰ্যালয়ৰ ভাৰপ্ৰাপ্ত কাৰ্যবাহী অভিযন্তা অৰবিন্দ দাস আদি বিশিষ্ট ব্যক্তিসকল উপস্থিত থাকে। ই-ৱেষ্ট মেনেজমেণ্ট ৰুলছ, ২০২২ৰ নিৰ্দেশনা অনুসৰি এই চুক্তিৰ জৰিয়তে অসম বিশ্ববিদ্যালয়ৰ চৌহদত প্ৰায় তিনি দশক ধৰি জমা হৈ থকা প্ৰায় ৩ টন পুৰণি ইলেকট্ৰনিক বৰ্জিত সামগ্ৰী বিনবেগ কোম্পানীলৈ হস্তান্তৰ কৰা হ'ব। এই সামগ্ৰীসমূহৰ ভিতৰত পুৰণি কম্পিউটাৰ, প্ৰিণ্টাৰ, মনিটৰ আদি অন্তৰ্ভুক্ত। কোম্পানীটোৱে এইবোৰৰ পৰা বিপজ্জনক পদাৰ্থ পৃথক কৰি বৈজ্ঞানিকভাৱে পুনৰ্ব্যৱহাৰ কৰিব আৰু পৰিৱেশৰ কোনো ক্ষতি নোহোৱাকৈ নিষ্কাশন কৰিব। উপাচাৰ্য অধ্যাপক ড০ ৰাজীৱ মোহন পন্তে এই উপলক্ষে কয়, "বিশ্ববিদ্যালয় এটা কেৱল জ্ঞানৰ কেন্দ্ৰ নহয়, পৰিৱেশ সচেতনতাৰো দায়বদ্ধ প্ৰতিষ্ঠান। এই চুক্তিৰ জৰিয়তে আমি আমাৰ দায়িত্ব পালন কৰিলোঁ।" অসম প্ৰদূষণ নিয়ন্ত্ৰণ ব'ৰ্ডৰ অধ্যক্ষ ড০ অৰূপ কুমাৰ মিশ্ৰই জনায় যে, "বৰাক উপত্যকাত ই-ৱেষ্টৰ সমস্যা দিনকদিনে বাঢ়ি গৈ আছে। এই চুক্তিয়ে অন্যান্য শিক্ষানুষ্ঠান, চৰকাৰী কাৰ্যালয় আৰু ব্যক্তিগত খণ্ডৰ বাবেও এক আদৰ্শ স্থাপন কৰিব।" এই পদক্ষেপে অসমত পৰিৱেশ সুৰক্ষা আৰু বৈজ্ঞানিক বৰ্জিত ব্যৱস্থাপনাৰ ক্ষেত্ৰত এক নতুন অধ্যায়ৰ সূচনা কৰিলে বুলি বিশেষজ্ঞসকলে মত প্ৰকাশ কৰিছে।

## মহনগৰীত যুৱতী সাংবাদিকৰ কাৰ্যালয়তে চৰম সিদ্ধান্ত

মাত্ৰ কেইদিনমান বাকী আছিল। কিন্তু সোমবাৰে নিশাৰ পৰা মঙলবাৰে পুৱালৈকে কোনেও কল্পনা কৰিব নোৱাৰিলে যে গুৱাহাটীৰ এগৰাকী যুৱতী সাংবাদিক ৰিতুমনি ৰয়ে (২৯) নিজৰ কাৰ্যালয়ৰ ভিতৰতে জীৱনৰ চৰম পথ বাছি ল'ব। খ্ৰীষ্টানবস্তিস্থিত পূৰ্বোদয় ভৱনৰ তৃতীয় মহলাত থকা এটা ব্যক্তিগত সংবাদ মাধ্যমৰ কাৰ্যালয়ত মঙলবাৰে পুৱা প্ৰায় ৭ বজাত ৰিতুমনিৰ নিথৰ দেহ উদ্ধাৰ হয়। তেওঁ সেই কাৰ্যালয়তে বাতৰি পৰিৱেশক হিচাপে কাম কৰিছিল। সহকৰ্মীসকলৰ মতে, দেওবাৰে পুৱাৰে পৰা ডিউটি কৰি আবেলি ওলাই গৈছিল আৰু সোমবাৰে নিশাৰ ডিউটিৰ কথা কৈ গৈছিল। কিন্তু কেতিয়া কাৰ্যালয়ত সোমাল আৰু কেনেকৈ এই চৰম সিদ্ধান্ত ল'লে, তাৰ কোনো সাক্ষী নাই। ঘটনাস্থলীৰ পৰা এখন হাতে লিখা চুইচাইড নোট উদ্ধাৰ হৈছে। তাত মাত্ৰ দুটা বাক্য লিখা আছে —"সকলোৰে ভালৰ বাবেই এই সিদ্ধান্ত। সকলো ভালে থাকিব।" তলত পিতৃৰ ফোন নম্বৰটো লিখি থৈ গৈছে। পৰিয়াল আৰু সহকৰ্মীৰ মাজত বিপৰীতমুখী ভাষ্যই ঘটনাটোক অধিক ৰহস্যময় কৰি তুলিছে। ৰিতুমনিৰ পিতৃয়ে সংবাদ মাধ্যমৰ আগত কয়, "ছোৱালীয়ে নিজেই দৰা পছন্দ কৰিছিল। আমি সন্মতি দিছিলোঁ। কোনো হেঁচা-ধেমালি নাছিল। ২২ নৱেম্বৰত ফোনত কৈছিল ফাঁচী বজাৰত বিয়াৰ বজাৰ কৰিবলৈ যোৱা বুলি। ৰাতি কথা পতাৰ কথা আছিল, কিন্তু দেৰি হোৱাত ফোন কৰা নাছিলোঁ। ডেৰ বছৰৰ পৰা বান্ধৱীৰ লগত হাতীগাঁৱত ভাড়াঘৰত থাকিছিল। আমাৰ কোৱাৰ্টাৰত ঠাই কম বাবে তাই ভাড়াঘৰ লৈছিল।" কিন্তু কাৰ্যালয়ৰ সহকৰ্মী আৰু সংবাদ প্ৰতিষ্ঠানৰ স্বত্বাধিকাৰীৰ মতে, বহু আগতেই ৰিতুমনিয়ে কৈছিল যে ঘৰৰ পৰা তেওঁৰ বাবে ল'ৰা ঠিক কৰি থোৱা হৈছে আৰু তাই সেই বিয়াত সন্মত নহয়। এই দুয়োটা বিপৰীত কথাৰ মাজত সঁচা কি, তাক লৈ এতিয়াও ধোঁৱাময়তা বিৰাজ কৰিছে। আনহাতে, ৰিতুমনিৰ জ্যেষ্ঠ ভগ্নীয়ে সামাজিক মাধ্যমত পিতৃক তীব্ৰ ভাষাৰে দোষাৰোপ কৰিছে। তেওঁ কয়, "কেৱল টকা লাগে, ছোৱালীৰ মংগল নালাগে।" এই অভিযোগে পৰিয়ালৰ ভিতৰৰ বিভেদক পোহৰলৈ আনিছে। পল্টনবজাৰ আৰক্ষীয়ে ঘটনাস্থলীত উপস্থিত হৈ তদন্ত আৰম্ভ কৰিছে। দেহ মৰণোত্তৰ পৰীক্ষাৰ বাবে গুৱাহাটী চিকিৎসা মহাবিদ্যালয়লৈ প্ৰেৰণ কৰা হৈছে। কিয় এগৰাকী উজ্জ্বল যুৱতীয়ে বিয়াৰ পূৰ্বে এনে চৰম পথ বাছি ল'লে, সেই প্ৰশ্নৰ উত্তৰ এতিয়াও ৰহস্যতেই আবৰ্তিত হৈ আছে। বিয়াৰ আনন্দৰ মাজতে এটা পৰিয়ালত নামি আহিল চিৰন্তন শোকৰ ক'লা ছাঁ।

## দেশৰ '২৫ৰ উপাৰ্জনকাৰী ছবিৰ শীৰ্ষ দহত স্থান লাভ

টকা সংগ্ৰহ কৰি সকলোকে তাক লগাই থৈ গৈছিল। আজি ২২ দিনত ছবিখনে অসমত ২৪.৪৯ কোটি টকা উপাৰ্জন কৰি অসমীয়া চলচ্চিত্ৰৰ সৰ্বকালৰ সৰ্বোচ্চ সংগ্ৰহৰ ৰেকৰ্ড গঢ়িলে। ৰাজেশ ভূঞাৰ পৰিচালনাত গৰিমা গাৰ্গ আৰু জুবিন গাৰ্গৰ যুটীয়া প্ৰযোজনাৰ এই ছবিখনে কেৱল অসমতে নহয়, ভাৰতীয় ব' অফিচতো ঐতিহাসিক সঁহাৰি লাভ কৰিছে। মাত্ৰ ৫ কোটি টকাৰ বাজেটত নিৰ্মিত ছবিখনে ২২ দিনত ভাৰতত মুঠ ২৮.৮৯ কোটি টকা সংগ্ৰহ কৰি ৩৮৯.৮ক্ষ লাভৰ হাৰেৰে ২০২৫ চনৰ ভাৰতীয় ছবিৰ ভিতৰত নৱম স্থান দখল কৰিছে। বৃহস্পতিবাৰে ছবিখনে মাৰাঠী ছুপাৰহিট 'দশৱতাৰ' (৩৮৩.৬ শতাংশ)ক পিছ পেলাই এই স্থান লাভ কৰে আৰু এতিয়া কানাড়াৰ ব্লকবাষ্টাৰ 'কান্তাৰা চেপ্টাৰ ১' (৩৯৭.০৮ শতাংশ)ক অতিক্ৰম কৰাৰ দোৰগোড়াত থিয় দিছে। ৰৈ ৰৈ বিনালেৰ বক্স অফিচ যাত্ৰা (অসমত) প্ৰথম সপ্তাহ- ১১.৪৮ কোটি, দ্বিতীয় সপ্তাহ- ৭.৪৭ কোটি, তৃতীয় সপ্তাহ- ৫.১৭ কোটি, ২২ তম দিন- ৩৭ লাখ, মুঠ (২২ দিন)- ২৪.৪৯ কোটি। তৃতীয় শুকুৰবাৰে ৪৭ লাখ টকাৰ সামান্য হ্ৰাস দেখা গৈছে যদিও শনিবাৰ আৰু দেওবাৰেৰে ছবিখনে ২৫ কোটিৰ মাইলৰ খুঁটি অতিক্ৰম কৰিব বুলি নিৰ্মাতা আৰু বিতৰকৰ আশা। ২০২৫ চনৰ ভাৰতীয় ছবিৰ ROI তালিকাত 'ৰৈ ৰৈ বিনালে'ই গুজৰাটী 'লালো-কৃষ্ণ সদা সহায়তে' (১২০৮০ শতাংশ), কানাড়া 'ছু ফ্ৰম ছ' (১৯৫১.৭ শতাংশ), হিন্দী 'মহাৱতাৰ নৰসিংহ' (১৫৫৩ শতাংশ)ৰ পিছতে সগৌৰৱে নৱম স্থানত থিয় দিছে। অসমীয়া চিনেমাৰ বাবে এইটো কেৱল অৰ্থনৈতিক সাফল্য নহয়, বিশ্ব মানচিত্ৰত অসমীয়া ভাষা আৰু সংস্কৃতিৰ এক শক্তিশালী প্ৰতিনিধিত্ব। প্ৰয়াত জুবিন গাৰ্গৰ সপোনৰ এই ছবিখনে তেওঁৰ অনুৰাগীসকলৰ চকুলোৰ সৈতে আনন্দৰ মিশ্ৰণ ঘটাই দিলে। "জুবিন দাই আজি আমাৰ মাজত নাই, কিন্তু তেওঁৰ গীত আৰু এই ছবিৰ জৰিয়তে চিৰদিনৰ বাবে জীয়াই থাকিব, "বুলি ছবিগৃহৰ পৰা ওলাই অহা এগৰাকী দৰ্শকে ক'লে। 'ৰৈ ৰৈ বিনালে'ই প্ৰমাণ কৰিলে যে ভাল কাহিনী, সুন্দৰ সংগীত আৰু আন্তৰিক পৰিশ্ৰম থাকিলে অসমীয়া ছবিয়েও ভাৰতীয় ব' অফিচত সোণালী আখৰেৰে নাম লিখাব পাৰে।

## নিচাজাতীয় টেবলেটসহ ড্ৰাগছ সৰবৰাহকাৰীক আটক

শৰ্মাৰ নেতৃত্বত সহকাৰী উপ পৰিদৰ্শক দ্বীজেন বৰ্মন আৰু মাজদিয়া আৰক্ষীৰ সহযোগত চলিছিল ড্ৰাগছৰ বিৰুদ্ধে অভিযান। গৰিয়া চতলাৰ এখন চেলুনত আৰক্ষীৰ দলটোৱে অভিযান চলাই আটক কৰে এটা ড্ৰাগছ ব্যৱসায়িক। ধৃত ড্ৰাগছ ব্যৱসায়ীটো সৰ্থেবাৰী থানাৰ অন্তৰ্গত ক্ষুদ্ৰ বামুণবড়ী গাঁৱৰ প্ৰয়াত ঠাণ্ডু মিঞাৰ পুত্ৰ চাইদুল আলী (২৫) বুলি জানিব পৰা গৈছে। ধৃত চাইদুল আলীৰ পৰা আৰক্ষীয়ে ২৪ টাকৈ সন্দেহযুক্ত নিচাজাতীয় টেবলেট জব্দ কৰে। গৰিয়া চতলাত চেলুন দি ক্ষৌৰকাৰ হিচাপে জীৱন-নিৰ্বাহ কৰা চাইদুল আলীয়ে দীৰ্ঘদিনৰ পৰাই ড্ৰাগছ ব্যৱসায়ৰ লগত জড়িত থকাৰ অভিযোগ উত্থাপন হৈছে। ধৃত চাইদুল আলীয়ে পূৰ্বতেও ড্ৰাগছ ব্যৱসায়ৰ লগত জড়িত থকাৰ অভিযোগত জে'ল-হাজোতলৈ যাবলগীয়া হৈছিল। চাইদুল আলীৰ বিৰুদ্ধে আৰক্ষীয়ে সৰ্থেবাৰী থানাত নিজাববীয়াকৈ গোচৰ ৰুজু কৰিব বুলি জানিব পৰা গৈছে।

## প্ৰাদেশিকীকৃত শিক্ষকৰ দৰমহা প্ৰতি বছৰে ৬ শতাংশ বৃদ্ধিঃ কেবিনেটৰ গুৰুত্বপূৰ্ণ সিদ্ধান্ত

## চৰকাৰে নিয়ন্ত্ৰণ কৰিব সংখ্যালঘু পৰিচালিত ব্যক্তিগত বিদ্যালয়ৰ মাচুল



**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ২৪ নৱেম্বৰ** ঃ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত অনুষ্ঠিত ৰাজ্যিক মন্ত্ৰীমণ্ডলৰ বৈঠকত শিক্ষা খণ্ডৰ লগত জড়িত কেইবাটাও যুগান্তকাৰী সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। বৈঠকৰ অন্তত সংবাদ মাধ্যমৰ আগত এই সিদ্ধান্তসমূহৰ কথা সদৰি কৰে মুখ্যমন্ত্ৰীগৰাকীয়ে। মুখ্যমন্ত্ৰীয়ে জনোৱা অনুসৰি, এতিয়াৰ পৰা সংখ্যালঘু সম্প্ৰদায়ৰ দ্বাৰা পৰিচালিত ব্যক্তিগত বিদ্যালয়সমূহৰ শিক্ষাৰ্থীৰ মাচুল চৰকাৰে নিৰীক্ষণ কৰিব। এই উদ্দেশ্যে শীঘ্ৰেই এখন নতুন আইন আনিব ৰাজ্য চৰকাৰে। "অভিভাৱকসকলক অযথা মাচুলৰ বোজাৰ পৰা সকাহ দিয়াৰ লগতে শিক্ষাৰ মানদণ্ড বজাই ৰখাৰ বাবে এই পদক্ষেপ অতি জৰুৰী, "বুলি মন্তব্য কৰে মুখ্যমন্ত্ৰীয়ে। আন এক গুৰুত্বপূৰ্ণ সিদ্ধান্তত, প্ৰাদেশিকীকৃত (প্ৰভিন্সিয়েলাইজড) বিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰীসকলৰ দৰমহা প্ৰতি বছৰে স্বয়ংক্ৰিয়ভাৱে ৬ শতাংশকৈ বৃদ্ধি কৰাৰ কথা ঘোষণা কৰা হৈছে। এই সিদ্ধান্তৰ ফলত হাজাৰ হাজাৰ শিক্ষক-শিক্ষয়িত্ৰীৰ আৰ্থিক সুবিধা বৃদ্ধি পাব। লগতে, শিক্ষকসকলৰ বদলি (ট্ৰেন্সফাৰ) নীতিৰ ক্ষেত্ৰতো সালসলনি কৰা হৈছে। এতিয়াৰ পৰা মহিলা শিক্ষয়িত্ৰীয়ে একে ঠাইত ৫ বছৰ আৰু পুৰুষ শিক্ষকে ৭ বছৰ চাকৰি কৰাৰ পিছতহে বদলিৰ বাবে যোগ্য বিবেচিত হ'ব। এই নিয়মৰ জৰিয়তে শিক্ষকসকলৰ পৰিয়াল জীৱনত স্থিৰতা আৰু শিক্ষা ব্যৱস্থাত ধাৰাবাহিকতা ৰক্ষা কৰাৰ লক্ষ্য ৰখা হৈছে বুলি মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰে। এই সিদ্ধান্তসমূহে ৰাজ্যৰ শিক্ষা খণ্ডত নতুন দিশ প্ৰদান কৰিব বুলি শিক্ষাবিদসকলে মত প্ৰকাশ কৰিছে। মুখ্যমন্ত্ৰীয়ে লগতে কয়, "আমাৰ চৰকাৰৰ মূল লক্ষ্য হৈছে শিক্ষাক সুলভ, গুণগত আৰু সকলোৰে বাবে সমান কৰি তোলা।"

## বিধানসভাৰ অন্তিম অধিৱেশনক

দলৰ দায়বদ্ধতা বাঢ়িব। সেয়েহে বিৰোধীৰ প্ৰতিটো প্ৰশ্ন আৰু সমালোচনাকে আমি আশীৰ্বাদ হিচাপে গ্ৰহণ কৰিম।" তেওঁ বিৰোধীসকলকো অধিৱেশন সফল কৰাৰ আহ্বান জনায়। পঞ্চায়ত কৰ্মচাৰীৰ দাবী-দাওয়া আৰু কল্যাণৰ প্ৰসঙ্গতো মন্ত্ৰী ৰণজিৎ দাসে গুৰুত্বপূৰ্ণ কথা উত্থাপন কৰে। তেওঁ কয়, "বৰ্তমান চৰকাৰে পঞ্চায়ত কৰ্মচাৰীসকলৰ বাবে যি যুগান্তকাৰী পদক্ষেপ গ্ৰহণ কৰিছে, অসমৰ ইতিহাসত এনে দৃষ্টান্ত আগতে কোনো চৰকাৰে স্থাপন কৰা নাই। আমি কেৱল প্ৰতিশ্ৰুতি দিয়া নাই, কাৰ্যতঃ প্ৰমাণ কৰিছোঁ।" আন এক উল্লেখযোগ্য মন্তব্যত মন্ত্ৰীগৰাকীয়ে পঞ্চায়ত বিভাগৰ নামত হোৱা বিজ্ঞাপনী হৰ্ডিং-বেনাৰৰ ধন খৰচৰ সমালোচনা কৰি কয়, "যিবোৰ ধন হৰ্ডিং-বেনাৰত খৰচ হৈছিল, সেই ধন এতিয়াৰ পৰা পোনপটীয়াকৈ কৰ্মচাৰীসকলৰ কল্যাণ আৰু উন্নয়নমূলক কামত ব্যৱহাৰ কৰা হ'ব। আমাৰ চৰকাৰৰ লক্ষ্য হৈছে প্ৰচাৰ নহয়, প্ৰকৃত কাম।" উল্লেখ্য যে, অহা বিধানসভা নিৰ্বাচনৰ পূৰ্বে এইখনেই বৰ্তমান চৰকাৰৰ অন্তিম পূৰ্ণাঙ্গ অধিৱেশন হ'ব বুলি ৰাজনৈতিক মহলত আলোচনা হৈ আছে। সেয়েহে সম্ভাব্য নিৰ্বাচনী বছৰৰ বাজেটৰ লগতে কেইবাটাও গুৰুত্বপূৰ্ণ বিধেয়ক এই অধিৱেশনত উত্থাপন হোৱাৰ সম্ভাৱনা আছে। মন্ত্ৰী ৰণজিৎ দাসৰ এই মন্তব্যসমূহে ৰাজনৈতিক মহলত যথেষ্ট চৰ্চা লাভ কৰিছে আৰু আগন্তুক অধিৱেশনৰ পটভূমি অধিক উত্তেজনাপূৰ্ণ কৰি তুলিছে।

## লাচিত দিৱসত বিজেপি ৰাজ্যিক সভাপতি দিলীপ

অৰ্চৰকাৰী পৰ্যায়ত বহুকেইটা কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। এই পবিত্ৰ দিনটোতে ৰাজ্যিক বিজেপিৰ সভাপতি দিলীপ শইকীয়াই এক গুৰুত্বপূৰ্ণ বাৰ্তা দি কয় যে, আধুনিক যুগৰ মোগলৰ আক্ৰমণৰ বিৰুদ্ধে বিজেপি দল লাচিতৰ দৰেই অটলভাৱে যুঁজিবলৈ সদা প্ৰস্তুত। শইকীয়াই কয়, "বীৰ লাচিত বৰফুকনে শৰাইঘাটৰ যুদ্ধত মোগল সেনাক পৰাভূত কৰি অসমৰ মাটি-মানুহৰ স্বাধীনতা ৰক্ষা কৰিছিল। আজিও সেই মোগলীয় মানসিকতা জীয়াই আছে। মোগলৰ বংশধৰসকলে এতিয়াও অসমৰ মাটি-ভেটি হস্তগত কৰাৰ সপোন দেখি আছে। এই আধুনিক মোগলৰ বিৰুদ্ধে বিজেপি দলে লাচিতৰ আদৰ্শক ধাৰণ কৰি অটুট প্ৰতিৰোধ গঢ়ি তুলিব।" তেওঁ লগতে স্পষ্টভাৱে কয়, "যিসকল লোকে আমাৰ সংস্কৃতি, ভাষা আৰু অস্তিত্বৰ ওপৰত আঘাত হানিব বিচাৰে, তেওঁলোকৰ বিৰুদ্ধে আমি একত্ৰিত হৈ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত দুৰ্বাৰ প্ৰতিজন লৈছোঁ। ঘৰৰ মাজতো কিছুমান বদন বৰফুকনৰ দৰে লোক আছে, যিসকলৰ ভাষা, চিন্তা আৰু কাৰ্যকলাপ সম্পূৰ্ণ মোগলীয়। এনে লোকসকলক চিনি উলিয়াই লাচিতৰ আদৰ্শক জীয়াই ৰখাৰ যুঁজত আমি কেতিয়াও পিছপা নহওঁ। মোগলীয় মানসিকতা সম্পূৰ্ণৰূপে নিৰ্মূল নহয় মানে শৰাইঘাটৰ ৰণ আমাৰ বাবে এতিয়াও চলি থকা বুলি আমি মানি লৈছোঁ।" কংগ্ৰেছ দলক কটাক্ষ কৰি শইকীয়াই কয়, "কংগ্ৰেছ আৰু মিঞাৰ মাজত কোনো পাৰ্থক্য নাই। কংগ্ৰেছৰ শেষ ভৰসা এতিয়া মিঞা ভোট। যিসকলে মোগলক ভোটাৰ অধিকাৰ দি, মাটি-ভেটি দি অসমত সংস্থাপিত কৰিছিল, তেওঁলোকেই হৈছে কংগ্ৰেছ। কিন্তু বিজেপি ৰাইজৰ লগত আছে, ৰাইজৰ বাবে কাম কৰে।" আগন্তুক ২০২৬ৰ বিধানসভা নিৰ্বাচনৰ প্ৰসংগত ৰাজ্যিক সভাপতিজনে কয়, "যিসকল নেতা নিৰ্বাচনত জয়ী হৈ আহিব পাৰে, তেওঁলোককেই দলৰ প্ৰাৰ্থী হিচাপে মনোনয়ন দিয়া হ'ব। এই বিষয়ে দলৰ ভিতৰত আলোচনা চলি আছে আৰু সোনকালেই চূড়ান্ত সিদ্ধান্ত লোৱা হ'ব।" লাচিত দিৱসৰ এই শুভক্ষণত বিজেপিৰ ৰাজ্যিক সভাপতিৰ এনে কঠোৰ বাৰ্তাই ৰাজনৈতিক মহলত ব্যাপক চৰ্চাৰ সৃষ্টি কৰিছে।

## বিশ্ব বক্সিং কাপৰ ফাইনেলত ভাৰতৰ ঐতিহাসিক সাফল্য

পদক লাভ কৰে, যাৰ ভিতৰত ৯টা সোণ, ৬টা ৰূপ আৰু ৫টা ব্ৰঞ্জ পদক অন্তৰ্ভুক্ত। এই সাফল্যই বিশ্ব মঞ্চত ভাৰতীয় বক্সিঙৰ শক্তিৰ নতুন প্ৰমাণ দাঙি ধৰিলে। বিশেষকৈ মহিলা বক্সাৰসকলে এইবাৰ অসাধাৰণ প্ৰদৰ্শন কৰি সকলোকে তাক লগাই থৈ গৈছে। লাভ কৰা ৯টা সোণৰ ভিতৰত ৭টাই আহিছে মহিলাৰ হাতত। নিখাত জৰীণ, মিনাক্ষী হুডা, প্ৰীতি পাৱাৰ, অৰুন্ধতী চৌধুৰী, পাৰবীন হুডা, নূপুৰ শ্বেওৰাণ আৰু জেইছমিন লেম্বৰিয়াই নিজ নিজ ওজন শ্ৰেণীত সোণৰ পদক দখল কৰি ভাৰতৰ পতাকা বিশ্বৰ আটাইতকৈ ওখ ঠাইত উৰুৱাইছে। পুৰুষ বিভাগতো ভাৰতীয় বক্সাৰসকলে পিছ পৰা নাছিল। তেওঁলোকে ২টা সোণৰ লগতে কেইবাটাও ৰূপ আৰু ব্ৰঞ্জ পদক যোগ কৰি দলীয় সাফল্যত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। এই অভূতপূৰ্ব প্ৰদৰ্শনৰ পিছতে ভাৰতীয় বক্সিং ফেডাৰেচনৰ সভাপতিয়ে কয়, "আমাৰ খেলুৱৈসকলে কঠোৰ পৰিশ্ৰম আৰু অটল মনোবলৰ জৰিয়তে বিশ্বক দেখুৱাই দিলে যে ভাৰত এতিয়া বক্সিঙৰ মানচিত্ৰত এক শক্তিশালী দেশ। বিশেষকৈ আমাৰ মহিলা বক্সাৰসকলৰ এই সাফল্যে পৰৱৰ্তী প্ৰজন্মৰ বাবে এক উজ্জ্বল আদৰ্শ স্থাপন কৰিলে।" ২০২৫ চনৰ এই বিশ্ব বং কাপত ভাৰতৰ এই সাফল্যই দেশৰ ক্ৰীড়া জগতত নতুন উলহ-মালহৰ সৃষ্টি কৰিছে। অহা অলিম্পিকৰ প্ৰতি দৃষ্টি ৰাখি এই প্ৰদৰ্শনক এক শুভ সংকেত হিচাপে গণ্য কৰা হৈছে।

### 'ৰৈ বৈ বিনালে' শীৰ্ষক অনুষ্ঠানেৰে জুবিন গাৰ্গলৈ শ্ৰদ্ধাঞ্জলি

# মাজদিয়াস্থিত ৰামধেনু একাডেমীৰ তৃতীয় বাৰ্ষিক অধিৱেশন সম্পন্ন



**অসম বাৰ্তা, চেঙা, ২৪ নৱেম্বৰ ঃ** বৰপেটা জিলাৰ পূব প্ৰান্তত অৱস্থিত মাজদিয়াস্থিত ব্যক্তিগত খণ্ডৰ ইংৰাজী মাধ্যমৰ শিক্ষানুষ্ঠান ৰামধেনু একাডেমীৰ তৃতীয় বাৰ্ষিক অধিৱেশনখনি দুদিনীয়া কাৰ্যসূচীৰে কালি সম্পন্ন হৈ যায়। প্ৰথম দিনাই পুৱা নাহৰৰ পুলি ৰোপণ কাৰ্যসূচী ৰূপায়ণ হোৱাৰ পাছত পুৱা ৯ বজাত বিদ্যালয়ৰ পতাকা উত্তোলন কৰে ৰামধেনু একাডেমীৰ কাৰ্যকৰী সঞ্চালক জাকিৰ হুছেইনে। দ্বিতীয় দিনা অৰ্থাৎ কালি দিনৰ ১১: ৩০ বজাৰ পৰা ৰামধেনু ইডুকেশ্বনেল এণ্ড ছচিঅ'-ইকোনোমিক ডেভলপমেণ্ট ছোচাইটিৰ অধ্যক্ষ জিয়াউৰ ৰহমানৰ সভাপতিত্বত অনুষ্ঠিত হয় মুকলি সভা। মুকলি সভাখনত মুখ্য অতিথি হিচাপে উপস্থিত থাকি ছাত্ৰ-ছাত্ৰীসকল উপকৃত হ'ব পৰাকৈ ভাষণ প্ৰদান কৰে লোক নিৰ্মাণ বিভাগ (পথ), বৰপেটাৰ কাৰ্যবাহী অভিযন্তা জাকিৰ হুছেইনে। নিৰ্দিষ্ট বক্তা হিচাপে উপস্থিত থাকে বৰপেটা জিলা পঞ্চায়ত সমল কেন্দ্ৰৰ প্ৰবক্তা ওমৰ খয়ামে। ভাষণ প্ৰসংগত ওমৰ খয়মে কয় যে- "কণ কণ ছাত্ৰ-ছাত্ৰীসকলে প্ৰদৰ্শন কৰা প্ৰতিভাসমূহ চাই মুগ্ধ হ'লোঁ। ইমান সুন্দৰকৈ আৰু সাৱলীলভাৱে, স্বাভাৱিকভাৱে ছাত্ৰ-ছাত্ৰীসকলে নিজৰ নিজৰ প্ৰতিভাসমূহ প্ৰদৰ্শন কৰি তেওঁলোকৰ মাজত থকা অনন্য প্ৰতিভাসমূহৰ উমান দিছে। শিক্ষাৰ লগতে আমি ছাত্ৰ-ছাত্ৰীসকলৰ আন আন প্ৰতিভাসমূহকো চিনাক্ত কৰি তেওঁলোকৰ প্ৰতিভাসমূহ বিকাশৰ বাবে আগুৱাই নিব লাগিব। ৰামধেনু একাডেমীয়ে এইক্ষেত্ৰত ব্যৱস্থা গ্ৰহণ কৰিব বুলি আশা প্ৰকাশ কৰিছোঁ।" আমন্ত্ৰিত অতিথি হিচাপে উপস্থিত থাকি হৰিপুৰ জিলা পৰিষদৰ সদস্য হাইদৰ আলী আহমেদে কয় যে- "আমি শিক্ষাৰ সমান্তৰালকৈ ছাত্ৰ-ছাত্ৰীসকলক ভাল মানুহ হোৱাৰ শিক্ষাও দিব লাগিব। ছাত্ৰ-ছাত্ৰীসকলক মোবাইলৰ পৰা আঁতৰত ৰাখিব লাগিব। নিজৰ কণ কণ সন্তানৰ সন্মুখত অভিভাৱকসকলে মোবাইলত ব্যস্ত হৈ থাকিব নালাগিব। আমি ছাত্ৰ-ছাত্ৰীসকলক মানৱ সম্পদ ৰূপে গঢ়ি তুলিব লাগিব। নিজৰ সন্তানক এজন সফল মানুহ হিচাপে সমাজত আমি প্ৰতিষ্ঠিত কৰাব লাগিব।" ৰামধেনু একাডেমীৰ পৰিচালন সঞ্চালক জিয়াউৰ ৰহমানে সভাপতিৰ ভাষণত জুবিন গাৰ্গৰ "কিতাপ নথকা জাতিক গামোচাই বচাব নোৱাৰে, মই বাৰ হেজাৰ কিতাপ পঢ়িছোঁ"- উদ্ধৃতিৰে ছাত্ৰ-ছাত্ৰীক অভিভাৱকসকলক ভাল কিতাপ উপহাৰ দি পঢ়াৰ অভ্যাস গঢ়ি তুলিবলৈ আহ্বান জনায়। সন্ধিয়া হিয়াৰ আমঠু জুবিন গাৰ্গৰ স্মৃতিত অনুষ্ঠিত হয় "ৰৈ বৈ বিনালে" শীৰ্ষক এক শ্ৰদ্ধাঞ্জলি অনুষ্ঠান। উক্ত অনুষ্ঠানত জুবিন গাৰ্গৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন কৰে বিৰিণা গোষ্ঠী, অসমৰ সম্পাদক বনজিৎ বৈশ্যই। জুবিন গাৰ্গৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ কৰে সদৌ অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ বৰক্ষেত্ৰী আঞ্চলিক সমিতিৰ সভাপতি কুলদীপ পাঠকে। জুবিন গাৰ্গৰ মায়াবিনী গীতটো সমূহীয়াভাৱে পৰিবেশন কৰি জুবিন গাৰ্গলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰা হয়। আমন্ত্ৰিত অতিথি হিচাপে মুকলি সভাখনত সদৌ অসম গৰীয়া জাতীয় পৰিষদৰ উপদেষ্টা কামৰুজ জামান, মাজদিয়া হাইস্কুলৰ ভাৰপ্ৰাপ্ত প্ৰধান শিক্ষক মকিবুৰ ৰহমান, মাজদিয়াস্থিত আদৰ্শ বিদ্যাপীঠৰ প্ৰধান শিক্ষক নুৰুল ইছলাম, পূব বৰপেটা সাংবাদিক সন্থাৰ সভাপতি তফিকুৰ ৰহমান, অধিবক্তা আনোৱাৰ হুছেইন, অধিবক্তা নাজিমা ইয়াচমিন, মাজদিয়া গাঁও পঞ্চায়তৰ আঞ্চলিক সদস্যা আৰবিন চুলতানা, মাজদিয়া গাঁও পঞ্চায়তৰ সভানেত্ৰী জানমনি শইকীয়া, অসম প্ৰদেশ কংগ্ৰেছ কমিটিৰ সংখ্যালঘু বিভাগৰ সম্পাদক চহিদুল ইছলামকে ধৰি কেইবাগৰাকীও বিশিষ্ট লোক উপস্থিত থাকে। মুকলি সভাত পৰিৱেশন কৰা সাংস্কৃতিক কাৰ্যসূচীসমূহ পৰিচালনা কৰে ৰামধেনু একাডেমীৰ কাৰ্যকৰী সঞ্চালক জাকিৰ হুছেইনে। সাংস্কৃতিক কাৰ্যসূচীত ছাত্ৰ-ছাত্ৰীসকলে গীত-নৃত্য, নাটক আদি পৰিৱেশন কৰি নিজ নিজ প্ৰতিভাসমূহ প্ৰদৰ্শন কৰি দৰ্শকক আপ্লুত কৰে।

# ৰহাত মহাবীৰ লাচিত দিৱস উদ্‌যাপন

**অসম বাৰ্তা, বেবেজীয়া, ২৪ নৱেম্বৰ ঃ** নগাঁও জিলাৰ আহোমসভাৰ অন্তৰ্গত ৰহা আঞ্চলিক আহোম সভাৰ সৌজন্যত ২৪ নৱেম্বৰত দিনযোৰা কাৰ্যসূচীৰে মহাবীৰ লাচিত বৰফুকনৰ জন্মজয়ন্তী ৰহা গড়মাৰি প্ৰাথমিক বিদ্যালয় উদযাপন কৰা হয়। সভাৰ কাৰ্যসূচী অনুসৰি পুৱাতে চৌহদ নিৰাকৰনত চাও চন্দন গগৈ সহযোগ কৰাৰ পাছত বৃক্ষ ৰূপণ কৰে চাও পলজ্যোতি গগৈয়ে। পুৱা ৮ বজাত বন্তি প্ৰজলন কৰে নগাঁও জিলাৰ আহোমসভাৰ উপদেষ্টা মানচাও গুনীন্দ্ৰ ফুকনদেৱে। মহাবীৰ লাচিত বৰফুকনৰ প্ৰতিমূৰ্তিত মাল্যাৰ্পণ কৰে নগাঁও জিলাৰ মহিলা কোষৰ সম্পাদিকা মাননাং ৰূপালী বৰকঠীয়াই। পুৱা ৯ বজাত খ্ৰিংফা উত্তোলন কৰে নগাঁও জিলাৰ আহোম সভাৰ মহিলা কোষৰ সভানেত্ৰী মাননাং নিৰূপমা বৰগোহাঞিয়ে। ইয়াৰ পাছতে নগাঁও জিলাৰ আহোমসভাৰ বিষয়ববীয়াৰ লগতে স্থানীয় আঞ্চলিক বিষয়ববীয়াৰ এক প্ৰতিনিধি সভা অনুষ্ঠিত হয়। নৱপ্ৰজন্মৰ মাজত লাচিত বৰফুকনৰ সৌযবীৰ্যৰ চানেকি সংলগ্ন চিত্ৰাংকন পুৱা ১১ বজাত অঙ্কনৰ এক প্ৰতিযোগিতা ৰূপায়ণ হয়। দুপৰীয়া ১২-৩০বজাত প্ৰীতিআহাৰ গ্ৰহণ কৰাৰ পাছত মাননাং নিৰূপমা বৰগোহাঞিৰ পৌৰোহিত্যত এক আলোচনা চক্ৰ অনুষ্ঠিত হয়। সভাত নগাঁও জিলাৰ আহোমসভাৰ সহকাৰী সম্পাদক মানচাও সঞ্জীৱ বৰাই আঁতধৰা এক গাম্ভীৰ্যমুলক অনুষ্ঠানত উদ্দেশ্যব্যাখ্যা কৰে নগাঁও জিলাৰ আহোমসভাৰ সাধাৰণ সম্পাদক চাও মহেন্দ্ৰজিৎ বৰুৱা। বিশিষ্ট অতিথিৰ ভাষণত মাননাং ৰূপালী বৰকঠীয়া, মানচাও মুহিধৰ গগৈয়ে মহাবীৰ লাচিত বৰফুকন অসমীয়া জাতিৰ এক মহাশক্তি আৰু প্ৰেৰণাৰ প্ৰতীক হৈ সদায় উজ্জ্বলি থাকিব বুলি মন্তব্য কৰে। চাও ঠগীত চন্দ্ৰ বৰুৱাই মহাবীৰ লাচিত বৰফুকনৰ দেশপ্ৰেম, কৰ্তব্যবোধ, দায়িত্বজ্ঞান, কৌশলী, নিৰ্লোভ দুৰ্নীতিহীন ব্যক্তিত্ব, সহকৰ্মীৰ লগত



সৌহাদৰ্তা অসমীয়া জাতি গঠনৰ সামৰিক কৌশল আদিৰ বিষয় বৰ্ননা দাঙি ধৰে। সাধাৰণ জীৱন যাত্ৰাৰে ঘোৰাবৰুৱা, দুলীয়াবৰুৱা, শিমলুগুৰিয়া ফুকন, দোলাকাষৰীয়া বৰুৱা আৰু শেষত বৰফুকনৰ দায়িত্ব লৈ আজিৰ অসমীয়ালৈ স্বাভিমান স্বকীয়তাক ৰক্ষা কৰিলে। এনে আদৰ্শ নবপ্ৰজন্মই কৰ্মসংস্কৃতিত অৰিহণা যোগাই কৰ্ম কৰিলেহে আজিৰ দৰে আগলৈ অসমীয়া জাতি জীয়াই থাকিব বুলি মন্তব্য আগবঢ়াই। সমজুৱা একেষাৰত কেইবাজনো মানচাও মাননাংয়ে মন্তব্য ৰখাৰ পাছত সভানেত্ৰী মাননাং গোহাঞিয়ে সভাৰ কাৰ্যসূচীক সকলোৰে সহযোগত ৰূপায়ণ কৰিবলৈ পায় সভালৈ কৃতজ্ঞতা যাচে। লগতে মহাবীৰ লাচিত বৰফুকনে নবীয়া গাৰে দেশৰক্ষা কৰি দেশ স্বজাতিক ৰক্ষা কৰিযোৱাৰ দৰেও সকলো কৰ্মসংস্কৃতিৰে এক নতুন অসম গঢ়িবলৈ বক্তব্য ৰাখি সভা সামৰণি মৰাৰ লগে লগে টাইআহোম জাতীয় সংগীতৰে সভাৰ সামৰণি মাৰে। সন্ধ্য খ্ৰিংফা অবতৰণৰ পাছত বন্তি প্ৰজলনৰে দিনৰ কাৰ্যসূচী সামৰণি মৰা হয়।

### অসম ৰাজ্যিক প্ৰাথমিক শিক্ষক সন্মিলনীৰ প্ৰতিষ্ঠা দিৱস উদ্‌যাপন

# মৰিগাঁও জিলা প্ৰাথমিক শিক্ষক সন্মিলনীৰ গুৰুত্বপূৰ্ণ কাৰ্যনিৰ্বাহক সভা



**ষ্টাফ ৰিপৰ্টাৰ, মৰিগাঁও, ২৪ নৱেম্বৰ ঃ** মৰিগাঁও জিলা প্ৰাথমিক শিক্ষক সন্মিলনীৰ এখন গুৰুত্বপূৰ্ণ কাৰ্যনিৰ্বাহক সভা আজি দিনৰ ১১ বজাত সন্মিলনীৰ স্থায়ী কাৰ্য্যালয় শিক্ষক ভৱনত অনুষ্ঠিত হয়। অসম ৰাজ্যিক প্ৰাথমিক শিক্ষক সন্মিলনীৰ ৭৬ সংখ্যক প্ৰতিষ্ঠা দিৱস উপলক্ষে বন্তি প্ৰজ্বলন, স্মৃতি তৰ্পণ সমাপন কৰাৰ পাছত জিলা সন্মিলনীৰ মুখ্য উপদেষ্টা গিৰিন্দ্ৰ খাটনিয়াৰে সন্মিলনীৰ পতাকা উত্তোলন কৰাৰ লগতে সন্মিলনীৰ গৌৰৱ উজ্জ্বল ইতিহাস আৰু শিক্ষা-শিক্ষাৰ্থী-শিক্ষকৰ কল্যাণৰ হকে সন্মিলনীৰ অৱদানৰ কথা শ্ৰদ্ধাৰে স্মৰণ কৰে। অনুষ্ঠানৰ লগত সংগতি ৰাখি ৰাজ্যিক সন্মিলনীৰ শীৰ্ষ গীত পৰিবেশন কৰাৰ লগতে অসম বাসীৰ হিয়াৰ আপোন, সকলোৰে প্ৰাণৰ শিল্পী সদ্যপ্ৰয়াত জুবিন গাৰ্গৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ আৰু বন্তি প্ৰজ্বলন কৰে উপদেষ্টা মিণ্টু বৰঠাকুৰে। ইয়াৰ পাছতে অনুষ্ঠিত হোৱা আজিৰ কাৰ্য্যনিৰ্বাহক সভাৰ আৰম্ভণিতে মৰিগাঁও জিলাৰ বিভিন্ন প্ৰাথমিক বিদ্যালয়ৰ সদ্যপ্ৰয়াত শিক্ষাগুৰু সকললৈ শ্ৰদ্ধাঞ্জলি নিৱেদন কৰা হয়। মৰিগাঁও জিলা প্ৰাথমিক শিক্ষক সন্মিলনীৰ জ্যেষ্ঠ উপ সভাপতি চালেহ উদ্দিন আহমেদৰ সভাপতিত্বত অনুষ্ঠিত সভাখনৰ উদ্দেশ্য ব্যাখ্যা কৰে সাধাৰণ সম্পাদক মানস প্ৰতিম পাটৰে। সভাত মৰিগাঁও জিলা প্ৰাথমিক শিক্ষক সন্মিলনীৰ উদ্যোগত আগন্তুক প্ৰজ্ঞান প্ৰতিভা সন্ধানী পৰীক্ষা সুচাৰুৰূপে পৰিচালনা কৰাৰ বাবে এখন পৰিচালনা সমিতি গঠন কৰাৰ লগতে ৰাজ্যিক ভিত্তিত কেন্দ্ৰীয় নাৰী দিৱসটি বৰ্ণাঢ্য কাৰ্যসূচীৰে উদ্যাপন কৰা, অসম ৰাজ্যিক প্ৰাথমিক শিক্ষক সন্মিলনীৰ আহ্বান মৰ্মে অনা-শৈক্ষিক কাৰ্যত অংশগ্ৰহণ নকৰা, শিক্ষা সেতু এপৰ বিসংগতিৰ বাবে মধ্যাহ্ন ভোজন আচনিৰ ধনৰ লেনদেনৰ ৰহস্যজনক ভুলৰ প্ৰতিবাদ কৰাকে ধৰি কেইবাটাও গুৰুত্বপূৰ্ণ প্ৰস্তাৱ গ্ৰহণ কৰা হয়। সভাত আলোচিত গুৰুত্বপূৰ্ণ বিষয়ত সন্দৰ্ভত জিলা প্ৰাথমিক শিক্ষক সন্মিলনীৰ উপদেষ্টা মিণ্টু বৰঠাকুৰ, ৰাজ্যিক সদস্য নজৰুল ইছলাম, জিলা সন্মিলনীৰ উপ-সভাপতি ইমৰান শ্বাহ, সহকাৰী সম্পাদকদ্বয় ক্ৰমে প্ৰদীপ কুমাৰ নাথ আৰু ৰফিকুল ইছলাম, মুখপত্ৰ সম্পাদক খগেন বৰা, কপিলী খণ্ড প্ৰাথমিক শিক্ষক সন্মিলনীৰ সভাপতি তিলক চন্দ্ৰ নাথ, সাংগঠনিক সম্পাদক অজিত কুমাৰ বৰদলৈ, বঘৰা শিক্ষক কেন্দ্ৰৰ সভাপতি হীৰেন মেধীৰ লগতে প্ৰদীপ বৰদলৈ, প্ৰাণজিৎ নাথ আৰু বাসুদেৱ ঠাকুৰীয়াকে প্ৰমুখ্যে বিষয়ববীয়াসকলে বক্তব্য আগবঢ়ায়। আজিৰ সভাখনত মৰিগাঁও জিলা প্ৰাথমিক শিক্ষক সন্মিলনীৰ বিষয়ববীয়াৰ লগতে বিভিন্ন কেন্দ্ৰৰ সভাপতি, সম্পাদক আৰু বিভিন্ন বিদ্যালয়ৰ শতাধিক শিক্ষক-শিক্ষয়িত্ৰীয়ে অংশগ্ৰহণ কৰে।

# অন্যান্য পিছপৰা শ্ৰেণীৰ পৰা আমাক বঞ্চিত কৰি ৰখা হৈছে ঃ ব্ৰহ্মপুত্ৰ ভ্যালি ৰুদ্ৰ পাল সমিতি

**অসম বাৰ্তা, তিনিচুকীয়া/মাকুম, ২৪ নৱেম্বৰ ঃ** আজি ব্ৰহ্মপুত্ৰ ভ্যালি ৰুদ্ৰ পাল তিনিচুকীয়া জিলাৰ সমিতিৰ তিনিচুকীয়া খগেশ্বৰ ৰোড শিল্পলয়স্থিত(মৃত শিল্পৰ) কাৰখানাত কেন্দ্ৰীয় কাৰ্যকৰী সভা অনুষ্ঠিত হয়। উক্ত কেন্দ্ৰীয় বৰ্ধিত কাৰ্যকৰী সভাত বিভিন্ন বিষয়ৰ ওপৰত আলোকপাত হয় আৰু বিশেষ ভাৱে অন্যান্য পিছপৰা শ্ৰেণী (OBC) ৰ বিষয় লৈ বিশেষভাৱে চৰ্চা হয় আৰু এই চৰ্চাটো হোৱা স্বাভাৱিক কিয়নো অসমৰ ভিতৰতে ৰুদ্ৰ পাল সমিতিক অসমৰ ভিতৰতে অসম চৰকাৰৰ নেতৃত্বত দুই ভাগ কৰি ৰখা হৈছে কাছাৰ, শ্ৰী ভূমি আৰু হাইলাকান্দি এই তিনিটা জিলাত অন্যান্য পিছপৰা শ্ৰেণী (OBC) বহুত আগৰপৰাই হৈ আছে অথচ একেই অসমৰ আৰু এটা প্ৰান্তে প্ৰায় ৫০ হাজাৰ মৃত শিল্পৰ দুখীয়া মানুহ থকাৰ পিছতো সেই মান্যতা চৰকাৰে এতিয়া লৈকে দিয়া নাই। সেয়েহে ব্ৰহ্মপুত্ৰ ভ্যালি ৰুদ্ৰ পাল সমিতি নামেৰে ২০১৫ চনৰ পৰাই সমিতিখন চেষ্টা কৰাৰ পিছতো বৰ্তমান চৰকাৰখনে কিয় গুৰুত্ব দিয়া নাই এয়াই মৃত শিল্পী সকলে ক্ষোভ প্ৰকাশ কৰাৰ লগতে আগন্তুক ২৬ ৰ নিৰ্বাচনৰ পূৰ্বে যদি চৰকাৰে ব্ৰহ্মপুত্ৰ ভ্যালি ৰুদ্ৰ পাল সকলক অন্যান্য পিছপৰা শ্ৰেণী (OBC) ৰ মৰ্য্যদা প্ৰদান নকৰে তেন্তে ইয়াৰ উচিত প্ৰত্যুত্তৰ দিম বুলি সংবাদ মাধ্যমৰ জৰিয়তে হুংকাৰ প্ৰদান কৰে। আজিৰ কাৰ্যকৰী সভাতে লিখক সুনীল কুমাৰ পালৰ বাংলা ভাষাতে লিখিত ৰুদ্ৰপাল সম্প্ৰদায়ৰ গৌৰৱ কথা, নামৰ এখনি গ্ৰন্থ উন্মোচন কৰা হয়। উক্ত ব্ৰহ্মপুত্ৰ ভ্যালি ৰুদ্ৰ পাল কেন্দ্ৰীয় সমিতিৰ সভাপতি অজিৎ পাল, সম্পাদক সুৰৰঞ্জন পাল, তিনিচুকীয়া জিলাৰ সমিতিৰ সভাপতি প্ৰদীপ পাল, সম্পাদক শোভাঙ্কৰ পাল প্ৰমুখ্যে অন্যান্য বিষয়ববীয়া সকল উপস্থিত থাকে।

### বন্যহস্তীৰ আক্ৰমণত প্ৰাতঃভ্ৰমণলৈ যোৱা মহিলাৰ মৃত্যু

# নগাঁৱৰ ৰাঙলুমুখ নৈ-পামত শোকাৱহ ঘটনা

### গুৰুতৰভাৱে আহত আন এগৰাকী

**অসম বাৰ্তা, পুৰণিগুদাম, ২৪ নৱেম্বৰ ঃ** নগাঁও সদৰ বনাঞ্চলিক বিষয়া কাৰ্যালয়ৰ অধীনস্থ ননৈৰ সমীপৰ ৰাঙলুমুখ নৈ- পামত আজি নিচেই পুৱাতে এক ভয়ংকৰ ঘটনা সংঘটিত হয়। আজি পুৱা প্ৰাতঃভ্ৰমণলৈ যোৱা দুগৰাকী মহিলাক বনৰীয়া হাতীয়ে আক্ৰমণ কৰে। এই আক্ৰমণৰ ঘটনাত এগৰাকী মহিলা থিতাতে নিহত হোৱাৰ লগতে আন এগৰাকী মহিলা গুৰুতৰভাৱে আহত হয়। এই ঘটনাই সমগ্ৰ অঞ্চলটোত চাঞ্চল্যৰ সৃষ্টি কৰাৰ লগতে ৰাইজৰ মাজত প্ৰতিক্ৰিয়াৰো সৃষ্টি হৈছে। বনৰীয়া হাতীৰ আক্ৰমণত নিহত মহিলা গৰাকী হ'ল নৈ-পামৰ ৰিপুমণি দাস (৪৫)। গুৰুতৰ ভাবে আহত মহিলাগৰাকী হ'ল মাধৱী দাস (৬০)। স্থানীয় সূত্ৰই জনোৱা মতে, আজি পুৱা মহিলা দুগৰাকী প্ৰাতঃভ্ৰমণলৈ যোৱাৰ সময়ত দুটা বনৰীয়া হাতীৰ মুখামুখি হয়। ইয়াৰে এটা হাতীয়ে মহিলা দুগৰাকীক আক্ৰমণ কৰে। বনৰীয়া হাতীয়ে ৰিপুমণি দাস নামৰ মহিলাগৰাকীক নাৰিকল গছত এচাৰি দিয়াৰ ফলত তেওঁ থিতাতে নিহত হয়। আনগৰাকী মহিলা মাধৱী দাস গুৰুতৰভাৱে আহত হৈ চিকিৎসাধীন হৈ আছে। এই মৰ্মান্তিক ঘটনাই সমগ্ৰ অঞ্চলত শোকৰ ছাঁ পেলাইছে। এই ঘটনাৰ পিছতে ৰিপুমণি দাসৰ ঘৰত সৃষ্টি হৈছে এক অৱৰ্ণনীয় পৰিৱেশ। মৃত্যুৰ সময়ত মহিলাগৰাকীয়ে স্বামী, পুত্ৰ, কন্যাসহ বহু আত্মীয়-স্বজনক ইহসংসাৰত এৰি থৈ গৈছে। জানিব পৰা মতে, নিহত মহিলাগৰাকী স্থানীয় আঞ্চলিক পঞ্চায়তৰ প্ৰাক্তন কাউন্সিলৰ আছিল। উল্লেখ্য যে, বৃহত্তৰ নৈ-পাম অঞ্চলত বিগত প্ৰায় ৭-৮ বছৰ ধৰি বনৰীয়া হাতীয়ে তাণ্ডৱ চলাই আহিছে। অঞ্চলৰ কাষেৰে বৈ যোৱা ননৈ নদীৰ সিপাৰত শতাধিক বনৰীয়া হাতীয়ে অৱস্থান কৰি থকাৰ লগতে খেতিপথাৰৰ বিস্তৰ ক্ষতিসাধন কৰি আহিছে। কন্দলি বনাঞ্চলৰ পৰা খাদ্যৰ সন্ধানত প্ৰায়ে অঞ্চলটোলৈ বনৰীয়া হাতীৰ জাক নামি আহে। স্থানীয় লোকে অঞ্চলটোৰ পৰা বনৰীয়া হাতীৰ জাক খেদি পঠাবলৈ বন বিভাগক দাবী জনাই আহিছে যদিও বন বিভাগে কোনোধৰণৰ গুৰুত্ব নিদিয়াৰ অভিযোগ উঠিছে। বন বিভাগৰ প্ৰতি অতিকৈ ক্ষোভিত ৰাইজে অঞ্চলটোত এটা বন বিভাগৰ পহৰা চকী স্থাপনৰ বাবে চৰকাৰক দাবী জনাইছে। লগতে নিহত মহিলাগৰাকীৰ পৰিয়ালক উপযুক্ত ক্ষতিপূৰণ দিয়াৰ বাবে চৰকাৰক দাবী জনোৱাৰ লগতে গুৰুতৰভাৱে আহত মহিলা গৰাকীৰ উন্নত চিকিৎসাৰ ব্যৱস্থা কৰিবলৈও দাবী জনাইছে।

# জাগীৰোড আন্তঃজিলা বিদ্যালয় ছোৱালী ক্ৰিকেট প্ৰতিযোগিতাৰ আয়োজন

**অসম বাৰ্তা, ধৰমতুল, ২৪ নৱেম্বৰ ঃ** জাগীৰোড সমষ্টিৰ সাজিলা আৰু মায়ং ৰাজহ চক্ৰৰ যুটীয়া উদ্যোগত মায়ং শিক্ষা খণ্ডৰ এলেকাধীন বিদ্যালয়সমূহৰ ছাত্ৰীসকলৰ মাজত আগন্তুক ৬ ডিচেম্বৰৰ পৰা অনুষ্ঠিত হ'ব আন্তঃবিদ্যালয় ক্ৰিকেট প্ৰতিযোগিতা। এই প্ৰতিযোগিতাৰ বাবে সম্প্ৰতি জাগীৰোডৰ বিদ্যালয়সমূহৰ ছাত্ৰীসকলক অনুশীলনীত ব্যস্ত হৈ পৰা দেখা গৈছে। উল্লেখযোগ্য যে সদ্য সমাপ্ত মহিলা বিশ্বকাপ ক্ৰিকেটত ভাৰতৰ মহিলাসকলে দেখুৱাই দিয়া চমকপ্ৰদ প্ৰদৰ্শনে বিশেষতঃ ছাত্ৰীসকলক ক্ৰিকেটৰ প্ৰতি অনুপ্ৰাণিত কৰিছিল। একেদৰেই জনপ্ৰিয় ক্ৰিকেট খেল বিধৰ প্ৰতি ছাত্ৰীসকলক অধিক আগ্ৰহী কৰি তোলাৰ লক্ষ্যৰে মায়ং ৰাজহ চক্ৰৰ চক্ৰ বিষয়া প্ৰিয়ংকা গগৈয়ে কৰিছে এই অভিনৱ পদক্ষেপ। তেওঁৰ একক প্ৰচেষ্টাত অসমত পোন প্ৰথমবাৰ বাবে ছোৱালীৰ মাজত অনুষ্ঠিত হ'ব লগা ক্ৰিকেট প্ৰতিযোগিতাত অংশ গ্ৰহণৰ সুযোগ লাভ কৰা জাগীৰোড সমষ্টিৰ অন্তৰ্গত উচ্চমাধ্যমিক বিদ্যালয়সমূহৰ ছাত্ৰীসকলৰ অস্থিৰ উদ্যমেৰে ওলাই অহা পৰিলক্ষিত হৈছে। উল্লেখযোগ্য যে জাগী ভকত গাঁওস্থিত ঐতিহ্যমণ্ডিত জাগী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰত উক্ত প্ৰতিযোগিতাৰ কেইবাখনো খেল অনুষ্ঠিত হোৱাৰ লগতে জাগীৰোডৰ আন আন বিদ্যালয়ৰ খেলপথাৰতো প্ৰতিযোগিতা অনুষ্ঠিত হ'ব বুলি সংবাদ মাধ্যমত জনাই দি অভিভাৱক আৰু জাগীৰোডবাসীৰ সহযোগিতা বিচাৰে প্ৰিয়ংকা গগৈয়ে। আনহাতে মহিলা প্ৰশাসনিক বিষয়া গৰাকীৰ এনে ব্যতিক্ৰমী প্ৰয়াসৰ শলাগ লৈছে বহুতে; এইদৰে অঞ্চলটোৰ ক্ৰীড়া প্ৰেমীৰ লগতে সচেতন মহলে।

# বিজনী-পাণবাৰী পথৰ লাৰুগাঁও পথাৰত ভয়ংকৰ পথ দুৰ্ঘটনা

**অসম বাৰ্তা, বিজনী, ২৪ নৱেম্বৰ ঃ** চিৰাং জিলাৰ বিজনী-পাণবাৰী পথৰ লাৰুগাঁও পথাৰত দেওবাৰে বিয়লি ভয়ংকৰ পথ দুৰ্ঘটনা সংঘটিত হয়। তীব্ৰবেগী দুখন বাইকৰ মাজত মুখামুখি সংঘৰ্ষত গুৰুতৰভাৱে আহত দুই বাইক আৰোহী। দুৰ্ঘটনাত পতিত মটৰ চাইকেল দুখনৰ নম্বৰ ক্ৰমে AS 26G 1429 আৰু AS 26G 5621। সংকটজনক অৱস্থাত দুয়োজন বাইক আৰোহীক ঘটনাস্থলিত উপস্থিত থকা লোকে চিকিৎসালয়ত প্ৰেৰণ কৰে যদিও চিৰঞ্জিৎ দাস নামৰ যুৱক জনৰ বিজনী অসামৰিক চিকিৎসালয়ত মৃত্যু হয় বুলি জানিব পৰা গৈছে। আনহাতে আনজন বাইক আৰোহী ধাৰ্মিক বসুমতাৰীক সংকটজনক অৱস্থাত বঙাইগাঁৱলৈ প্ৰেৰণ কৰা হৈছে। জানিব পৰা মতে চিৰঞ্জিৎ দাস নামৰ যুৱক জনে AS 26G 5621 নম্বৰৰ বাইক খনেৰে বিজনীৰ দিশৰ পৰা আহি থকা অৱস্থাত উলুবাৰীৰ দিশৰ পৰা বিজনী অভিমুখে গৈ থকা ধাৰ্মিক বসুমতাৰীৰ AS 26G 1429 নম্বৰৰ বাইক খনৰ লগত মুখামুখি সংঘৰ্ষ হয়। ইয়াৰে চিৰঞ্জিৎ দাসৰ ঘৰ ফুলকুমাৰীত আৰু ধাৰ্মিক বসুমতাৰীৰ ঘৰ উলুবাৰীত বুলি জানিব পৰা গৈছে।

# গেলেকীলৈ গৌৰৱ কঢ়িয়াই আনিলে জাতীয়তাবাদী নেতা প্ৰমোদ মনোৰঞ্জন গগৈয়ে

**অসম বাৰ্তা, গেলেকী, ২৪ নৱেম্বৰ ঃ** অসম জাতীয়তাবাদী যুৱ- ছাত্ৰ পৰিষদ শিৱসাগৰ জিলা সমিতিৰ ভাৰপ্ৰাপ্ত সম্পাদক তথা জাতীয়তাবাদী নেতা প্ৰমোদ মনোৰঞ্জন গগৈৰ সফলতা। অসম জাতীয়তাবাদী যুৱ - ছাত্ৰ পৰিষদ ডিব্ৰুগড় জিলা সমিতিৰ আতিথ্যত অনুষ্ঠিত কেন্দ্ৰীয় সাংগঠনিক কৰ্মশালাত সাংগঠনিক বক্তৃতা প্ৰতিযোগিতাত অংশগ্ৰহণ কৰি অসমৰ ভিতৰত প্ৰথম স্থান দখল কৰিবলৈ সক্ষম হৈছেপ্ৰমোদ মনোৰঞ্জন গগৈয়ে। উল্লেখযোগ্য যে অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ ডিব্ৰুগড় জিলা



সমিতিৰ আতিথ্যত ডিব্ৰুগড় জিলা পুথিভঁৰালৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত হৈছিল কেন্দ্ৰীয় সাংগঠনিক কৰ্মশালাৰ। এই কৰ্মশালাতে আকস্মিক বক্তৃতা প্ৰদান প্ৰতিযোগিতাত অংশগ্ৰহণ কৰি অসমৰ ভাওনা সংস্কৃতিৰ ওপৰত বক্তৃতা প্ৰদান কৰি এই সন্মান অৰ্জন কৰিবলৈ সক্ষম হয় প্ৰমোদ মনোৰঞ্জন গগৈয়ে। অনুষ্ঠানত উপস্থিত থাকি অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ সাংগঠনিক উপ-সমিতিৰ সভাপতি শিৱ কলিতা, সম্পাদক ছাবিৰ আহমেদ অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ কেন্দ্ৰীয় সমিতিৰ সভাপতি পলাশ চাংমাই, সাধাৰণ সম্পাদক বিজন বায়নে এই সন্মান প্ৰদান কৰে প্ৰমোদ মনোৰঞ্জন গগৈক। এই সন্মান লাভ কৰি গেলেকী অঞ্চলৰ বাবে গৌৰৱ কঢ়িয়াই আনিছে প্ৰমোদ মনোৰঞ্জন গগৈয়ে।

### বিজেপিয়ে যি কয়, তাক কৰি দেখুৱাই ঃ মনোজ ধানোৱাৰ

# বাঘজান গাঁও পঞ্চায়তৰ ৮ নং ৱাৰ্ডত লক্ষ্মী মন্দিৰৰ পুনৰ নিৰ্মাণৰ কাম শুভাৰম্ভ

**অসম বাৰ্তা, তিনিচুকীয়া বিশেষ, ২৪ নৱেম্বৰ ঃ** অসম চৰকাৰৰ অসম দৰ্শন আঁচনিৰ জৰিয়তে সমগ্ৰ ৰাজ্যত বিভিন্ন ধৰণৰ উন্নয়নমূলক কাম-কাজ অব্যাহত ৰাখিছে। সমান্তৰালকৈ ৰাজ্যৰ উপাসনাস্থলীসমূহৰো নিৰ্মাণৰ বাবে বিশেষ প্ৰদক্ষেপ গ্ৰহণ কৰিছে ৰাজ্য চৰকাৰে। অসম দৰ্শন আঁচনিৰ অধীনত আজি বাঘজান গাঁও পঞ্চায়তৰ অন্তৰ্গত ৮ নং ৱাৰ্ডত থকা লক্ষ্মী মন্দিৰৰ পুনৰ নিৰ্মাণৰ কাম শুভাৰম্ভ কৰে তিনিচুকীয়া জিলা পৰিষদৰ উপ-সভানেত্ৰী চিত্ৰলেখা দুৱৰা ছোনাই। উল্লেখ্য, ৩ লাখ টকাৰ ব্যয় সাপেক্ষে নিৰ্মাণ হ'বলগীয়া এই উপাসনাস্থলী তথা লক্ষ্মী মন্দিৰ নিৰ্মাণত সকলোৰে সহযোগিতা কামনা কৰিছে প্ৰাক্তন আঞ্চলিক পঞ্চায়তৰ সদস্য তথা বাঘজান-দীঘলটৰং সাংস্কৃতিক মঞ্চৰ সভাপতি সননজ্যোতি গোহাঁই (মানৱজ্যোতি)য়ে। "বিজেপিয়ে যি কয়, তাক কৰি দেখুৱাই। মই বিজেপিত যোগদান কৰাৰ পূৰ্বে অন্য এটা দলৰ পৰা নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছিলো। কিন্তু সেই দলটোক ৰাইজে আঁকোৱালি লোৱা নাছিল বাবে মই নিৰ্বাচনত পৰাজিত হ'লো। কিন্তু এতিয়া মইয়ো বিজেপি দলক বুজি পাই এই দললৈ আহিছো। এই দলে অসমৰ গাঁৱে-ভূঞেও বহুতো উন্নয়নমূলক কাম কৰিছে আৰু আগলৈ কৰি থাকিব, মাথোঁ আপোনালোকৰ সহযোগিতা লাগিব।" ৰাইজক উদ্দেশ্যি বিজেপিৰ ৰাজ্যিক মুখপাত্ৰ মনোজ ধানোৱাৰে এইদৰে কয়। শুভাৰম্ভণী অনুষ্ঠানত পানীতোলা জিলা পৰিষদৰ সদস্য দিগন্ত শইকীয়া, বাঘজান গাঁও পঞ্চায়তৰ সভানেত্ৰী ৰেবিকা বাৰলা, ৬ নং ৱাৰ্ডৰ সদস্য নৰেন তাঁতীসহ বহুকেইগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

# চিথিলাঘোপ গাঁৱত গোংগেয়া নৈৰ গৰা-খহনীয়া অঞ্চল পৰিদৰ্শন বিটিছিৰ ৭নং ফকিৰাগ্ৰাম অজনজাতি সমষ্টিৰ পাৰিষদ এজামূল হকৰ

**অসম বাৰ্তা, দোতমা, ২৪ নৱেম্বৰ ঃ** বিটিছি পৰিষদীয় নিৰ্বাচনত জয় লাভ কৰাৰ পিছতেই সমষ্টি উন্নয়নত অধিক গুৰুত্ব দিছে বিটিছিৰ ৭নং ফকিৰাগ্ৰাম অজনজাতি সমষ্টিৰ পাৰিষদ এজামূল হকে। আজি সমষ্টিৰ অধিন চিথিলাৰ ঘোপ গাঁৱৰ ওচৰেদি বৈ যোৱা গোংগেয়া নৈয়ে গাওঁখনৰ বিস্তৰ ক্ষতি সাধন কৰিছে বাবে চিথিলাৰ ঘোপ গাঁৱত উপস্থিত হৈ নৱনিৰ্বাচিত পাৰিষদ এজামূল হকে নৈখনত ক্ষতিগ্ৰস্ত অঞ্চল পৰিদৰ্শন কৰি বিভাগীয় ইএম আৰু বিটিছি প্ৰধান হাগ্ৰামা মহিলাৰীৰ লগত আলোচনা কৰি নৈ-খনৰ গড়াখহনীয়া ৰোধ কৰিব বুলিও সংবাদ মাধ্যমৰ আগত ব্যক্ত কৰে। আজি গড়াখহনীয়া অঞ্চল পৰিদৰ্শন কালত গাঁওখনৰ জেষ্ঠ লোক সকলৰ লগতে দলীয় কৰ্মী সকলো সংগ দিয়ে।

# ডিব্ৰুগড়ত সদৌ অসম মটক সন্মিলনৰ ৮৬ সংখ্যক কেন্দ্ৰীয় প্ৰতিষ্ঠা দিৱস পালন

**ষ্টাফ ৰিপৰ্টাৰ, ডিব্ৰুগড়, ২৪ নৱেম্বৰ ঃ** ডিব্ৰুগড়ৰ বকপৰা ৰাজহুৱা প্ৰেক্ষাগৃহ প্ৰাংগণত অনুষ্ঠিত হৈছে সদৌ অসম মটক সন্মিলনৰ ৮৬ সংখ্যক কেন্দ্ৰীয় প্ৰতিষ্ঠা দিৱস। সন্মিলনৰ মুকলি সভাত মটক জনগোষ্ঠীৰ কৃষ্টি সংস্কৃতিৰ লগতে মটক জনগোষ্ঠীৰ জনজাতি- কৰণৰ বিষয়ত আলোচনা কৰা হয়। বৰ্নাঢ্য কাৰ্যসূচীৰে ডিব্ৰুগড় জিলাৰ ৰবৰুৱা উন্নয়খণ্ড অন্তৰ্গত বকপৰা ৰাজহুৱা সভাত পুৱা পতাকা উত্তোলনৰ লগতে ৮৫গছি বন্তি প্ৰজ্বলন কৰা হয়। স্মৃতি তৰ্পণ অনুষ্ঠানত মটক ৰজা সৰ্বানন্দ সিংহৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন পিছতে অসমৰ সাংস্কৃতিক জগতৰ নক্ষত্ৰ- জুবিন গাৰ্গৰ প্ৰতিচ্ছবিত শ্ৰদ্ধাঞ্জলি জনোৱা লগতে বৃক্ষৰোপণ কৰা হয়। মুকলি সভাত মটক স্বায়ত্ত শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী ডেভিদ চেতিয়াকে প্ৰমুখ্য কৰি, সদৌ অসম মটক যুৱ ছাত্ৰ সন্মিলনৰ বিষয়ববীয়া, সদৌ অসম মটক মহিলা পৰিষদৰ বিষয়ববীয়া, আহোম সভাৰ সভাপতি শশাংক নেওগকে ধৰি বিশিষ্ট অতিথিসকল উপস্থিত থাকে। প্ৰতিষ্ঠা দিৱসৰ লগত সংগতি ৰাখি প্ৰকাশ কৰা স্মৃতিগ্ৰন্থ- "ভূমিপুত্ৰ" উন্মোচন কৰে বিশিষ্ট কবি-মনোজ গোঁহাইয়ে। অনুষ্ঠানত মটক সকলৰ বিহু প্ৰদৰ্শন কৰা হয়।

◁ অসম বাৰ্তা প্ৰাইভেট লিমিটেডৰ দ্বাৰা প্ৰকাশিত ▷ ✉ বাতৰি বিভাগ ঃ abnewsmajuli@gmail.com ☎ ম'বাইল ঃ +৯১-৭০৯৯৪৩৫৪৬২ ◂◂ যিকোনো আইনী বিষয় যোৰহাটৰ আদালততহে প্ৰযোজ্য হ'ব ▸▸
◀ Asom Barta is an Assamese newspaper published by Asom Barta Private Limited ▶ • Website : www.asombarta.in • Facebook : \asombarta • Instagram : \asom_barta •
● সম্পাদক ঃ তনয় বৰা ● মুখ্য সম্পাদক ঃ শৰৎ চন্দ্ৰ চিৰিংফুকন